# ৰাইজৰ বাতৰি

১৫ আগষ্ট ২০২০



## ঐতিহাসিক ক্ষণ

অসম চৰকাৰ





সৰ্বানন্দ সোণোৱাল
মুখ্যমন্ত্ৰী, অসম

ক'ভিড-১৯ মহামাৰী প্ৰতিৰোধৰ বাবে ৰাজ্যখনত অব্যাহত থকা সংগ্ৰামত উল্লেখনীয় ভূমিকা লৈ ৰাইজৰ সকাহৰ অৰ্থে অবিৰতভাৱে সেৱাত নিয়োজিত

প্ৰতিগৰাকী কৃষক তথা কৃষি বিভাগ

খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ

উপায়ুক্ত, মহকুমাধিপতি, চক্ৰ বিষয়া,খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়

জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু জলসম্পদ বিভাগৰ

বিষয়া-কৰ্মচাৰী তথা অসমৰ সকলো চাফাই কৰ্মীলৈ

আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

**ৰাইজৰ বাতৰি**

একাদশ বছৰ তৃতীয় সংখ্যা ১৫ আগষ্ট, ২০২০

গৃহ নং ঃ ১, দ্বিতীয় মহলা,
দ্বাৰকা পথ, মহাপুৰুষ হৰিদেৱ পথ,
হাতীগাঁও, গুৱাহাটী ঃ ৭৮১০৩৮

# এই সংখ্যাত


| | |
|---|---|
| ৰাষ্ট্ৰপতি কোবিন্দে মুখ্যমন্ত্ৰীৰ পৰা টেলিফোনযোগে বুজ ল'লে বান পৰিস্থিতিৰ | ৩ |
| ৰাজ্য চৰকাৰক সকলো সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰধানমন্ত্ৰীৰ | ৪ |
| ভূমি পূজনেৰে বহু প্ৰতীক্ষিত ৰাম মন্দিৰৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ | ৫ |
| ক'ভিড চিকিৎসা ঃ ৰাজ্য চৰকাৰৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই প্লাজমা দান | ৯ |
| শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণৰ বৃহৎ সিদ্ধান্ত | ১৪ |
| কৰ'নাৰ সংকটকাল আৰু চৰকাৰৰ যুদ্ধকালীন প্ৰস্তুতি ঃ প্ৰাঞ্জল মজুমদাৰ | ১৬ |
| আলাবৈ ৰণৰ স্মৃতি চিৰযুগমীয়া কৰাৰ বাবে ৰাজ্য চৰকাৰে নিৰ্মাণ কৰিব যুদ্ধ স্মাৰক | ১৯ |
| অসমৰ কৃষি খণ্ডৰ ব্ৰেণ্ড এম্বেছাডৰ হ'বলৈ সন্মতি জুবিন গাৰ্গৰ | ২১ |
| বৰাইল বনাঞ্চলৰ বাবে নতুন ফৰেষ্ট ডিভিজন | ৩১ |
| এইমছ নিৰ্মাণ হৈ উঠিলে দক্ষিণ-পূব এছিয়াৰ মেডিকেল হাব হ'ব অসম | ৪৩ |
| প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূব বান-খহনীয়াৰ স্থায়ী সমাধানৰ পদক্ষেপ লৈছে ঃ মুখ্যমন্ত্ৰী | ৫৫ |
| শিৱসাগৰ জিলাৰ আঁচনি ৰূপায়ণৰ খতিয়ান | ৬৪ |
| '৪২ গণ আন্দোলন ঃ এক চমু আলোকপাত— অবিনাশ বৰ্মন | ৬৬ |
| নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰয়োজনীয়তা— ড° দয়ানন্দ পাঠক | ৬৯ |
| প্ৰতিৰক্ষা ব্যৱস্থাত বিশ্বাসৰ নতুন ভেটি— ড° জয়কান্ত শৰ্মা | ৭৩ |
| কৰ'না ভাইৰাছ আৰু বিধ্বস্ত শিক্ষাবৰ্ষ— ড° জগদীন্দ্ৰ ৰায় চৌধুৰী | ৭৫ |
| ত্ৰিৰংগা নিচান— ৰবীন ডেকা | ৭৭ |
| স্বাধীনতা— পুলিন ডেকা | ৭৮ |
| নিয়োগ বাতৰি | ৭৯ |


অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়, দিছপুৰ, গুৱাহাটী ৭৮১০০৬ ৰ দ্বাৰা প্ৰকাশিত আৰু চৰকাৰী ছপাশাল, গুৱাহাটী ২১ ত মুদ্ৰিত।

উপদেষ্টা ঃ হৃষীকেশ গোস্বামী সম্পাদক ঃ ভূপেন্দ্ৰ নাথ ভট্টাচাৰ্য

Printed and Published by Directorate of Information & Public Relations,
Govt. of Assam, Dispur,
Guwahati 781006 and Printed at Assam Govt. Press Guwahati-781021.

**Adviser : Hrishikesh Goswami** **Editor : Bhupendra Nath Bhattacharyya**

Phone : 0361-2264334, Email : raijarbatori@gmail.com, raijarbatori123@gmail.com

## সম্পাদকীয়




> ভাৰত চৰকাৰে যিদৰে দেশৰ প্ৰতিৰক্ষা ব্যৱস্থা মজবুত কৰিবলৈ ৰাফেল বিমান ক্ৰয় কৰি আনিছে, উচ্চতম ন্যায়ালয়ৰ ঐতিহাসিক ৰায় মৰ্মে ৰাম মন্দিৰ নিৰ্মাণৰ প্ৰস্তুতিৰে ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু বিশ্বাসক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ ওলাইছে, নতুন শিক্ষানীতিৰে শিক্ষাক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ মন মেলিছে, তেনেদৰে অসম চৰকাৰেও অসমৰ ৰাইজক আস্থা আৰু বিশ্বাসত লৈ বিভিন্ন উন্নয়নমূলক কাম কৰি আছে। চৰকাৰ মানেই যে আকাশ কুসুম কিবা এটা নহয়, ই ৰাইজৰ মাজৰে এটা অংশ, তাকেই প্ৰতিপন্ন কৰি চৰকাৰখনে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ সৈতে এক জনসম্পৰ্ক ৰক্ষা কৰি সাধাৰণ ৰাইজক স্বাধীনতাৰ এক সুকীয়া অনুভৱ দিবলৈ যত্ন কৰিছে।

# স্বাধীনতাৰ অনুভৱ

স্বাধীনতা মানুহৰ জন্মস্বত্ব। পৰাধীনতাৰ শিকলি ছিঙি সেই কাংক্ষিত স্বাধীনতা আঁজুৰি অনাৰ দিনটোক সেই বাবেই প্ৰতিখন সাৰ্বভৌম ৰাষ্ট্ৰই অতি সম্ভ্ৰমেৰে পালন কৰে। ভাৰততো স্বাধীনতা দিৱসত অৰ্থাৎ ১৫ আগষ্টৰ দিনটোত উদ্বেলিত হৈ পৰে প্ৰতিগৰাকী নাগৰিক। মৰণপন কৰি স্বাধীনতা আন্দোলনৰ জৰিয়তে দেশৰ জনতাই দেশখনক মুক্ত কৰাৰ পিছত সেই মুক্তি যুঁজাৰুসকলৰ সাহস আৰু ত্যাগক সন্মান জনাই স্বাধীন ভাৰতৰ প্ৰতিগৰাকী নাগৰিক তথা চৰকাৰে যিকোনো প্ৰতিকূলতাক নেওচি দেশৰ সাৰ্বভৌমত্ব ৰক্ষা আৰু বিকাশৰ স্বাৰ্থত অত্মোৎসৰ্গা কৰাৰ সংকল্প লয় এই পবিত্ৰ দিনটোতে। পৰিৱৰ্তিত পৰিস্থিতিত বিভিন্ন ধৰণৰ প্ৰতিকূলতাই দেখা দিয়াটোত অস্বাভাৱিকতা একো নাই। তাক অতিক্ৰম কৰাৰ বাবে মাথোঁ প্ৰয়োজন সততা, সদিচ্ছা আৰু এক সুস্থ ভৱিষ্যদৃষ্টিৰ। ভাৰতত সম্প্ৰতি কৰ'না ভাইৰাছৰ সংক্ৰমণে সৃষ্টি কৰা অভূতপূৰ্ব পৰিস্থিতিয়ে বিভিন্ন আৰ্থ সামাজিক সমস্যাৰ সৃষ্টি কৰিছে। ইতিমধ্যে চৰকাৰে এই সমস্যাৰ মোকাবিলা কৰাৰ বাবে ক'ভিড যোদ্ধা আৰু দেশৰ কোটি কোটি জনতাৰ সহযোগিতাত বহুতো ইতিবাচক পদক্ষেপ লৈছে আৰু এইক্ষেত্ৰত বহুখিনি সফলো হৈছে। দেশৰ বিভিন্ন ৰাজ্যৰ দৰে অসমো ইয়াৰ ব্যতিক্ৰম নহয়। কৰ'নাৰ বিৰুদ্ধে সমগ্ৰ দেশবাসীয়ে যুজ দি সময়তে ভূতৰ ওপৰত দানহ পৰাৰ দৰে চীনে সীমান্তত অস্থিৰতাৰ সৃষ্টি কৰিবলৈ চলোৱা অপচেষ্টাক ভাৰতে প্ৰতিহত কৰাৰ দৰে অসমতো কৰ'না দুৰ্যোগৰ মাজতে প্ৰলয়ংকৰী বান, ধুমুহা, বাঘজানৰ অগ্নিকাণ্ড আদি প্ৰতিকূলতাই সমস্যাৰ সৃষ্টি কৰিলেও চৰকাৰখনে এইক্ষেত্ৰতো সদিচ্ছাৰে বিভিন্ন পদক্ষেপ লৈছে। ভাৰত চৰকাৰে যিদৰে দেশৰ প্ৰতিৰক্ষা ব্যৱস্থা মজবুত কৰিবলৈ ৰাফেল বিমান ক্ৰয় কৰি আনিছে, উচ্চতম ন্যায়ালয়ৰ ঐতিহাসিক ৰায় মৰ্মে ৰাম মন্দিৰ নিৰ্মাণৰ প্ৰস্তুতিৰে ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু বিশ্বাসক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ ওলাইছে, নতুন শিক্ষানীতিৰে শিক্ষাক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ মন মেলিছে, তেনেদৰে অসম চৰকাৰেও অসমৰ ৰাইজক আস্থা আৰু বিশ্বাসত লৈ বিভিন্ন উন্নয়নমূলক কাম কৰি আছে। চৰকাৰ মানেই যে আকাশ কুসুম কিবা এটা নহয়, ই ৰাইজৰ মাজৰে এটা অংশ, তাকেই প্ৰতিপন্ন কৰি চৰকাৰখনে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ সৈতে এক জনসম্পৰ্ক ৰক্ষা কৰি সাধাৰণ ৰাইজক স্বাধীনতাৰ এক সুকীয়া অনুভৱ দিবলৈ যত্ন কৰিছে। গণতন্ত্ৰত ৰাইজৰ দ্বাৰা ৰাইজৰ হৈ ৰাইজৰ চৰকাৰ চলাৰ আদৰ্শটো ৰক্ষা কৰিয়ে চৰকাৰখনে নিজে ৰাইজৰ ওচৰ চাপি যোৱাটোৱে ৰাইজৰ আত্মবিশ্বাস বঢ়াই তুলিছে। গণতন্ত্ৰত ৰাইজেই ৰজা বোলা কথাষাৰ সাধাৰণ নাগৰিকে ব্যৱহাৰিকভাৱে উপলব্ধি কৰিব পৰাটোৱেই স্বাধীনতাৰ এক তাৎপৰ্য। স্বাধীনতা দিৱসৰ এই পবিত্ৰ ক্ষণত আমি ৰাইজক আন্তৰিক শুভেচ্ছা জনালো। ❑❑

# ৰাষ্ট্ৰপতি কোবিন্দে মুখ্যমন্ত্ৰীৰ পৰা টেলিফোনযোগে বুজ ল'লে অসমৰ বান পৰিস্থিতিৰ





## এই দুৰ্যোগৰ সময়ত সমগ্ৰ ৰাষ্ট্ৰ অসমবাসীৰ সৈতে আছে ঃ ৰাষ্ট্ৰপতি

দেশৰ ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে যোৱা ২৪ জুলাইত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি ৰাজ্যখনৰ বান পৰিস্থিতিৰ বুজ লয়। বাৰ্তালাপৰ সময়ত ৰাষ্ট্ৰপতিগৰাকীয়ে অসমৰ এই দুৰ্যোগৰ সময়ত ৰাজ্যখনৰ জনসাধাৰণৰ সৈতে সহমৰ্মিতা প্ৰকাশ কৰাৰ উপৰি এই জটিল পৰিস্থিতিৰ অচিৰেই অৱসান হ'ব বুলি আশা প্ৰকাশ কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে ৰাষ্ট্ৰপতিগৰাকীক অৱগত কৰে যে অসমে সম্প্ৰতি বান,গৰাখহনীয়া ক'ভিড-১৯ ৰ সংক্ৰমণ,ধুমুহা,ভূমিস্খলন,আফ্ৰিকান ছোৱাইন ফিভাৰ তথা তিনিচুকীয়া জিলাৰ বাঘজানৰ গেছ কূপত সংঘটিত অগ্নিকাণ্ডৰ দৰে বহুকেইটা দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলগীয়া হৈছে। ৰাজ্যখনৰ সাম্প্ৰতিক বানত বৃহৎ এলেকাৰ কৃষিভূমি বেয়াকৈ বিনষ্ট হোৱাৰ লগতে ঘৰ-বাৰীৰ দৰে সা-সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰপতিগৰাকীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাষ্ট্ৰপতিগৰাকীক জনায় যে চৰকাৰী প্ৰশাসনযন্ত্ৰক ইতিমধ্যে জৰুৰীভাৱে সতৰ্ক কৰা হৈছে। জিলা প্ৰশাসনসমূহে বানক্ৰান্ত জনসাধাৰণক আশ্ৰয় প্ৰদান কৰাৰ উপৰি শিশু তথা বৃদ্ধৰ বাবে পৰ্যাপ্ত পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে তেওঁ নিজেও বানৰ ক্ষয়-ক্ষতি তথা উদ্ধাৰ আৰু সাহায্যৰ চৰজমিন নিৰীক্ষণৰ বাবে কেবাটাও বান আক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰিছে। অসমৰ ৰাইজৰ সৈতে সহমৰ্মিতা প্ৰকাশ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে মুখ্যমন্ত্ৰীক কয় যে এই জটিল সন্ধিক্ষণত সমগ্ৰ ৰাষ্ট্ৰ অসমৰ জনসাধাৰণৰ সৈতে আছে। এই দুৰ্যোগৰ মুহূৰ্ত অচিৰেই পাৰ হ'ব বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে ৰাষ্ট্ৰপতিগৰাকীয়ে এই দুৰ্যোগৰ সময়ত অসমৰ জনসাধাৰণৰ খবৰ লোৱা বাবে অসমৰ জনসাধাৰণৰ হৈ বিশেষভাৱে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ❑❑

# ৰাজ্য চৰকাৰক সকলো সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰধানমন্ত্ৰীৰ



## মুখ্যমন্ত্ৰীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ টেলিফোনিক বাৰ্তালাপ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ১৯ জুলাইত টেলিফোনযোগে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে বাৰ্তালাপ কৰি ৰাজ্যখনৰ শেহতীয়া বান পৰিস্থিতি, গৰাখহনীয়া, ক'ভিড-১৯ আৰু বাঘজানৰ পৰিস্থিতিৰ বিষয়ে বুজ লয়।

টেলিফোনযোগে বাৰ্তালাপৰ সময়ত প্ৰধানমন্ত্ৰীয়ে ৰাজ্যৰ এই দুৰ্যোগপূৰ্ণ সময়ত অসমবাসীৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে বানপীড়িতৰ উদ্ধাৰ আৰু সাহায্য অভিযানৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপ তথা ক'ভিড-১৯ ৰোগীৰ চিকিৎসাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে বুজ লয়।

বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি যথেষ্ট উদ্বেগজনক। ৰাজ্যখনৰ ২৬খন জিলা বানৰ কবলত পৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উদ্ধাৰ, সাহায্য অভিযান, আশ্ৰয় শিবিৰকে ধৰি বানপীড়িত লোকসকলৰ বাবে ৰাজ্য চৰকাৰে সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আশ্ৰয় শিবিৰসমূহত সামাজিক দূৰত্ব বজাই ৰাখি পৰ্যাপ্ত সাহায্য আৰু চিকিৎসা ব্যৱস্থা সুনিশ্চিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহে পদক্ষেপ গ্ৰহণ কৰিছে। ব্ৰহ্মপুত্ৰকে ধৰি বিভিন্ন উপনৈসমূহৰ গৰাখহনীয়াৰ ফলত বৃহৎ এলেকাৰ খেতিপথাৰ, আৱাসগৃহ, অনুষ্ঠান-প্ৰতিষ্ঠান নৈৰ বুকুত জাহ যোৱাৰ কথাও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ইতিমধ্যে জিলা প্ৰশাসনসমূহক বান পৰিস্থিতিৰ ফলত হ'ব পৰা যিকোনো পৰিস্থিতিৰ সৈতে মুখামুখি হ'ব পৰাকৈ প্ৰস্তুত কৰি তোলা হৈছে। তেওঁ নিজেই বান আৰু গৰাখহনীয়া এলেকা পৰিদৰ্শন কৰি ক্ষয়-ক্ষতি, সাহায্য ইত্যাদিৰ সম্পৰ্কত বুজ লৈছে বুলিও প্ৰধানমন্ত্ৰীক অৱগত কৰে। ক'ভিড-১৯ সৃষ্ট সংকটৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ স্বাস্থ্য বিভাগে প্ৰয়োজনীয় সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে টেষ্টৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলত ক'ভিড ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে। ভৱিষ্যতে ৰোগীৰ সংখ্যা অধিক বৃদ্ধি পালে এইক্ষেত্ৰত স্বাস্থ্য বিভাগে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলিও তেওঁ কয়। ৰাজ্যৰ প্ৰতিগৰাকী উপায়ুক্ত, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালককে ধৰি স্বাস্থ্য খণ্ডৰ লগত জড়িত বিষয়া-কৰ্মচাৰী আৰু ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজি অহা প্ৰতিটো বিভাগৰ লগত সঘনে মত বিনিময় কৰি থকা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহত ক'ভিড-১৯ ৰোগীৰ চিকিৎসা ব্যৱস্থাপনা শক্তিশালী কৰাৰ বাবেও চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ, অধীক্ষক আৰু নাৰ্চৰ লগতো ভিডিঅ' কনফাৰেন্সযোগে তেওঁ মত বিনিময় কৰিছে। ৰাজ্যখনৰ কাৰাগাৰসমূহৰ বহু কয়দী ক'ভিড-১৯ পজিটিভ হিচাপে চিহ্নিত হৈছে আৰু এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে চিকিৎসা আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰাজিৰ বিষয়েও তেওঁ প্ৰধানমন্ত্ৰীক অৱগত কৰে। বাঘজানৰ পৰিস্থিতিৰ সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় তেল আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে অগ্নি নিৰ্বাপনৰ বাবে সকলোধৰণৰ প্ৰয়াস অব্যাহত ৰাখিছে আৰু এইক্ষেত্ৰত ৰাজ্য চৰকাৰে সকলোধৰণৰ প্ৰয়োজনীয় সহযোগিতা আগবঢ়াই আছে বুলিও তেওঁ কয়। প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ বান, গৰাখহনীয়া, ক'ভিড-১৯ আৰু বাঘজানৰ পৰিস্থিতি কেন্দ্ৰীয় চৰকাৰে যথেষ্ট গুৰুত্বসহকাৰে লৈছে। এই জটিল সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰ সকলো সময়তে অসমবাসীৰ সৈতে আছে। এই দুৰ্যোগৰ পৰা উদ্ধাৰ পোৱাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সকলোধৰণৰ সহায় সহযোগিতা আগবঢ়াব বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। ❑❑

# ভূমিপূজনেৰে বহু প্ৰতীক্ষিত ৰাম মন্দিৰৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিলে প্ৰধানমন্ত্ৰী মোদীয়ে



এটা ঐতিহাসিক ক্ষণৰ সাক্ষী হৈ ৰ'ল দেশবাসী। পাঁচ শতিকাজোৰা সংঘৰ্ষ, তীব্ৰ আন্দোলন আৰু দীঘলীয়া আইনী যুঁজৰ পৰিসমাপ্তি ঘটাই যোৱা ৫ আগষ্টত অযোধ্যাত নিৰ্মাণ আৰম্ভ হ'ল ৰাম মন্দিৰৰ। পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ আৰু শ্লোক পাঠৰ মাজত ৰামলালাক সন্মুখত ৰাখি অযোধ্যাৰ সুদৃশ্য ৰাম মন্দিৰ নিৰ্মাণৰ বাবে ভূমি পূজা কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ভূমিপূজনত প্ৰধানমন্ত্ৰীৰ সৈতে অংশগ্ৰহণ কৰে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ সৰসংঘ চালক মোহন ভাগৱত, উত্তৰ প্ৰদেশৰ ৰাজ্যপাল আনন্দিবেন পেটেল আৰু মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। ক'ভিড সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত মাত্ৰ ১৭৫ গৰাকী বিশেষভাৱে আমন্ত্ৰিত লোক আৰু সাধু-সন্তৰ উপস্থিতিত নিৰ্ধাৰিত সময়ত সম্পন্ন হয় ভূমিপূজন। মহা আড়ম্বৰেৰে ৪০ কিঃগ্ৰাঃ ওজনৰ ৰূপৰ ইটা গাঁথি ভূমি পূজাৰ মাধ্যমেৰে ৰাম মন্দিৰ নিৰ্মাণৰ আৰম্ভণি কৰে প্ৰধানমন্ত্ৰীয়ে। ইয়াৰ আগেয়ে প্ৰধানমন্ত্ৰীয়ে পূজা কৰে শ্ৰীৰাম খোদিত ৯ টা ইটা, যিকেইটা ইটা ১৯৮৯ চনৰ পৰা বিশ্বৰ বিভিন্ন স্থানৰ পৰা অযোধ্যালৈ প্ৰেৰণ কৰা ২.৭৫ লাখ ইটাৰ মাজৰ পৰা লোৱা হৈছে। জয় চিয়া ৰাম, হৰ হৰ মহাদেৱ, ভাৰত মাতা কী জয় ধ্বনিৰে মুখৰ হৈ পৰে ভূমিপূজন অনুষ্ঠান। এই ভূমিপূজন অনুষ্ঠানৰ বাবেই সমগ্ৰ অযোধ্যা নগৰীত যোৱা কিছুদিন ধৰি হৈ আছে আৱতৰীয়া দেৱালী। অযোধ্যা নগৰীখন ফুলেৰে সজাই তোলাৰ লগতে সৰযু নদীৰ দুয়োপাৰ বন্তিৰে পোহৰাই তোলা হৈছে। অযোধ্যাত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰামগড়িত থকা হনুমান মন্দিৰত পূজা আগবঢ়ায়। তাৰ পাছতে ৰামলালাৰ সন্মুখত সাষ্টাংগে প্ৰণিপাত জনাই প্ৰধানমন্ত্ৰী মোদীয়ে পূজা কৰে। অযোধ্যাত ৰামলালা দৰ্শন কৰা মোদীয়েই প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী। উল্লেখ্য যে অযোধ্যাত ভূমিপূজনৰ সৈতে সংগতি ৰাখি দেশৰ বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। ❏❏



# অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণ ৰাষ্ট্ৰ নিৰ্মাণৰ বৃহৎ পদক্ষেপ



## ভূমিপূজন অনুষ্ঠানত ৰামৰ বন্দনা গাই প্ৰধানমন্ত্ৰী মোদী



নিজৰ সংকল্প ৰক্ষা কৰি সুদীৰ্ঘ ২৯ বছৰ পাছত অযোধ্যাৰ পৱিত্ৰ ভূমিত উপস্থিত হৈ ভাৰতীয় সংস্কৃতিৰ অনন্য প্ৰতিভূ শ্ৰীৰামচন্দ্ৰৰ জয়ধ্বনিৰে ভাৰতৰ মহত্বপূৰ্ণ গৌৰৱ সোঁৰৱাই দিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। জয় শ্ৰীৰাম ধ্বনিৰে প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণ আৰম্ভ কৰে। অযোধ্যাত ৰাম মন্দিৰৰ ভূমিপূজা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে দীৰ্ঘ বিৰতিৰ পিছত সৰযু নদীৰ তীৰত স্বৰ্ণযুগৰ সূচনা হ'ল। তেওঁ কয়, কেৱল অযোধ্যাতে নহয়, সমগ্ৰ বিশ্ব আজি মুখৰ হৈ উঠিছে ৰামৰ জয়ধ্বনিৰে। আজি সমগ্ৰ দেশ ৰামময়। ৰাম নামেৰে ৰোমাঞ্চিত। বিশ্বৰ সৰ্বত্ৰ শুনা গৈছে ৰামৰ জয়ধ্বনি। শ্ৰীৰামচন্দ্ৰ ভাৰতীয় সংস্কৃতিৰ আধুনিক প্ৰতীক। ৰাষ্ট্ৰীয় ভাৱনাৰ প্ৰতীক। সমগ্ৰ পৃথিৱীৰ মানুহ আহিব ইয়ালৈ। ৰাম মন্দিৰৰ মাধ্যমেৰেই বৰ্তমানৰ সৈতে অতীতৰ যোগসূত্ৰ স্থাপন হ'ব বুলি মোদীয়ে কয়। ৰাম মন্দিৰৰ আধাৰশিলা স্থাপনৰ দিনটোক স্বাধীনতা দিৱসৰ সৈতে তুলনা কৰে তেওঁ। তেওঁ কয়, স্বাধীনতা সংগ্ৰামত যিদৰে সমগ্ৰ দেশৰ মানুহে যোগ দিছিল, ৰাম মন্দিৰৰ বাবেও

তেনেদৰে বহু লোকে আত্মবলিদান দিছে। সুদীৰ্ঘ প্ৰতীক্ষাৰ অন্ত পৰিল। এটা তম্বুৰ তলত থকা ৰামলাল্লাৰ বাবে এতিয়া নিৰ্মাণ হ'ব সুবিশাল মন্দিৰ। সেইবাবে আজিৰ দিনটো হ'ব ত্যাগ, সংকল্প আৰু সংঘৰ্ষৰ প্ৰতীক। তেওঁ সমগ্ৰ দেশবাসীৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৰামভক্তসকলৰ প্ৰতি কৃতজ্ঞতা জনায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, ৰামৰ অস্তিত্বকে ধ্বংস কৰি দিয়াৰ চেষ্টা চলিছিল, কিন্তু ৰাম অবিনাশী, ভাৰতৰ সংস্কৃতিৰে ওতপ্ৰোত সম্পৰ্ক আছে শ্ৰীৰামচন্দ্ৰৰ। দেশৰ সংস্কৃতিৰ পৰা পৃথক কৰিব নোৱাৰি ৰামক। আমাৰ সৈতে একাত্ম হৈ তেওঁ অৱস্থান কৰি আছে আমাৰ হৃদয়ত। ৰাম আমাৰ সংস্কৃতিৰ আধাৰ। আমাৰ কৰ্মশক্তিৰ অনুপ্ৰেৰণা। সত্যপালনৰ নামেই হৈছে ৰাম। ৰাম মন্দিৰ প্ৰতিষ্ঠা ৰাষ্ট্ৰ নিৰ্মাণৰ বৃহৎ পদক্ষেপ বুলিও মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে শ্ৰীৰামচন্দ্ৰক বিশ্ববন্দিত বুলি উল্লেখ কৰি দেশৰ লগতে বিদেশতো ৰামকথাৰ প্ৰচলন থকাৰ বিভিন্ন উদাহৰণ দিয়ে। তেওঁ কয়, ৰামক বিশ্বাস কৰি আগুৱালে প্ৰগতি নিশ্চিত আৰু বিচ্যুত হ'লে ধ্বংস অনিবাৰ্য। ৰাম মন্দিৰ নিৰ্মাণৰ জৰিয়তে অযোধ্যাৰ মৰ্যাদা বৃদ্ধি পোৱাৰ লগে লগে সমগ্ৰ অঞ্চলটোৰ অৰ্থনীতিৰ ৰূপৰেখাও সলনি হৈ যাব। ৰাম মন্দিৰ নিৰ্মাণৰ জৰিয়তে কেৱল ইতিহাসৰ সৃষ্টি নহয়, ইতিহাসৰ পুনৰাবৃত্তি হ'ব বুলি মোদীয়ে কয়। আনহাতে, ভূমিপূজন অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ সৰ সংঘ চালক মোহন ভাগৱতে কয়, নতুন ভাৰতত সূচনা হ'ল নৱযুগৰ। আজি সমগ্ৰ দেশতে আনন্দৰ ঢৌৰ সৃষ্টি হৈছে। বহু বছৰৰ আশা পূৰ্ণ হোৱাৰ আনন্দ। ভাৰতক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে আত্মবিশ্বাসৰ প্ৰয়োজন আছিল। এতিয়া সেয়াই সূচনা হ'ল। তেওঁ ভাষণত ৰাম



মন্দিৰ নিৰ্মাণৰ বাবে অহোপুৰুষাৰ্থ কৰা কেবাগৰাকীও বিশিষ্ট ব্যক্তিৰ কথা উল্লেখ কৰে। ভাগৱতে প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী লালকৃষ্ণ আদৱানীৰ কথাও উল্লেখ কৰে। এই মুহূৰ্ত যে সকলোৰে বাবে এটা আনন্দৰ মুহূৰ্ত সেই কথা সকলোৱে হৃদয়ংগম কৰিব পাৰিছে বুলি আৰ এছ এছৰ সৰ সংঘচালকগৰাকীয়ে কয়। ❏❏




## অযোধ্যাত ৰাম মন্দিৰৰ ভূমি পূজন সম্পৰ্কত মুখ্যমন্ত্ৰী সোণোৱাল



# ৰাম মন্দিৰ হৈছে ভাৰতবৰ্ষৰ শান্তি-সম্প্ৰীতি, সমন্বয় আৰু বন্ধুত্বৰ প্ৰতীক

অযোধ্যাত বহু প্ৰতীক্ষিত ৰাম মন্দিৰৰ ভূমি পূজনেৰে নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ হোৱাত আনন্দ প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। প্ৰধানমন্ত্ৰীয়ে ৰাম মন্দিৰৰ ভূমি পূজন সম্পন্ন কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, আজিৰ দিনটো অত্যন্ত পৱিত্ৰ দিন। অযোধ্যাত ভগৱান ৰামচন্দ্ৰৰ জন্মভূমিত আজি ৰাম মন্দিৰৰ ভূমিপূজন হৈছে। এয়া সমগ্ৰ ভাৰতীয় সভ্যতা-সংস্কৃতিৰ বিকাশৰ দিশত নিষ্ঠাৰে আত্মনিয়োগ কৰা প্ৰতিজন ভাৰতীয়ৰ বাবে এক গৌৰৱৰ বিষয়। কাৰণ ৰাম মন্দিৰ হৈছে ভাৰতবৰ্ষৰ শান্তি-সম্প্ৰীতি, সমন্বয় আৰু বন্ধুত্বৰ প্ৰতীক। মহামানৱ মহাত্মা গান্ধীয়ে স্বাধীনতাৰ সময়তে মনে-প্ৰাণে বিচাৰিছিল ভাৰতবৰ্ষৰ বুকুত ৰাম ৰাজ্য প্ৰতিষ্ঠা হওক। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাপুজীৰ সপোনক দিঠকত পৰিণত কৰাৰ বাবে কন্যাকুমাৰীৰ পৰা কাশ্মীৰলৈকে, অৰুণাচল প্ৰদেশৰ পৰা গুজৰাটলৈকে এই বিশাল উপ-মহাদেশত বসবাস কৰা বিভিন্ন ভাষা-ভাষী, জাতি, ধৰ্মাৱলম্বী লোকৰ মাজত সমন্বয়ৰ



ধাৰা শক্তিশালী ৰূপত নিৰ্মাণ কৰাৰ উদ্দেশ্যে ৰাম মন্দিৰৰ আধাৰশিলা স্থাপন কৰিছে। এই কাৰ্যই ভাৰতবৰ্ষক বিশ্বৰ বুকুত অধিক শক্তিশালী কৰি তুলিব আৰু শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ বান্ধোন অধিক শক্তিশালী কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। □□



**গুৱাহাটী, তেজপুৰ, ডিব্ৰুগড়, যোৰহাটত প্লাজমা বেংক**

# ক'ভিড চিকিৎসা ঃ ৰাজ্য চৰকাৰৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই প্লাজমা দান বহু লোকৰ

ক'ভিড আক্ৰান্ত লোকৰ চিকিৎসাৰ বাবে এই ৰোগত আক্ৰান্ত হৈ ইতিমধ্যে আৰোগ্য লাভ কৰা বহু লোকে যোৱা কিছুদিনৰ ভিতৰত প্লাজমা দান কৰিছে। ইতিমধ্যে ৰাজ্যৰ স্বাস্থ্য বিভাগে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল, তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল, অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৰোগীসকলৰ সুবিধাৰ্থে প্লাজমা বেংক স্থাপন কৰিছে। ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অতি তৎপৰতাৰে এই প্লাজমা বেংকসমূহ স্থাপন কৰাৰ ফলত কেবাগৰাকীও গুৰুতৰভাৱে আক্ৰান্ত ৰোগীৰ জীৱন ৰক্ষা পৰিছে। স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাই যোৱা ১৬ জুলাইত গুৰুতৰভাৱে ক'ভিড আক্ৰান্ত হৈ পিছত আৰোগ্য লাভ কৰা ৰাজ্যৰ আৰু ৰাজ্যৰ বাহিৰৰ লোকসকলক প্লাজমা দান কৰিবলৈ আগবাঢ়ি আহিবলৈ আহ্বান জনাইছিল। অসমৰ বাহিৰৰ পৰা প্লাজমা দান কৰিবলৈ অহা লোকসকলক ৰাজ্যিক অতিথিৰ মৰ্যাদা প্ৰদানৰ লগতে অহা-যোৱা, থকা-খোৱাৰ সকলো ব্যৱস্থা কৰা হ'ব বুলিও কৈছিল। ৰাজ্যৰ যিসকল লোকে প্লাজমা দান কৰে তেওঁলোকে ১০৪ নম্বৰত ডায়েল কৰি আগ্ৰহ প্ৰকাশ কৰিব পাৰে। তেওঁলোকক প্লাজমা হিৰ'ৰূপে প্ৰমাণপত্ৰও প্ৰদান কৰা হ'ব আৰু এই প্ৰমাণ পত্ৰৰ জৰিয়তে তেওঁলোকে চৰকাৰী আঁচনি আদিত অগ্ৰাধিকাৰ লাভ কৰিব। উল্লেখ্য যে লক্ষণ থকা ক'ভিড আক্ৰান্ত ৰোগীসকলে আৰোগ্য লাভ কৰাৰ ২৮ দিন পিছৰ পৰা ৩ মাহৰ ভিতৰত তেওঁলোকৰ ৰক্তৰ প্লাজমা





দান কৰিব পাৰে। একোগৰাকী লোকৰ ৪০০ গ্ৰাম প্লাজমাৰ জৰিয়তে দুজন ৰোগীৰ প্ৰাণৰক্ষা কৰিব পৰা যায়। সেয়েহে, আৰোগ্য লাভ কৰা তেনে লোকসকলে আক্ৰান্ত লোকসকলৰ জীৱন ৰক্ষাৰ বাবে আগবাঢ়ি আহিব পাৰে। ৰাজ্য চৰকাৰৰ এই প্ৰচেষ্টাৰ প্ৰতি সঁহাৰি জনাই ইতিমধ্যে ভালেমান লোকে প্লাজমা দান কৰিছে। এই প্লাজমাৰ সহায়ত ইতিমধ্যে কেবাগৰাকী ৰোগীও সুস্থ হৈ উঠিছে। স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী আৰু তেজপুৰত প্লাজমা বেংক মুকলি কৰিছে। আনহাতে, ডিব্ৰুগড় আৰু যোৰহাটত ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী পীযূষ হাজৰিকাই প্লাজমা বেংক দুটা মুকলি কৰে। ডিব্ৰুগড়ত প্লাজমা বেংক মুকলি অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্যিক মন্ত্ৰী সঞ্জয় কিষাণ আৰু বিধায়ক ঋতুপৰ্ণ বৰুৱাও উপস্থিত থাকে। আনহাতে যোৰহাটত সাংসদ কামাখ্যা তাচা উপস্থিত থাকে প্লাজমা বেংক উদ্বোধনী অনুষ্ঠানত।

ৰাজ্যখনত কʼভিড পৰীক্ষাৰ মাত্ৰা বাঢ়ি যোৱাৰ লগে লগে কʼভিড আক্ৰান্তৰ সংখ্যাও বাঢ়িছে। এই আক্ৰান্ত লোকসকলৰ বাবে বিভিন্ন ঠাইত কʼভিড কেয়াৰ চেণ্টাৰ স্থাপন কৰা হৈছে। স্বাস্থ্য বিভাগৰ তৎপৰতাৰ বাবে ইতিমধ্যে সৰহভাগ কʼভিড আক্ৰান্তই আৰোগ্য লাভ কৰি ঘৰলৈ যাব পাৰিছে। সচেতনতাই যে কʼভিড ৰোগত আক্ৰান্ত হোৱাৰ পৰা বচাই ৰাখিব পাৰে সেই কথা ইতিমধ্যে সকলোৱে বুজি উঠিছে। বহু লোকে নিজাববীয়াকৈ আগবাঢ়ি আহি কʼভিড পৰীক্ষাও কৰাইছে। এতিয়া অহা ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহৰ পৰা শিক্ষানুষ্ঠানসমূহৰ পাঠদান পৰ্যায়ক্ৰমে আৰম্ভ কৰাৰ কথা চিন্তা কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিততে শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষানুষ্ঠানৰ কৰ্মচাৰীসকলৰো কʼভিড পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। স্বাস্থ্য বিভাগে ইয়াৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। আৰম্ভণিৰে পৰাই অসমৰ স্বাস্থ্য বিভাগে কʼভিড সংক্ৰমণ প্ৰতিৰোধ, কʼভিড আক্ৰান্তৰ চিকিৎসা, প্লাজমাৰ জৰিয়তে চিকিৎসাৰ ব্যাপক ব্যৱস্থা আদিৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বাবে স্বাস্থ্য বিভাগক বিভিন্ন মহলে ভূয়সী প্ৰশংসা কৰিছে। স্বাস্থ্য বিভাগৰ এনে প্ৰচেষ্টাৰ বাবেই লাহে লাহে ৰাজ্যখনত কʼভিড আক্ৰান্তৰ সংখ্যা কমি আহিব বুলি আশা কৰা হৈছে। উল্লেখ্য যে স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাই ইতিমধ্যে সামৰিক আৰু অৰ্ধসামৰিক বাহিনীৰ যিসকল লোকে গুৰুতৰভাৱে কʼভিড আক্ৰান্ত হৈ ইতিমধ্যে আৰোগ্য লাভ কৰিছে তেওঁলোকক ৰাজ্যখনত প্লাজমা দান কৰিবলৈ আগবাঢ়ি আহিবলৈ অনুৰোধ জনাইছে। ইয়াৰ বাবে ইতিমধ্যে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে সামৰিক বাহিনীৰ ফোৰ কʼৰ জি অʼ চি আৰু অৰ্ধসামৰিক বাহিনীৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতেও বৈঠকত মিলিত হৈছে। অসম আৰক্ষীৰ কʼভিড আক্ৰান্ত হৈ আৰোগ্য লাভ কৰা কেবাজনো জোৱানে ইতিমধ্যে প্লাজমা দান কৰিছে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কʼভিডৰ বিৰুদ্ধে চলোৱা যুঁজখনত অসম আৰক্ষীয়ে নিষ্ঠাসহকাৰে কৰ্তব্যত অৱতীৰ্ণ হোৱাৰ উপৰি কʼভিডত আক্ৰান্ত ৰোগীসকলৰ চিকিৎসাত সহায়ক হোৱাকৈ আৰক্ষীৰ জোৱানে প্লাজমা দান কৰা কাৰ্যৰ শলাগ লৈছে। ❐❐



# প্লাজমা দান সম্পৰ্কত জনসচেতনতা সৃষ্টিৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ



## ৰাজ্যৰ বিভিন্ন চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষৰ সৈতে মুখ্যমন্ত্ৰীৰ ভিডিঅ' কনফাৰেন্সযোগে বাৰ্তালাপ

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১৮ জুলাইত ৰাজ্যখনৰ আটাইকেইখন চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগত ভিডিঅ' কনফাৰেন্সযোগে মত বিনিময় কৰে। এই ভিডিঅ' কনফাৰেন্সৰ সময়ত ক'ভিড-১৯ পজিটিভ ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত চিকিৎসা মহাবিদ্যালয়সমূহে লোৱা পদক্ষেপ, চিকিৎসা মহাবিদ্যালয়ত থকা প্ৰত্যাহ্বান আৰু আগন্তুক দিনত ৰোগীৰ সংখ্যা বৃদ্ধি পালে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে বুজ লয়। ভিডিঅ' কনফাৰেন্সৰ সময়ত মুখ্যমন্ত্ৰীয়ে আই চি ইউ ব্যৱস্থা, ক'ভিড আক্ৰান্ত নোহোৱা ৰোগীৰ চিকিৎসা, মহাবিদ্যালয়ৰ হাস্পতালসমূহত চিকিৎসাধীন ৰোগী, প্ৰতিদিনে কিমান সংখ্যক ৰোগীক পৰীক্ষা কৰা হৈছে ইত্যাদি বিষয়সমূহৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে ভৱিষ্যতে ৰোগীৰ সংখ্যা বৃদ্ধি পালে চিকিৎসা ব্যৱস্থাটো কি ধৰণে গঢ়ি তুলিব সেই সন্দৰ্ভত কৰ্ম পৰিকল্পনা (এক্সন প্লেন) তৈয়াৰ কৰিবলৈ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষসকলক নিৰ্দেশ দিয়াৰ লগতে ৰাজ্য চৰকাৰক এই কৰ্ম পৰিকল্পনা (এক্সন প্লেন) জমা দিবলৈও নিৰ্দেশ দিয়ে। ৰাইজে যাতে প্লাজমা দান কৰে তাৰ বাবে এক অনুকূল পৰিৱেশ নিৰ্মাণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে কয়। সামাজিক মাধ্যমৰ জৰিয়তে ৰাইজৰ এইক্ষেত্ৰত আগ্ৰহ বৃদ্ধিৰ উপযুক্ত পদক্ষেপ ল'বলৈ তেওঁ নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক'ভিড-১৯ ৰ বিৰুদ্ধে চিকিৎসক-নাৰ্চকে ধৰি চিকিৎসা খণ্ডৰ লগত জড়িত সকলোৱে অতি নিষ্ঠাৰে দিনে-নিশাই কাম কৰি আহিছে।

চিকিৎসকসকলে আগবঢ়োৱা সেৱাৰ বাবে ৰাইজৰ এই দিশত আস্থা তথা বিশ্বাস বৃদ্ধি হৈছে আৰু ৰাইজে সাহস বুটলিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ দুৰ্যোগপূৰ্ণ মুহূৰ্তত বিশ্বৰ মানৱ সমাজে এই বিপৰ্যয়ৰ সৈতে মোকাবিলা কৰাৰ বাবে কাম কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ বুকুত এতিয়া কৰ'না ভাইৰাছ সৃষ্ট সংকট জটিল সন্ধিক্ষণলৈ ধাৱমান হৈছে। এই মুহূৰ্তত জনসাধাৰণৰ মনোবল অটুট ৰাখিব লাগিব। চিকিৎসকসকলে গ্ৰহণ কৰা পদক্ষেপে ৰাইজৰ মনোবল বৃদ্ধি কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ চিকিৎসকসকলে আগবঢ়োৱা সেৱা ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্ৰশংসিত হৈছে। স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযূষ হাজৰিকাই চিকিৎসকৰ সহযোগত দিনে-নিশাই সেৱা আগবঢ়াই আহিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ক'ভিড-১৯ ৰ সন্মুখৰ যুঁজাৰু চিকিৎসক, নাৰ্চ, চাফাই কৰ্মী কৰ'না ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হৈছে। ইয়াৰ পিছতো চিকিৎসাখণ্ডৰ লগত জড়িত সকলোৱে নিৰৱচ্ছিন্নভাৱে সেৱা আগবঢ়াই আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ প্ৰত্যাহ্বান সকলোৱে মোকাবিলা কৰি কৰ'না যুঁজত জয়লাভ কৰিব লাগিব। একবিংশ শতিকাত মানৱ সমাজে এনেকুৱা দুৰ্যোগৰ সন্মুখীন হোৱা নাছিল। সেইবাবে এই প্ৰত্যাহ্বান মোকাবিলা কৰাৰ বাবে নতুন পদ্ধতিৰে যাত্ৰা পথত আগুৱাই যাবলগীয়া হৈছে। চিকিৎসা বৃত্তিক মহান বৃত্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে চিকিৎসা খণ্ডৰ লগত জড়িত সকলোকে জনতাক উৎসাহিত কৰিব পৰাকৈ সেৱা আগবঢ়াবলৈ কয়।

ভিডিঅ' কনফাৰেন্সত অংশগ্ৰহণ কৰি স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযূষ হাজৰিকাই কয় যে মুখ্যমন্ত্ৰীৰ এই পদক্ষেপে চিকিৎসাৰ লগত জড়িত সকলোকে উৎসাহিত কৰিব। এই ভিডিঅ' কনফাৰেন্সৰ সময়ত শিলচৰ চিকিৎসা মহাবিদ্যালয়, বৰপেটাস্থিত ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়, অসম চিকিৎসা মহাবিদ্যালয়, তেজপুৰ চিকিৎসা মহাবিদ্যালয়, যোৰহাট চিকিৎসা মহাবিদ্যালয়, ডিফু চিকিৎসা মহাবিদ্যালয় আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষসকলে ক'ভিড-১৯ ৰ চিকিৎসা, প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ ইত্যাদিৰ বিষয়ে মুখ্যমন্ত্ৰীক বিতংভাৱে অৱগত কৰে। এই ভিডিঅ' কনফাৰেন্সৰ সময়ত অধীক্ষক, নাৰ্চসকলেও মুখ্যমন্ত্ৰীক তেওঁলোকে গ্ৰহণ কৰা চিকিৎসা সম্পৰ্কীয় ব্যৱস্থাৱাজিৰ বিষয়ে অৱগত কৰে।

বৈঠকত স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাই ৰাজ্যখনৰ ক'ভিড-১৯ ৰ চিকিৎসাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱাজিৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। স্বাস্থ্য বিভাগৰ প্ৰধান সচিবগৰাকীয়ে লগতে জনায় যে বিভাগে অহা ১৫ দিনৰ ভিতৰত ২০০ গৰাকী নাৰ্চৰ নিযুক্তি প্ৰদান কৰিব। এই ভিডিঅ' কনফাৰেন্সৰ সময়ত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া উপস্থিত থাকে। আনহাতে, এই ভিডিঅ' কনফাৰেন্সৰ সময়ত বিভিন্ন চিকিৎসা মহাবিদ্যালয়সমূহৰ বিভাগৰ মূৰব্বী অধ্যাপকসকল, স্বাস্থ্য বিভাগৰ সঞ্চালক উপস্থিত থাকে। ◻◻

# সৰ্থেবাৰীৰ বেল মেটেল আৰ্টিচান এণ্ড ট্ৰেডিং কো-অ'পাৰেটিভ চ'ছাইটীক 'মুখ্যমন্ত্ৰীৰ থলুৱা উদ্যোগ বিকাশ আঁচনি'ৰ অধীনত ১ কোটি টকা প্ৰদান

কাঁহ-পিতলৰ শিল্পীসকলে বহু কষ্টৰে অসমৰ স্বাভিমান বৃদ্ধি কৰি আহিছে। এই শিল্পীসকলে স্বাৱলম্বনৰ উৎকৃষ্ট উদাহৰণ দেখুৱাই আহিছে। শিল্পীসকলৰ শৈল্পীক নিপুণতাই আমাৰ থলুৱা উদ্যোগ জগতখনকো শক্তিশালী কৰি আহিছে।' যোৱা ২০ জুলাইত সৰ্থেবাৰীৰ বেল মেটেল আৰ্টিচান এণ্ড ট্ৰেডিং কো-অ'পাৰেটিভ চ'ছাইটীক ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা 'মুখ্যমন্ত্ৰীৰ থলুৱা উদ্যোগ বিকাশ আঁচনি'ৰ অধীনত ১ কোটি টকা প্ৰদান কৰি সমৱেত ৰাইজ আৰু সাংবাদিকক উদ্দেশ্যি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে সৰ্থেবাৰীৰ কাঁহ-পিতলৰ শিল্পীসকলে নিজস্ব দক্ষতাৰে শক্তিশালী পৰিচয় দাঙি ধৰি আহিছে। অসমৰ থলুৱা শিল্পৰাজিৰ বিকাশ সাধনৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰশীল ভাৰতবৰ্ষ নিৰ্মাণৰ বাবে আহ্বান জনাইছে। আমিও প্ৰধানমন্ত্ৰীৰ আদৰ্শৰে আত্মনিৰ্ভৰ অসম গঢ়াৰ কামত আত্মনিয়োগ কৰিছো। সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্পই আত্মনিৰ্ভৰ অসম গঢ়াৰ কামত শক্তিশালী বৰঙনি যোগাব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে সৰুক্ষেত্ৰী অঞ্চলৰ বান সমস্যাৰ যথোচিত সমাধানৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জলসম্পদ মন্ত্ৰী কেশৱ মহন্তক নিৰ্দেশ দিয়ে। এই অনুষ্ঠানতে বানত মৃত্যুবৰণ কৰা দুগৰাকী ব্যক্তিৰ নিকটাত্মীয়ক ৪ লাখ টকাকৈ এককালীন সাহায্যৰ চেক মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰে। এই অনুষ্ঠানত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক অশোক শৰ্মা, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত প্ৰমুখ্যে আৰক্ষীৰ শীৰ্ষ বিষয়া আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। ◻◻

# ৰাজ্যৰ বান আৰু গৰাখহনীয়া সমস্যা ঃ কেন্দ্ৰীয় জলশক্তি মন্ত্ৰীৰে মুখ্যমন্ত্ৰীৰ ভিডিঅ’ কনফাৰেন্সিং যোগে বাৰ্তালাপ



# বান ব্যৱস্থাপনা আঁচনিৰ অধীনত প্ৰথম কিস্তিৰ ধন হিচাপে কেন্দ্ৰই শীঘ্ৰে মোকলাই দিব ৩৪৬ কোটি টকা

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে যোৱা ২২ জুলাইত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে ভিডিঅ’ কনফাৰেন্সিং যোগে ৰাজ্যখনৰ শেহতীয়া বান আৰু গৰাখহনীয়া পৰিস্থিতিৰ বুজ লয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীক জনায় যে কেন্দ্ৰীয় চৰকাৰে বান ব্যৱস্থাপনা আঁচনিৰ অধীনত প্ৰথম কিস্তিৰ ধন হিচাপে শীঘ্ৰে ৩৪৬ কোটি টকা মুকলি কৰি দিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে জনায় যে নামনি অসমৰ বান সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰে ভূটান চৰকাৰৰ সৈতে আলোচনাত মিলিত হ’ব। আনহাতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ডিজাষ্টাৰ ৰিস্ক মেনেজমেণ্ট পুঁজিৰ পৰা অধিক ধন যাতে মোকলাই দিব পৰা যায় তাৰ বাবে কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ দাখিল কৰিবলৈও কয়। এই ভিডিঅ’ কনফাৰেন্সিঙৰ সময়ত মুখ্যমন্ত্ৰীয়ে শেহতীয়া বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বিষয়টো বিতংভাৱে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সবিশেষ জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ বানৰ লগতে গৰাখহনীয়াৰ ফলত ব্যাপক ক্ষতিসাধন হৈছে। তেওঁ নিজেও বিভিন্ন জিলা ভ্ৰমণ কৰি ক্ষয়-ক্ষতিৰ লগতে বান-সাহায্য সম্পৰ্কতো বুজ লোৱাৰ বিষয়টো অৱগত কৰে। ৰাজ্যখনৰ মুঠ ৫ হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি দুৰ্বল হৈ পৰাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী সোণোৱালে সেইসমূহ পথযুক্ত মথাউৰিলৈ উন্নীতকৰণৰ বাবেও অধিক পুঁজি আবণ্টন কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। এনে পদক্ষেপে বান ৰোধ কৰাৰ উপৰি গৰাখহনীয়াও ৰোধ কৰিব বুলি তেওঁ কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত যথোচিত পদক্ষেপ গ্ৰহণ কৰা হ’ব বুলিও কয়। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰীগৰাকীয়ে অসমৰ বান ব্যৱস্থাপনা অধিক শক্তিশালী কৰাৰ বাবে শেহতীয়া প্ৰযুক্তি প্ৰয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সহযোগিতা আগবঢ়াব বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়। এই ভিডিঅ’ কনফাৰেন্সিঙৰ সময়ত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া এম এছ মনিৱন্নন প্ৰমুখ্যে উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। ❑❑

## ১৫ আগষ্টত প্ৰকাশ পাব প্ৰথমখন তালিকা

# শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণৰ বৃহৎ সিদ্ধান্ত



# ৰাজ্যত ১ ছেপ্টেম্বৰত শিক্ষানুষ্ঠান খোলাৰ লক্ষ্য

***১৫ আগষ্টত মাধ্যমিক শিক্ষা বিভাগৰ প্ৰাদেশিকীকৰণৰ তালিকা প্ৰকাশ পাব যদিও আটাইকে একেলগে প্ৰাদেশিকীকৰণ কৰাৰ লক্ষ্য আগত ৰাখি অহা বছৰৰ ১ জানুৱাৰীৰ পৰাহে প্ৰাদেশিকীকৰণ কাৰ্যকৰী হ'ব। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰথম তালিকাত ১৯৭ খন হাইস্কুল, ৯ খন উচ্চতৰ মাধ্যমিক, ১৪৯ খন জুনিয়ৰ কলেজ প্ৰাদেশিকীকৰণ হ'ব।***

ৰাজ্যৰ অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানসমূহত কৰ্মৰত সহস্ৰাধিক শিক্ষক-কৰ্মচাৰীৰ বাবে আশাৰ খবৰ লৈ আহিছে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে। চলিত বাজেটত অসমৰ বহুসংখ্যক অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানক প্ৰাদেশিকীকৰণৰ যি প্ৰস্তাৱ দাঙি ধৰা হৈছিল সেয়া শীঘ্ৰে কাৰ্যকৰী কৰা হ'ব। ১ আগষ্টত জনতা ভৱনত আয়োজিত সংবাদমেলত শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে অহা ১৫ আগষ্টত প্ৰাদেশিকীকৰণৰ প্ৰথমখন তালিকা প্ৰকাশ কৰা হ'ব। অৱশ্যে কৰ'নাৰ বাবে প্ৰাথমিক পৰ্যায়ৰ শিক্ষানুষ্ঠানসমূহ ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰা অৱস্থা যিহেতু এতিয়া নাই সেয়ে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ প্ৰাদেশিকীকৰণৰ তালিকা অহা অক্টোবৰ মাহতহে প্ৰকাশ পাব। ১৫ আগষ্টত মাধ্যমিক শিক্ষা বিভাগৰ প্ৰাদেশিকীকৰণৰ তালিকা প্ৰকাশ পাব যদিও আটাইকে একেলগে প্ৰাদেশিকীকৰণ কৰাৰ লক্ষ্য আগত ৰাখি অহা বছৰৰ ১ জানুৱাৰীৰ পৰাহে প্ৰাদেশিকীকৰণ কাৰ্যকৰী হ'ব। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰথম তালিকাত ১৯৭ খন হাইস্কুল, ৯ খন উচ্চতৰ মাধ্যমিক, ১৪৯ খন জুনিয়ৰ কলেজ প্ৰাদেশিকীকৰণ হ'ব। সেইদৰে যোৱাবাৰ বাদ পৰি


*অহা ১ ছেপ্টেম্বৰৰ পৰা শিক্ষানুষ্ঠানসমূহ খোলাৰ বাবে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে প্ৰাৰম্ভিক চিন্তা-চৰ্চা আৰম্ভ কৰি তাৰ বাবে নিজকে মানসিকভাৱে প্ৰস্তুত কৰিবলৈ সাজু কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কিছুমান নীতি-নিৰ্দেশনাৰ ভিতৰত ৰাজ্য চৰকাৰে শিক্ষানুষ্ঠানসমূহ খোলাৰ লক্ষ্য আগত ৰাখি অহা ২৩-৩০ আগষ্টৰ ভিতৰত প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰী তথা অধ্যাপক-অধ্যাপিকাৰ পৰা আৰম্ভ কৰি শিক্ষানুষ্ঠানসমূহৰ সকলো কৰ্মচাৰীকে বাধ্যতামূলকভাৱে কৰ'না টেষ্ট কৰাবলৈ নিৰ্দেশ দিছে।*

যোৱা মাধ্যমিক শিক্ষা বিভাগৰ ১৪ গৰাকী শিক্ষক আৰু ৯৭ গৰাকী জুনিয়ৰ কলেজ শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ হ'ব। প্ৰথম পৰ্যায়ত মুঠ ৩৩৫৯ গৰাকী মাধ্যমিক শিক্ষাৰ শিক্ষক-শিক্ষয়িত্ৰী পদ প্ৰাদেশিকীকৰণ হ'ব। সেইদৰে পূৰ্বতে অৰ্হতা নথকা আৰু ইতিমধ্যে অৰ্হতা অৰ্জন কৰা ৬৯০ গৰাকী কলেজ শিক্ষকৰ পদো প্ৰাদেশিকীকৰণ হ'ব। একেদৰে নতুনকৈ ৩০ খন কলেজৰ ২৪১ পদ প্ৰাদেশিকীকৰণ হ'ব। প্ৰথম পৰ্যায়ত সকলো মিলি ৪,২৯০ টা পদ প্ৰাদেশিকীকৰণ হ'ব। সংবাদমেলখনত মন্ত্ৰীগৰাকীয়ে কয় যে দ্বিতীয় পৰ্যায়ৰ প্ৰাদেশিকীকৰণৰ তালিকা অক্টোবৰ মাহত ঘোষণা কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা হাতত ল'ব। বৰ্তমানৰ কৰ'না সংকটৰ বাবে ৰাজ্য চৰকাৰৰ আৰ্থিক দীনতাৰ মাজতো চৰকাৰে প্ৰতিশ্ৰুতিসমূহ পূৰণৰ বাবে সম্পূৰ্ণ চেষ্টা চলাব। একেখন সংবাদমেলতে মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ ১৬ খনকৈ কলেজত নতুনকৈ বিজ্ঞান শাখা প্ৰৱৰ্তনৰ কথা ঘোষণা কৰে। এই মহাবিদ্যালয়কেইখন হ'ল বৰপেটাৰ জি এল চি কলেজ, বিশ্বনাথৰ বিহালী কলেজ, ধেমাজিৰ চিলাপথাৰ কলেজ, চাবুৱাৰ ডি ডি আৰ কলেজ, গোলাঘাটৰ জয়া কলেজ, গুৱাহাটীৰ এছ বি দেওৱা কলেজ, হাজোৰ সুৰেন দাস কলেজ, কাৰ্বি আংলঙৰ ইষ্ট কাৰ্বি আংলঙ কলেজ, ডিমা হাচাওৰ মাইবং কলেজ, কৰিমগঞ্জৰ পাথাৰকান্দি কলেজ, মাজুলীৰ জেংৰাইমুখ কলেজ, নগাঁৱৰ নগাঁও কলেজ, নলবাৰীৰ বৰক্ষেত্ৰী কলেজ, শোণিতপুৰৰ ৰঙাপাৰা কলেজ, তিনিচুকীয়াৰ শদিয়া কলেজ, টুলুঙীয়াৰ পণ্ডিত দীনদয়াল উপাধ্যায় কলেজ। উক্ত কলেজকেইখনতো ২৪০ গৰাকী অধ্যাপক-অধ্যাপিকা আৰু ৮০ জন চতুৰ্থবৰ্গৰ পদসহ ৩২০ টা নতুন পদ সৃষ্টি কৰা হৈছে। মহাবিদ্যালয়সমূহৰ পৰিচালনা সমিতিয়ে এই পদসমূহ পূৰণৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰি ডেৰ মাহৰ ভিতৰত নিযুক্তি প্ৰাক্ৰিয়া সম্পূৰ্ণ কৰিব।

আনহাতে কৰ'না সংকটৰ পিছত ৰাজ্য চৰকাৰে ১ ছেপ্টেম্বৰৰ পৰা কিছুমান নীতি-নিৰ্দেশনাৰ মাজত অসমৰ শিক্ষানুষ্ঠানসমূহত নিয়মীয়া পাঠদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। ১ আগষ্টত জনতা ভৱনত অনুষ্ঠিত সংবাদমেলত শিক্ষামন্ত্ৰী ড° শৰ্মাই কয় যে অহা ১ ছেপ্টেম্বৰৰ পৰা শিক্ষানুষ্ঠানসমূহ খোলাৰ বাবে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে প্ৰাৰম্ভিক চিন্তা-চৰ্চা আৰম্ভ কৰি তাৰ বাবে নিজকে মানসিকভাৱে প্ৰস্তুত কৰিবলৈ সাজু কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কিছুমান নীতি-নিৰ্দেশনাৰ ভিতৰত ৰাজ্য চৰকাৰে শিক্ষানুষ্ঠানসমূহ খোলাৰ লক্ষ্য আগত ৰাখি অহা ২৩-৩০ আগষ্টৰ ভিতৰত প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰী তথা অধ্যাপক-অধ্যাপিকাৰ পৰা আৰম্ভ কৰি শিক্ষানুষ্ঠানসমূহৰ সকলো কৰ্মচাৰীকে বাধ্যতামূলকভাৱে কৰ'না টেষ্ট কৰাবলৈ নিৰ্দেশ দিয়া হৈছে। প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ পাঠদান অহা ছেপ্টেম্বৰ মাহতো বন্ধ থাকিব। পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ পাঠদান বিদ্যালয়ৰ পৰিৱৰ্তে শিক্ষালয়ৰ খেলপথাৰ, গাঁৱৰ খেলপথাৰ অথবা কোনো লোকৰ চোতালত মুকলি পৰিৱেশত কৰাব লাগিব। চাৰিওটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক চাৰিটা শ্ৰেণীত ভাগ কৰি পাঠদান কৰাব লাগিব। এই মুকলি পৰিৱেশত কৰা শিক্ষাদানত গাঁৱৰ শিক্ষিত যুৱক-যুৱতীয়ে স্বেচ্ছামূলকভাৱে পাঠদান কৰাব পাৰিব। ব্যক্তিগত খণ্ডৰ বিদ্যালয়েও এই ব্যৱস্থাত অংশগ্ৰহণ কৰিব পাৰিব। কোনো অভিভাৱকে এই পাঠদানত নিজৰ ল'ৰা-ছোৱালী পঠিওৱাটো বাধ্যতামূলক নহয়। বাৰিষা বতৰৰ বাবে মুকলি আকাশৰ তলত পাঠদান সম্ভৱ নহ'লেও শ্ৰেণীকোঠাৰ ভিতৰলৈ পাঠদান কাৰ্যসূচী নিব নোৱাৰিব। সেইদৰে অহা ১ ছেপ্টেম্বৰৰ পৰা নৱম আৰু একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক সপ্তাহত দুদিন পাঠদান কৰা হ'ব। সেইদৰে দশম আৰু দ্বাদশ শ্ৰেণীৰ পাঠদান সপ্তাহত চাৰিদিন চলিব। অৱশ্যে একোটা সময়ত একোটা শ্ৰেণীত সৰ্বোচ্চ ১৫ জন ছাত্ৰ-ছাত্ৰীহে থাকিব পাৰিব। মন্ত্ৰীগৰাকীয়ে আকৌ কয়, নৱম-একাদশ শ্ৰেণীৰ যদি পুৱাৰ ভাগত এটা শ্ৰেণী হয় আনটো শ্ৰেণীৰ পাঠদান দুপৰীয়াৰ ভাগত হ'ব লাগিব। এটা শ্ৰেণীৰ পাঠদান তিনি ঘণ্টাহে চলিব পাৰিব। একেদৰে দশম আৰু দ্বাদশ শ্ৰেণীৰো পাঠদান চলিব। ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰি থকা নিজ কলেজৰ পৰিৱৰ্তে আন কলেজতো পাঠদান গ্ৰহণ কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীৰ সংশ্লিষ্ট শিক্ষানুষ্ঠানত উপস্থিতিৰ বাধ্যবাধকতা নাথাকিলেও শিক্ষক-কৰ্মচাৰীৰ উপস্থিতি কিন্তু বাধ্যতামূলক। স্নাতক শ্ৰেণীৰ অন্তিম যন্মাষিকৰ পাঠদানো ১ ছেপ্টেম্বৰৰ পৰা আৰম্ভ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। আনহাতে, বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত শিক্ষা বিভাগে কোনো নীতি-নিৰ্দেশনা দিবলৈ বিচৰা নাই বুলি জানিবলৈ দি বিশ্ববিদ্যালয়সমূহ যিহেতু স্বায়ত্তশাসিত প্ৰতিষ্ঠান সেয়ে চৰকাৰে বিশ্ববিদ্যালয়সমূহক এই নিয়মৰ আওতাত আনিব বিচৰা নাই। পাঠদানৰ সিদ্ধান্ত সংশ্লিষ্ট বিশ্ববিদ্যালয়সমূহে নিজাববীয়াকৈ গ্ৰহণ কৰিব। ❑❑

# কৰ'নাৰ সংকটকাল আৰু চৰকাৰৰ যুদ্ধকালীন প্ৰস্তুতি





**প্ৰাঞ্জল মজুমদাৰ**

২০১৯ চনৰ ডিচেম্বৰত চীনৰ য়ুহান চহৰত মহামাৰীৰ ৰূপত বিয়পি পৰা কৰ'না ভাইৰাছে তাৰ কিছুদিন পিছতে জাপান, ইটালী, ইংলেণ্ড, আমেৰিকা, ফ্ৰান্স, জাৰ্মানী আদিৰ দৰে পৃথিৱীৰ উন্নত দেশবোৰত গণসংক্ৰমণেৰে এক মহাপ্ৰলয়ৰ সৃষ্টি কৰে। অত্যাধুনিক চিকিৎসা বিজ্ঞান আৰু আধুনিকতাৰ সকলো আৱিষ্কাৰক বুঢ়া আঙুলি দেখুৱাই পৃথিৱীৰ সকলো উন্নত দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ভেটি একপ্ৰকাৰ উছন খেদাই লক্ষ লক্ষ মানুহৰ জীৱন নাশ কৰে। বিশ্বৰ অধিকাংশ কূটনৈতিক বিশেষজ্ঞই কৰ'না ভাইৰাছক চীনৰ মানৱসৃষ্ট বায়'পিক অস্ত্ৰ হিচাপে গণ্য কৰিবলৈ আৰম্ভ কৰে। ইতিমধ্যে কৰ'নাৰ বাবে চীনৰ লগত আমেৰিকা, ইউৰোপকে ধৰি বিভিন্ন দেশৰ কূটনৈতিক সম্পৰ্ক ব্যাঘাত হ'বলৈ আৰম্ভ কৰিছে।

ভাৰতত প্ৰথমটো কৰ'না সংক্ৰমণৰ ঘটনা ঘটে ২৩ জানুৱাৰী, ২০২০ত। প্ৰথম অৱস্থাত কেৰালাত সংক্ৰমণ আৰম্ভ হোৱাৰ সময়ত ভাৰত চৰকাৰৰ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে এই নতুন ভাইৰাছবিধ লৈ অভিজ্ঞ নাছিল বাবেই ইয়াক প্ৰতিহত কৰাৰ পথৰ সন্ধানত কিছু সময় অতিবাহিত কৰিবলগীয়া হয়। ১৩ ফেব্ৰুৱাৰীত ভাৰত চৰকাৰৰ স্বাস্থ্য মন্ত্ৰালয়ৰ এক জাননীযোগে কৰ'না মহামাৰীৰ সংক্ৰমণৰ পৰা দেশক উদ্ধাৰ কৰিবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিছিল। মাৰ্চৰ প্ৰথম পষেকৰ্লৈ ভাৰতবৰ্ষত কেৰালা, মহাৰাষ্ট্ৰ, দিল্লী, গুজৰাট আদি বহুল জনবসতিপূৰ্ণ ব্যৱসায়িক চহৰসমূহ সংক্ৰমিত হ'বলৈ আৰম্ভ কৰিছিল। এই সংক্ৰমণ প্ৰতিহত কৰিবলৈ প্ৰাথমিক পৰ্যায়ত ২২ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ দেশত জনতা কাৰ্ফিউ ঘোষণা কৰে। তাৰ দুদিন পিছতে প্ৰধানমন্ত্ৰীয়ে তিনি সপ্তাহৰ বাবে অত্যাৱশ্যকীয় সেৱাসমূহক বাদ দি সমগ্ৰ দেশত পূৰ্ণ পৰ্যায়ৰ লক ডাউন ঘোষণা কৰে। ভাৰতবৰ্ষত যিহেতু লক ডাউন বা তলাবন্ধ সম্পূৰ্ণ এক নতুন নীতি আছিল গতিকে প্ৰথমাৱস্থাত জনতাৰ মনত কিছু উদ্বেগজনক ভাৱনাৰ সৃষ্টি হৈছিল যদিও পিছৰ পৰ্যায়লৈ কৰ'নাৰ সংক্ৰমণৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে ভাৰতবৰ্ষৰ জনগণে পূৰ্ণ প্ৰস্তুতিৰে লক ডাউন মানিবলৈ ধৰে। দেশৰ লগতে অসমতো একে সময়তে প্ৰথম লক ডাউন আৰম্ভ হৈছিল। অৱশ্যে তাৰ কিছুদিন আগতে অসম চৰকাৰে এক জাননীযোগে অসমৰ শিক্ষানুষ্ঠানসমূহৰ শ্ৰেণীবদ্ধ কাৰ্যসূচী ঘোষণা কৰিছিল। 'ঘৰতেই থাকক সুৰক্ষিত থাকক' শ্লোগানেৰে অসম চৰকাৰে কৰ'নাৰ বিৰুদ্ধে এখন যুদ্ধ ঘোষণা কৰিছিল। পূৰ্ণ পৰ্যায়ৰ লক ডাউনৰ সময়ত ৰাজ্যখনৰ সাধাৰণ মানুহে কিছু অসুবিধাৰ সন্মুখীন হৈছিল যদিও পিছৰ পৰ্যায়ত চৰকাৰৰ লগত কৰ'নাৰ বিৰুদ্ধে

যুঁজখনত সম্পূৰ্ণ সহযোগ কৰিবলৈ আৰম্ভ কৰিছিল। কৰ'নাৰ বিৰুদ্ধে এই যুদ্ধখনত অসম চৰকাৰক অসমৰ জনতাই পূৰ্ণ সহযোগ আগবঢ়োৱাটো এক উল্লেখযোগ্য সাফল্য বুলিব পাৰি। অধিকাংশ সময়তে ৰাজ্যখনৰ বিৰোধী দল-সংগঠন বা বুদ্ধিজীৱীয়ে কৰ'না প্ৰসংগত চৰকাৰৰ নীতি-নিৰ্দেশনা প্ৰায় সম্পূৰ্ণৰূপে মানি চলিছিল। স্বাস্থ্য বিভাগৰ চিকিৎসকৰ পৰা চাফাই কৰ্মীলৈ সকলোৱে অক্লান্ত সৈনিকৰ দৰে এই যুঁজখনত অৱতীৰ্ণ হোৱাৰ লগতে ৰাজ্য চৰকাৰৰ আৰক্ষী প্ৰশাসন, দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, গড়কাপ্টানী বিভাগ, জনস্বাস্থ্য আদিৰ লগতে বিভিন্নজনে চৰকাৰৰ সৈতে সম্পূৰ্ণ সহযোগ কৰাটো যথেষ্ট ইতিবাচক দিশ। ৰাজ্য চৰকাৰৰ কৰ'নাৰ বিষয়ত কোনো বিশেষ পুঁজি নথকাৰ হেতু প্ৰথম অৱস্থাত কিছু আৰ্থিক নাটনিৰ সন্মুখীন হৈছিল যদিও পিছৰ পৰ্যায়লৈকে অসম আৰোগ্য নিধিলৈ অসমৰ বিভিন্নজনে আগবঢ়োৱা বৰঙণি, কেন্দ্ৰীয় চৰকাৰৰ বিশেষ সাহায্য পুঁজি আৰু অন্যান্য বিভাগৰ পৰা কৰ্তন কৰা পুঁজিৰে ৰাজ্যখনত কৰ'নাৰ বিৰুদ্ধে এক সমৰসজ্জা গঢ়ি তুলিবলৈ সক্ষম হয়।

৩১ মাৰ্চত অসমত প্ৰথমজন কৰ'না আক্ৰান্ত ৰোগী চিনাক্ত হৈছিল। ৬ আগষ্টলৈকে অসমত চৰকাৰীভাৱে চিনাক্ত হোৱা কৰ'না ৰোগীৰ সংখ্যা ৫২৮১৭ জনৰ বিপৰীতে ৩৫৮৯২ জনে আৰোগ্য লাভ কৰে। তাৰ বিপৰীতে দুৰ্ভগ্যজনকভাৱে এই সময়লৈকে ১২৬ জন লোকে কৰ'নাত প্ৰাণ হেৰুৱাবলগীয়া হয়। উল্লেখ্য যে বৰ্তমানলৈকে কৰ'না আক্ৰান্তত মৃত্যুৰ সংখ্যা দেশৰ ভিতৰতে সৰ্বনিম্ন (০.২৪ শতাংশ)। তাৰ বিপৰীতে কৰ'নাৰ পৰা আৰোগ্য লাভ কৰা গড় সংখ্যা দেশৰ ভিতৰতে চতুৰ্থ স্থানত (৭৫ শতাংশ) আছে। অসমত কৰ'না ভাইৰাছৰ প্ৰথমটো পৰীক্ষাগাৰ স্থাপন হৈছিল ১ ফেব্ৰুৱাৰীত আৰু এই বাতৰি যুগুত কৰালৈকে এই পৰীক্ষাগাৰৰ সংখ্যা ১৭ টালৈ বৃদ্ধি কৰা হৈছে। তাৰ লগতে ৪ আগষ্টলৈকে স্বাস্থ্যমন্ত্ৰীয়ে ঘোষণা কৰা মতে ১০ লাখ লোকৰ কৰ'না পৰীক্ষা চৰকাৰীভাৱে সম্পূৰ্ণ হৈছে। এই সংখ্যা প্ৰতি ১০ লাখ জনসংখ্যাৰ বিপৰীতে ২৭,৫৪৪। এই গড় ভাৰতবৰ্ষৰ ভিতৰত পঞ্চম স্থানত আছে বুলি স্বাস্থ্যমন্ত্ৰীয়ে জানিবলৈ দিছে। উল্লেখ্য যে বৰ্তমানলৈকে অসমত কৰ'না সংক্ৰমিতৰ হাৰ ৫ আগষ্টলৈকে ৩.৮৬ শতাংশলৈ হ্ৰাস পাইছে। যিটো বৰ্তমান সময়ত এক আশাব্যঞ্জক খবৰ। বৰ্তমান সময়ত অসমৰ প্ৰায়বোৰ অসামৰিক চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয়ক কৰ'না আক্ৰান্ত ৰোগীৰ চিকিৎসালয় হিচাপে ঘোষণা কৰাৰ লগতে বিভিন্ন ঠাইত খেলপথাৰ আৰু বিদ্যালয়সমূহতো ক'ভিড কেয়াৰ চেণ্টাৰ হিচাপে গঢ়ি তোলা হৈছে।

কৰ'নাৰ সংকটকালত ৰাজ্যবাসীয়ে চৰকাৰৰ ওপৰত আস্থা ৰখাৰ লগতে অসমৰ স্বাস্থ্য বিভাগেও সমূহীয়া প্ৰচেষ্টাৰে কৰ'না ভাইৰাছৰ লগত যুঁজ দি থকা দেখা গৈছে। ব্যক্তিগত চিকিৎসালয়সমূহেও তেওঁলোকৰ পৰিসীমাৰ ভিতৰত কৰ'নাত আক্ৰান্ত ৰোগীক সু চিকিৎসা কৰি আহিছে আৰু বহুজনে আৰোগ্যও লাভ কৰিছে। যদিও কৰ'না ভাইৰাছ শিশু আৰু বয়োজ্যেষ্ঠ লোকৰ বাবে অতি সংকটযুক্ত বুলি ঘোষণা কৰা হৈছে, তাৰ বিপৰীতে কিন্তু গুৱাহাটীতে ৮০ বা ৯০ ৰ উৰ্ধ্বৰ ব্যক্তিয়েও কৰ'নাত আক্ৰান্ত হৈ আৰোগ্য লাভ কৰিছে, যিটো ভৱিষ্যতৰ কাৰণে যথেষ্ট উৎসাহজনক খবৰ। সেইদৰে চৰকাৰীভাৱে নিৰ্মিত ক'ভিড কেয়াৰ বা স্থায়ী চিকিৎসালয়সমূহত চিকিৎসা গ্ৰহণ কৰা প্ৰায়সংখ্যক ৰোগীয়ে চৰকাৰৰ ব্যৱস্থাত সুখী বুলি মত ব্যক্ত কৰিছে। এই বৃহৎ জৰুৰীকালীন অৱস্থা এটা পৰিচালনা কৰোতে দুই-এটা আঁসোৱাহ ৰৈ যোৱাটো স্বাভাৱিক। দুই-এক কৰ'না আক্ৰান্ত ৰোগীয়ে কিছু কিছু ক্ষেত্ৰত অসন্তুষ্টি ব্যক্ত কৰিছে যদিও তেওঁলোকৰ অসুবিধা তথা আঁসোৱাহসমূহ দূৰীকৰণৰ বাবে কিন্তু তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

এয়া সমাজ জীৱনৰ এক স্বাভাৱিক প্ৰক্ৰিয়া বুলি ধৰি ল'ব পাৰি। যিহেতু ধানটো চাই কণটো, মানুহটো চাই মনটো হয়। সকলো মানুহকে সমানে সন্তুষ্ট কৰাটো সম্ভৱ নহয়। তাৰ বিপৰীতে সৰহসংখ্যক নাগৰিকে কৰ'নাৰ যুদ্ধত চৰকাৰক সহযোগিতা আগবঢ়োৱা পৰিলক্ষিত হৈছে। লক ডাউনৰ প্ৰভাৱত দৈনিক উপাৰ্জন কৰা বা ক্ষুদ্ৰ ব্যৱসায়ত জড়িত থকা লোকসকল কিছু পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে যদিও মানুহে এয়া সময়ৰ ফল বুলি ধৰি লৈছে। কৰ'নাক প্ৰতিহত কৰিবলৈ চিকিৎসা কৰ্মীয়ে যিদৰে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি সমুখ সমৰত অৱতীৰ্ণ হৈছে সেইদৰেই অসমৰ বাকী সাধাৰণ মানুহেও কৰ'নাক প্ৰতিহত কৰাৰ স্বাৰ্থত নিজৰ দৈনন্দিন জীৱনৰ কৰ্মসূচীৰ লগতে আন বহু আনুষংগিক সামাজিক জীৱনৰ কৰ্মসূচীও ত্যাগ কৰিবলগীয়া হৈছে। তথাপি সোনকালে আমাৰ সকলোৰে বাবে কিছু ভাল খবৰ আহিব বুলি আমি সকলোৱে আশাবাদী। ❑❑



## ছহিদৰ গৃহলৈ গৈ শোকসন্তপ্ত পৰিয়ালক সমবেদনা মুখ্যমন্ত্ৰীৰ



# প্ৰণয় কলিতাৰ দেশপ্ৰেম-ত্যাগে যুৱচামক সদায়ে অনুপ্ৰেৰণা যোগাই যাব ঃ মুখ্যমন্ত্ৰী

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২ আগষ্টত মণিপুৰৰ চান্দেল জিলাত যোৱা ২৯ জুলাইত উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত বিস্ফোৰণত নিহত হোৱা অসম ৰাইফলছ্‌ৰ জোৱান বীৰ ছহিদ প্ৰণয় কলিতাৰ বৰপেটা জিলাৰ পাঠশালাৰ ঘাটবৰ গাঁওস্থিত গৃহলৈ গৈ বীৰ ছহিদগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে বীৰ ছহিদগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে বীৰ ছহিদগৰাকীৰ পত্নী আৰু পিতৃ-মাতৃৰ সৈতে মত-বিনিময় কৰি সমবেদনা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বীৰ ছহিদ প্ৰণয় কলিতাই দেশৰ বৃহত্তৰ স্বাৰ্থত আত্মবলিদান দিলে। দেশৰ একতা, অখণ্ডতা আৰু সাৰ্বভৌমত্ব অক্ষুণ্ণ ৰখাৰ বাবে নিৰ্ভীকতাৰে ছহিদগৰাকীয়ে যুঁজ দি আত্মবলিদান দিলে। ছহিদগৰাকীৰ ত্যাগ অথলে নাযায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জীৱনকালত ছহিদগৰাকীয়ে দেশপ্ৰেমৰ যি আদৰ্শ প্ৰদৰ্শন কৰি গ'ল সেয়া দেশৰ প্ৰতিগৰাকী নাগৰিকক দেশৰ বাবে সৰ্বোচ্চ ত্যাগ কৰাৰ মানসিকতাৰে উদ্বুদ্ধ হোৱাৰ বাবে অনুপ্ৰাণিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে বীৰগৰাকীৰ সাহস, ত্যাগ আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়ৱদ্ধতাৰে সেৱা আগবঢ়োৱাৰ মানসিকতাৰ বাবে আজি সমগ্ৰ ৰাজ্যবাসী গৌৰৱান্বিত। বীৰ ছহিদগৰাকীৰ কৰ্তব্যনিষ্ঠা, ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা সেৱা আৰু ত্যাগে সমগ্ৰ ৰাষ্ট্ৰৰ যুৱচামক অনুপ্ৰাণিত কৰিব। মুখ্যমন্ত্ৰীয়ে ছহিদগৰাকীৰ গৃহলৈ যোৱা পথটো উন্নীতকৰণৰ লগতে ছহিদগৰাকীৰ নামেৰে নামকৰণ কৰা হ'ব বুলিও কয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তক নিৰ্দেশনা দিয়া হ'ব বুলি কয়। উল্লেখ্য যে বীৰ ছহিদ প্ৰণয় কলিতাৰ লগতে অন্যান্য কেইগৰাকীমান অসম ৰাইফলছ্‌ৰ জোৱানে কৰ্তব্যত নিয়োজিত হৈ থাকোতেই যোৱা ২৯ জুলাইত উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত বিস্ফোৰণত নিহত হ'বলগীয়া হৈছিল। বীৰ ছহিদগৰাকীৰ শেষকৃত্য যোৱা ৩১ জুলাইত বজালীৰ ঘাটবৰ গাঁৱত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। মুখ্যমন্ত্ৰীয়ে বীৰ ছহিদগৰাকীৰ পত্নী জুমি কলিতাৰ হাতত ২০ লাখ টকাৰ এককালীন আৰ্থিক সাহায্যৰ চেক এখনো প্ৰদান কৰে। বীৰ ছহিদগৰাকীৰ গৃহলৈ যোৱাৰ সময়ত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সাংসদ দিলীপ শইকীয়াকে ধৰি অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। ❐❐

# আলাবৈ ৰণৰ স্মৃতি চিৰযুগমীয়া কৰাৰ বাবে ৰাজ্য চৰকাৰে নিৰ্মাণ কৰিব এক যুদ্ধ স্মাৰক ঃ মুখ্যমন্ত্ৰী



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৫ আগষ্টত অসম আৰু অসমীয়াৰ শৌৰ্য-বীৰ্য আৰু বীৰত্বৰ চিৰযুগমীয়া অক্ষয় কীৰ্তি ঐতিহাসিক শৰাইঘাট ৰণৰ প্ৰাককালত হোৱা আলাবৈ ৰণত চৰম আত্মত্যাগ কৰা ছহিদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

অসম চৰকাৰৰ তৰফৰ পৰা প্ৰথমবাৰৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনস্থ প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ উদ্যোগত তথা কামৰূপ জিলা প্ৰশাসন, শৰাইঘাট জাৰ্নেলিষ্ট ফ'ৰাম আৰু আলাবৈ ৰণ স্মৃতি ৰক্ষা সমিতিৰ সহযোগত কামৰূপ জিলাৰ দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আয়োজিত আলাবৈ স্মৃতি দিৱস অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমীয়াৰ বীৰত্বৰ কাহিনীৰে প্ৰোজ্জ্বল আলাবৈ ৰণত দেশ আৰু জাতিৰ বাবে প্ৰাণাহুতি দিয়া অসমীয়া বীৰলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মোগলৰ বিৰুদ্ধে বীৰ বিক্ৰমেৰে যুঁজ দি প্ৰাণ আহুতি দিয়া বীৰ যোদ্ধাসকলে আমাক এটা শক্তিশালী জাতীয় চেতনা প্ৰদান কৰি গ'ল। আমি আমাৰ মাতৃভূমি ৰক্ষা কৰাৰ বাবে সৰ্বোচ্চ ত্যাগ কৰাৰ বাবে প্ৰস্তুত থাকিব লাগিব। বীৰ ছহিদসকলে যি আত্মবলিদান দিলে ইয়াৰ বাবে পৰৱৰ্তী সময়ত লাচিত বৰফুকনে বিভিন্ন জাতি-জনগোষ্ঠীক আস্থাত লৈ বীৰ-বিক্ৰমেৰে মোগলৰ বিৰুদ্ধে যুঁজি অসমীয়াৰ স্বাভিমান ৰক্ষা কৰিলে। আমি এই ৰণৰ পৰা শিকিবলগীয়া বহু কথা আছে। উঠি অহা প্ৰজন্মই অসমখনক আৱিষ্কাৰ কৰিব লাগিব। অসমৰ ইতিহাস জানিব লাগিব, সেই বাবে আলাবৈ ৰণৰ বীৰ যোদ্ধাসকলৰ স্মৃতি যুগমীয়া কৰাৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা সিদ্ধান্তগ্ৰহণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই

**অসম চৰকাৰৰ তৰফৰ পৰা প্ৰথমবাৰৰ বাবে আয়োজিত আলাবৈ স্মৃতি দিৱস অনুষ্ঠান**





অঞ্চলৰ ইতিহাসক বিশ্বৰ এক শক্তিশালী কেন্দ্ৰ হিচাপে নিৰ্মাণ কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গৌৰৱান্বিত ইতিহাস বিশ্ববাসীৰ সন্মুখলৈ নিবলৈ যুদ্ধ স্মাৰক নিৰ্মাণ কৰিব লাগিব। এইক্ষেত্ৰত স্থানীয় ৰাইজক আন্তৰিকতাৰে সহযোগিতা আগবঢ়াবলৈ তেওঁ আহ্বান জনায়। স্থানীয় বিধায়ক তথা বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁৰ বিশেষ প্ৰচেষ্টাত ২০০৫ চনৰ পৰা এই মহৎ স্থানত আলাবৈ ৰণত আত্মবলিদান দিয়া বীৰ যোদ্ধাসকলৰ স্মৃতি যাতে সজীৱ হৈ থাকে তাৰ বাবে যি প্ৰচেষ্টা লোৱা হ'ল তাৰ ফলত বিশ্বৰ অন্যতম শক্তিশালী যুদ্ধ স্মাৰক হিচাপে নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে শৰাইঘাট জাৰ্নেলিষ্ট ফ'ৰাম, আলাবৈ ৰণ স্মৃতি ৰক্ষা সমিতি আৰু স্থানীয় ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। লাচিত বৰফুকনে সকলো জাতি-জনগোষ্ঠীৰ জনসাধাৰণক লগত লৈ মোগলক পৰাভূত কৰিছিল। সমন্বয়ৰ এই নিদৰ্শন তথা সেতু সেই সময়তে শক্তিশালীভাৱে তেওঁ গঢ় দিছিল। এই নীতিৰ আধাৰতে অসমৰ জনসাধাৰণে ৰাজ্যখনক বিদেশীমুক্ত কৰাৰ বাবে যাত্ৰা আৰম্ভ কৰিছে। ভৱিষ্যতে কোনেও যাতে আমাক পৰাভূত কৰিব নোৱাৰে তাৰ বাবে অসমৰ নতুন প্ৰজন্মই ৰাজ্যখনৰ স্বাভিমান, নিজস্ব কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য, ঐতিহ্য ৰক্ষা কৰিব লাগিব বুলি তেওঁ কয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আলাবৈ যুদ্ধত অসমীয়া সৈন্যই সাহস প্ৰদৰ্শন কৰি যি চৰম ত্যাগ কৰিলে তাক ৰাজ্যবাসীয়ে সদায়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এই বীৰ যোদ্ধাসকলৰ ত্যাগে ৰাজ্যবাসীক সদায়ে সাহস যোগাই যাব। ৰাজ্য চৰকাৰে এই ৰণৰ স্মৃতি যুগমীয়া কৰাৰ বাবে নিৰ্মাণ কৰিবলগীয়া যুদ্ধ স্মাৰকৰ বাবে সকলো ধৰণৰ সহযোগিতা আগবঢ়াব। এই যুদ্ধ-স্মাৰকৰ বাবে ইতিমধ্যে ভূমি নিৰ্ধাৰণ কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। জলসম্পদ, পুথিভঁৰাল, প্ৰত্নতাত্ত্বিক ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আলাবৈ ৰণৰ ছহিদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি কয় যে তেওঁৰ বিভাগে এই ৰণত প্ৰাণাহুতি দিয়া বীৰ ছহিদসকলৰ স্মৃতি যুগমীয়া কৰাৰ বাবে সকলো ধৰণৰ প্ৰয়াস চলাই যাব। সাংস্কৃতিক বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব পৱন বৰঠাকুৰে আদৰণী ভাষণ দিয়া এই অনুষ্ঠানত আলাবৈ ৰণৰ সৈন্যসকলে কৰা চৰম ত্যাগৰ আলোকপাতেৰে প্ৰস্তুত কৰা এটা ভিডিঅ' প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত বিধায়ক সত্যব্ৰত কলিতা, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, সদৌ অসম আহোম সভাৰ সভাপতি উমা কোঁৱৰ, দৰঙী কোচ ৰাজবংশৰ পৰিয়ালৰ সদস্য ড° অমৰেন্দ্ৰ নাৰায়ণ দেৱ, মিচিং ডিব্ৰি কেবাঙৰ উপ-সভাপতি অৱনী মিলি, দেউৰী জাতীয় মঞ্চৰ সম্পাদক দ্বীপেন দেউৰী, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সচিব তথা পূৰ্বাঞ্চল টাই সাহিত্য পৰিষদৰ সভাপতি ড° দয়ানন্দ বৰগোহাঁই প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল। ❑❑




# জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ কৃষিমন্ত্ৰী অতুল বৰাৰ সৈতে আলোচনা



# অসমৰ কৃষিখণ্ডৰ ব্ৰেণ্ড এম্বেছাডৰ হ'বলৈ সন্মতি জুবিন গাৰ্গৰ

ৰাজ্যখনৰ নৱপ্ৰজন্মক কৃষিখণ্ডলৈ আকৰ্ষিত কৰি স্বনিৰ্ভৰশীল কৰি তোলাৰ বাবে উৎসাহিত কৰি তুলিবলৈ অসমৰ কৃষিখণ্ডৰ ব্ৰেণ্ড এম্বেছাডৰ হিচাপে কাম কৰিবলৈ সন্মতি জনাইছে যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গে। এতিয়াৰে পৰা কৃষি আৰু ইয়াৰ সহযোগী খণ্ডসমূহৰ দ্বাৰা বহু প্ৰত্যাশিত আত্মনিৰ্ভৰ অসমৰ হৈ কাম কৰি যাব শিল্পী জুবিন গাৰ্গে। যোৱা ৮ আগষ্টত কৃষিমন্ত্ৰী অতুল বৰাৰ গুৱাহাটীৰ চৰকাৰী বাসভৱনত কৃষিখণ্ডক উজ্জীৱিত ৰূপত দাঙি ধৰিবলৈ জুবিন গাৰ্গ, তেওঁৰ পত্নী গৰিমা গাৰ্গ আৰু তেওঁলোকৰ সহযোগীসকলে প্ৰস্তুত কৰা এটা প্ৰকল্পসন্দৰ্ভত কৃষিমন্ত্ৰী বৰাৰ সৈতে এক দীঘলীয়া আলোচনাত মিলিত হয়। আলোচনাকালত কৃষিমন্ত্ৰীয়ে জুবিন গাৰ্গক ব্ৰেণ্ড এম্বেছাডৰ হ'বলৈ প্ৰস্তাৱ আগবঢ়ায়। এই প্ৰকল্পত মধ্যভোগী নোহোৱাকৈ কৃষকক উচিত মূল্য প্ৰদান কৰি উপযুক্ত পৰিবহণ ব্যৱস্থাৰ জৰিয়তে উপযুক্ত বজাৰৰ সৃষ্টি কৰি ৰাজ্যখনৰ কৃষক আৰু কৃষিভিত্তিক অৰ্থনীতিত নতুন গতি প্ৰদানৰ কথা উল্লেখ কৰা হৈছে। সামৰি লোৱা হৈছে শস্য উৎপাদন, মীন উৎপাদন, দুগ্ধখণ্ড, পশুধন পালন, হাঁহ-কুকুৰা পালন, বয়ন খণ্ড আদি দিশসমূহ। আলোচনাত কৃষিমন্ত্ৰী বৰাই জুবিন গাৰ্গক অসমৰ যুৱ সম্প্ৰদায়ৰ হিয়াৰ আমঠু বুলি উল্লেখ কৰি কয় যে ক'ৰোনাকালৰ এই সময়ত দেশৰ লগতে অসমৰ ৰাইজেও জীৱন ধাৰণৰ পদ্ধতি সম্পৰ্কত নতুনকৈ চিন্তা কৰিবলৈ বাধ্য হৈছে। এই সময়ছোৱাত ৰাজ্যখনৰ বাহিৰৰ পৰা লাখ লাখ যুৱক-যুৱতী মাতৃভূমিলৈ উভতি আহিছে। ৰাজ্যখনৰ যুৱক-যুৱতীসকলক কৃষি আৰু ইয়াৰ সহযোগী খণ্ডসমূহৰ জৰিয়তে কৰ্মসংস্থাপনৰ পথ মুকলি কৰাৰ বাবে চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। কিন্তু ইয়াত মানসিকতাৰ পৰিৱৰ্তনৰ প্ৰয়োজন আছে। কৃষিখণ্ডৰ জৰিয়তে নৱপ্ৰজন্মক কৃষিখণ্ডলৈ আকৰ্ষিত কৰি ইয়াক বাণিজ্যিক ৰূপ দিয়াৰ বাবে জুবিন গাৰ্গ, তেওঁৰ পত্নী গৰিমা গাৰ্গ আৰু আন কেইগৰাকীমান উৎসাহী লোকে যোৱা ৮ আগষ্টত বৃন্দাবন ছুপাৰ মাৰ্টৰ অধীনত কৃষিমন্ত্ৰীগৰাকীৰ হাতত দাখিল কৰা প্ৰকল্পটোক আদৰণি জনাই কৃষিমন্ত্ৰী বৰাই পুনৰ কয় যে অসম চৰকাৰৰ দ্বাৰা ঘোষিত আত্মনিৰ্ভৰ অসমক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত জুবিন গাৰ্গে দাখিল কৰা এই প্ৰকল্পক অসম চৰকাৰৰ কৃষি, উদ্যান শস্য আৰু খাদ্য সংসাধন, পশু পালন, দুগ্ধ উন্নয়ন বিভাগে সকলো ধৰণে সহযোগিতা আগবঢ়াব। এই আলোচনাকালত সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকলক এই প্ৰকল্পলৈ সহযোগিতা আগবঢ়াবলৈ

# বিশিষ্ট পণ্ডিত, শিক্ষাবিদ ড° অমৰেশ দত্তৰ বিয়োগ, মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ




দেশৰ এগৰাকী বিদগ্ধ পণ্ডিত, ইংৰাজী সাহিত্যৰ একনিষ্ঠ সাধক, প্ৰফেছৰ এমেৰিটাছ ড° অমৰেশ দত্তৰ যোৱা ৬ আগষ্টত ডিব্ৰুগড়ৰৰ নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। এইগৰাকী পণ্ডিতৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ড° অমৰেশ দত্তই আমাৰ শৈক্ষিক, বৌদ্ধিক জগতলৈ যি অনৱদ্য অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। বিশাল পাণ্ডিত্যৰ অধিকাৰী প্ৰয়াত দত্তই আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক ক্ষেত্ৰখনলৈ অমূল্য বৰঙনি যোগাই গৈছে। ছেক্সপীয়েৰৰ সাহিত্য সন্দৰ্ভত তেওঁ আগবঢ়োৱা মনোজ্ঞ আলোচনাই বিশ্বৰ বিদগ্ধ পণ্ডিতসকলৰো দৃষ্টি আকৰ্ষণ কৰিছিল। তেওঁৰ কাব্যিক প্ৰতিভাই বিশ্ব পৰ্যায়ত সুনাম কঢ়িয়াই আনিছিল আৰু কেইবাটাও দেশী-বিদেশী ভাষালৈ এই কবিতাসমূহ অনুবাদ হৈছিল। 'এনচাইক্লোপেডিয়া অব ইণ্ডিয়ান লিটাৰেচাৰ'ৰ জৰিয়তে প্ৰয়াত দত্তৰ বিশাল পাণ্ডিত্যৰ পৰিচয় পোৱা যায়। প্ৰয়াত দত্তই এগৰাকী শিক্ষাবিদ হিচাপেও শৈক্ষিক জগখনলৈ অনৱদ্য বৰঙনি যোগাই গৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁৰ মৃত্যুত অসমে এগৰাকী যশস্বী বিজ্ঞ ব্যক্তিক হেৰুৱালে। এইগৰাকী বিশিষ্ট পণ্ডিতৰ বিয়োগ আমাৰ বৌদ্ধিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° অমৰেশ দত্তৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° অমৰেশ দত্তৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। ❒❒

সুকীয়া সুকীয়াভাৱে বৈঠক অনুষ্ঠিত কৰিবলৈ কৃষিমন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। আলোচনাকালত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও জুবিন গাৰ্গৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। মাটি থাকিলেহে জাতি থাকিব বুলি উল্লেখ কৰি শিল্পী জুবিন গাৰ্গে কয় যে নতুন প্ৰজন্মই নিজৰ অস্তিত্ব সাব্যস্ত কৰিবলৈ স্বনিৰ্ভৰশীলতাৰ পথত আগবাঢ়ি আহিব লাগিব। এয়া জাতিটোৰ বাবে শুভ লক্ষণ। প্ৰস্তাৱিত প্ৰকল্পটো ডাঙৰকৈ চিন্তা কৰা হৈছে বুলি উল্লেখ কৰি জুবিন গাৰ্গে কয় যে ইয়াক বাস্তৱ ৰূপ দিয়াৰ বাবে কিছু সময়ৰ প্ৰয়োজন হ'ব। নৱ প্ৰজন্মক সহযোগী হিচাপে লৈ আগবাঢ়িব খোজা এই প্ৰকল্পই ৰাজ্যখনত এটা নতুন কৃষি বিপ্লৱ, এটা নতুন অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰিব বুলিও শিল্পীগৰাকীয়ে উল্লেখ কৰে। ❒❒



# ঐতিহাসিক গহপুৰ থানাৰ পুনৰ্নিৰ্মিত ভৱন উদ্বোধন



# ছহিদৰ ত্যাগ আৰু আদৰ্শৰে শক্তিশালী অসম গঢ়াৰ দিশত আত্মনিয়োগ কৰাৰ আহ্বান মুখ্যমন্ত্ৰীৰ

'মহাত্মা গান্ধীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই এই গহপুৰ থানাত ৪২'ৰ ভাৰত ত্যাগ আন্দোলনত ত্ৰিৰংগা পতাকা উৰুৱাবলৈ আহি কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিয়ে আত্ম বলিদান দিছিল। এই বীৰ ছহিদসকলৰ ত্যাগে আমাক গৌৰৱান্বিত কৰি আহিছে। অসমীয়া জাতিৰ দেশপ্ৰেম আৰু মনোবল কিমান শক্তিশালী তেওঁলোকৰ লগতে স্বাধীনতা আন্দোলনৰ ৰাজ্যৰ ছহিদসকলে ইতিমধ্যে প্ৰমাণ কৰি গৈছে। সেয়েহে নৱ প্ৰজন্মই তেওঁলোকৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ এখন শক্তিশালী আৰু আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ বাবে অহোপুৰুষাৰ্থ কৰিব লাগিব।' যোৱা ২৮জুলাইত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ স্মৃতি বিজড়িত ঐতিহাসিক গহপুৰ থানাৰ পুনৰ নিৰ্মাণ কৰা ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰি এই উপলক্ষে আয়োজিত সভাত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। উল্লেখ্য যে ১৯০৩ চনত স্থাপিত এই ঐতিহাসিক থানাখন সংৰক্ষণৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰৰ প্ৰত্নতত্ত্ব বিভাগে এই পদক্ষেপ গ্ৰহণ কৰি ইয়াৰ পুনৰ্নিৰ্মাণ কৰিছে। তদুপৰি, ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসৰ সৈতে সম্পৰ্কিত ঢেকীয়াজুলি তথা ইতিমধ্যে মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰা চতিয়া থানাকে ধৰি তিনিওখন থানাৰ সংৰক্ষণৰ বাবে প্ৰত্নতত্ত্ব বিভাগে সৰ্বমুঠ ১.৫০ কোটি টকা ব্যয় কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বৃহত্তৰ অসমীয়া জাতিৰ মাজত সততা, নিষ্ঠা আৰু মানৱ সম্পদ মজুত আছে। এই সম্পদক মূলধন হিচাপে লৈ জ্যোতিপ্ৰসাদ আগৰৱালাই জনোৱা 'বিশ্ব বিজয় ন জোৱান'ৰ দৰে আমি সমগ্ৰ বিশ্বজয় কৰিব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ বাবে দেশৰ প্ৰত্যেকগৰাকী জনতাক আহ্বান জনাইছে। আমিও প্ৰধানমন্ত্ৰীৰ এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই একো একোগৰাকী দক্ষতাসম্পন্ন নাগৰিকৰ দৰে দেশক শক্তিশালী কৰাৰ কামত ব্ৰতী হ'ব লাগিব। কঠোৰ পৰিশ্ৰমেৰে উৎপাদন বৃদ্ধি কৰি বিশ্বৰ বজাৰ দখল কৰাৰ বাবে আমি সকলোৰে মিলিত প্ৰচেষ্টা ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ছহিদ কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিয়ে সবল মানসিকতাৰ পৰিচয় দাঙি ধৰি গৈছে বুলি উল্লেখ কৰি তেওঁলোকৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ নিজ



নিজ কৰ্মপথাৰত সকলোকে নিষ্ঠাসহকাৰে আত্মনিয়োগ কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। লক্‌ডাউনৰ সময়ছোৱাত আমাৰ কৃষকসকলৰ শক্তি আৰু সামৰ্থ্যৰ বিষয়ে সকলোৰে উমান পাইছে বুলি উল্লেখ কৰি ইয়াৰ জৰিয়তে ৰাজ্যৰ কৃষক-উদ্যোগীৰ যে দেশৰ লগতে দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ বজাৰ দখল কৰাৰ শক্তি আছে সেই কথাটোও প্ৰমাণিত হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

অসমৰ নৱ প্ৰজন্মই বীৰ-বীৰাংগনা তথা ছহিদসকলে দেখুৱাই যোৱা আদৰ্শৰে ভৱিষ্যৎ শক্তিশালী কৰাৰ বাবে নিষ্ঠাসহকাৰে কৰ্তব্যত অৱতীৰ্ণ হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। গহপুৰবাসীয়ে পূৰ্বৰে পৰা ত্যাগ, আদৰ্শ আৰু সম্প্ৰীতিৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰি আহিছে বুলি উল্লেখ কৰি এই সুনাম অক্ষুণ্ণ ৰখাৰ বাবে ভৱিষ্যতে গহপুৰবাসীয়ে সদায়ে ঐক্যবদ্ধ হৈ থাকিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে গহপুৰৰ বিধায়ক উৎপল বৰাই গহপুৰত বৰ্তমানে স্থাপন কৰি থকা ১০০ খন বিচনাযুক্ত হাস্পতালৰ সৈতে ব্লাড বেংক স্থাপনৰ বাবে জনোৱা দাবীৰ প্ৰতি ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে পদক্ষেপ ল'ব বুলিও কয়। মুখ্যমন্ত্ৰীয়ে ঐতিহ্যমণ্ডিত গহপুৰ থানাখনৰ সংৰক্ষণৰ দিশত গহপুৰবাসীক পদক্ষেপ ল'বলৈও আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি সাংস্কৃতিক পৰিক্ৰমা (পুৰাতত্ত্ব আৰু পুথিভঁৰাল), জলসম্পদ ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কয় যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখনে অতীতক বিচাৰি বৰ্তমানক ভৱিষ্যতৰ বাবে আগুৱাই নিয়াৰ দিশত একাধিক পদক্ষেপ গ্ৰহণ কৰিছে। এই দিশত আমাৰ কীৰ্তিচিহ্নসমূহ সংৰক্ষণৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে আগভাগ লৈ বিভাগৰ জৰিয়তে পদক্ষেপ গ্ৰহণ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। মন্ত্ৰীগৰাকীয়ে ইয়াৰ অংশ হিচাপে ১.৫ কোটি টকা ব্যয়ৰে স্বাধীনতা সংগ্ৰামৰ স্মৃতি বিজড়িত গহপুৰ, ঢেকীয়াজুলি আৰু চতিয়া থানা সংৰক্ষণৰ বাবে পুৰাতত্ত্ব বিভাগে পদক্ষেপ লৈছে বুলি কয়। মন্ত্ৰীগৰাকীয়ে এই তিনিখন ঐতিহাসিক থানা সংৰক্ষণৰ দিশত পুৰণি ঐতিহ্য আৰু নক্সা যাতে অক্ষুণ্ণ থাকে তাৰ প্ৰতি পুৰাতত্ত্ব বিভাগে বিশেষ গুৰুত্ব আৰোপ কৰিছিল বুলিও কয়।

গহপুৰৰ বিধায়ক উৎপল বৰাই আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ৰঞ্জিত দত্ত, সাংসদ পল্লৱ লোচন দাস, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিব মাধুৰিমা সেন বৰুৱা, পুৰাতত্ত্ব বিভাগৰ সঞ্চালিকা দীপিৰেখা কৌলী, ছহিদ কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিৰ পৰিয়ালৰ সদস্য, মুক্তিযোদ্ধা ৰামপতি ৰাজখোৱাৰ পৰিয়ালৰ সদস্যকে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। গহপুৰ থানাৰ উদ্বোধনৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে এই থানাখনৰ সন্মুখভাগত থকা জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তি আৰু ছহিদ কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ❐❐

# নিৰ্মাণৰত ইণ্ডোৰ ষ্টেডিয়াম পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৮ জুলাইত লখিমপুৰ চহৰৰ সমীপৱৰ্তী পানীগাঁৱত নিৰ্মীয়মাণ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ইণ্ডোৰ ষ্টেডিয়াম পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে এই ইণ্ডোৰ ষ্টেডিয়ামখনৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰো বুজ লয়। জিলা উপায়ুক্তগৰাকীয়ে ষ্টেডিয়ামখনৰ নিৰ্মাণকাৰ্যৰ বিভিন্ন দিশ মুখ্যমন্ত্ৰীক অৱগত কৰে। উল্লেখ্য যে কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ কল্যাণ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ছোৱাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই প্ৰকল্পটোত অনুমোদন জনাইছিল। বৰ্তমান এই ক্ৰীড়া প্ৰকল্পৰ নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। এই পৰিদৰ্শনৰ সময়ত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ প্ৰদান বৰুৱা, উপায়ুক্ত ডাঃ জীৱন বি প্ৰমুখ্যে উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল। ❐❐

# ঐতিহাসিক চতিয়া থানাৰ পুনৰ্নিৰ্মিত ভৱন উদ্বোধন মুখ্যমন্ত্ৰী সোণোৱালৰ



'অতীতক লৈ বৰ্তমানে ভৱিষ্যতৰ সপোন ৰচে। ইতিহাসে এটা জাতিৰ মনোবল বৃদ্ধি কৰে। ইতিহাসৰ পাতত লিপিবদ্ধ ঘটনাসমূহৰ পৰা বৰ্তমান তথা অনাগত প্ৰজন্মই দৃঢ়তা আৰু মনোবল বুটলিব লাগিব। তেতিয়াহে আমি বিশ্বৰ এক শ্ৰেষ্ঠতম জাতি হিচাপে ভৱিষ্যতেও শক্তিশালীভাৱে পৰিচয় দাঙি ধৰি যাবলৈ সক্ষম হ'ম।' যোৱা ২৭ জুলাইত স্বাধীনতা সংগ্ৰামৰ ইতিহাসেৰে সমৃদ্ধ ঐতিহাসিক চতিয়া থানাৰ পুনৰ্নিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰি এই উপলক্ষে আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। উল্লেখ্য যে ১৯১৩ চনতে স্থাপন কৰা এই ঐতিহাসিক চতিয়া থানাখন ৰাজ্য চৰকাৰৰ প্ৰত্নতত্ত্ব বিভাগে পূৰ্বৰ ৰূপত সংৰক্ষণৰ ব্যৱস্থা কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে সেইদিনা ১ কোটি টকাৰ বিভাগীয় আছুতীয়া পুঁজিৰে নিৰ্মাণ হ'বলগীয়া চতিয়া গড়কাপ্টানী পৰিদৰ্শন বঙলাৰো আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যি সময়ত ইংৰাজে সমগ্ৰ বিশ্ব শাসন কৰিছিল সেই সময়তো গহপুৰ, চতিয়া, ঢেকীয়াজুলি ইত্যাদিৰ জনসাধাৰণে ব্ৰিটিছৰ বন্দুকৰ বিৰুদ্ধে সাহসিকতাৰ পৰিচয় দাঙি ধৰিছিল। এনেকুৱা অতুলনীয় সাহসে এই কথা প্ৰমাণ কৰে যে অসমীয়া জাতি কিমান শক্তিশালী। মুখ্যমন্ত্ৰীয়ে সেয়েহে নব প্ৰজন্মক আমাৰ ইতিহাসৰ বৰ্ণিল পৃষ্ঠাৰ পৰা শক্তি বুটলি ভৱিষ্যতক শক্তিশালী ৰূপত গঢ় দিয়াৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ আহ্বান জনায়। বৰ্তমানৰ যুগটো প্ৰতিযোগিতাৰ যুগ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে উঠি অহা প্ৰজন্মক সকলো দিশতে পাৰ্গতালিৰ পৰিচয় দাঙি ধৰাৰ বাবেও আহ্বান জনায়। তেতিয়াহে অসমীয়া জাতিয়ে বিশ্বক নেতৃত্ব প্ৰদান কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইতিহাস তথা পুৰাতত্ত্বৰ কীৰ্তিচিহ্নসমূহ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ গুৰুত্ব অনুধাৱন কৰিয়েই বৰ্তমানৰ চৰকাৰখনে শাসনভাৰ লোৱাৰ পিছৰে পৰা এই দিশত বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। 'ডিস্ক'ভাৰী অব আছাম' কাৰ্যসূচী গ্ৰহণ কৰি অসমৰ সম্পদ আৰু সম্ভাৱনীয়তাসমূহ বিশ্লেষণৰ বাবে বৰ্তমানৰ চৰকাৰখনে নিষ্ঠাৰে প্ৰয়াস চলাইছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে চতিয়া থানাত সংৰক্ষিত হৈ থকা ঐতিহাসিক নথি-পত্ৰসমূহ ডিজিটাইজ কৰাৰ বাবে পদক্ষেপ ল'বলৈও প্ৰত্নতত্ত্ব বিভাগৰ দায়িত্বত থকা মন্ত্ৰী কেশৱ মহন্তক নিৰ্দেশ দিয়ে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে চতিয়া চহৰত কিছু সংখ্যক চৰকাৰী কাৰ্যালয় স্থাপন কৰাৰ বাবে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই জনোৱা আহ্বানৰ দিশটো ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰা হ'ব



বুলিও আশ্বাস প্ৰদান কৰে। লগতে চতিয়াত এখন আধুনিক ষ্টেডিয়াম নিৰ্মাণৰ বাবে জনোৱা আহ্বানৰ ক্ষেত্ৰতো উচিত পদক্ষেপ লোৱা হ'ব বুলি আশ্বাস প্ৰদান কৰে। চতিয়াৰ ৰাইজ অত্যন্ত শ্ৰদ্ধাশীল আৰু দেশৰ প্ৰতি দায়বদ্ধ বুলি উল্লেখ কৰি বৃহত্তৰ চতিয়াবাসীক অসমৰ শান্তি-সম্প্ৰীতি অক্ষুণ্ণ ৰখাৰ দিশত ভৱিষ্যতে অগ্ৰণী ভূমিকা পালন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনে একেটা সময়তে ক'ভিড-১৯, বান, গৰাখহনীয়া, ধুমুহা, আফ্ৰিকান চোৱাইন ফিভাৰ, বাঘজানৰ গেছকূপৰ অগ্নিকাণ্ড ইত্যাদিৰ লেখীয়া বিভিন্ন সমস্যাৰ সৈতে যুঁজ দিব লগা হৈছে বুলি উল্লেখ কৰি এই জটিল সময়ত ৰাইজে দেখুওৱা দৃঢ়তাৰ বাবে মুখ্যমন্ত্ৰীয়ে সমগ্ৰ ৰাজ্যবাসীকে বিশেষভাৱে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰীয়ে এই ঐতিহাসিক থানাখনৰ পুনৰ্নিৰ্মিত ভৱন উদ্বোধনৰ পূৰ্বে স্বাধীনতা সংগ্ৰামৰ বীৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি বন্তি এগছিও প্ৰজ্বলন কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে থানাখনৰ ভিতৰত থকা ইতিহাসসমৃদ্ধ ডায়েৰী, তথ্য ইত্যাদিও পৰিদৰ্শন কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি সাংস্কৃতিক পৰিক্ৰমা (প্ৰত্নতত্ত্ব আৰু পুথিভঁৰাল), জলসম্পদ ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কয় যে মুখ্যমন্ত্ৰীৰ দায়িত্ব লৈয়েই সৰ্বানন্দ সোণোৱালে অসমৰ ঐতিহাসিক কীৰ্তিচিহ্ন সংৰক্ষণ তথা বিভিন্ন জাতি-জনগোষ্ঠীৰ সমলসমূহ সংৰক্ষণৰ বাবে বিশেষ পদক্ষেপ লৈছে। চৰাইদেউ মৈদামসমূহ সংৰক্ষণৰ বাবে ২৫ কোটি টকা ধাৰ্য কৰাৰ উপৰি বৰ্তমানৰ চৰকাৰৰ প্ৰচেষ্টাৰ ফলতে শিৱসাগৰ জিলাক দেশৰ ৫ খন আইকনিক ছাইটৰ অন্যতম হিচাপে গঢ়ি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে পদক্ষেপ লৈছে বুলিও কয়। মন্ত্ৰীগৰাকীয়ে লগতে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসৰ সৈতে সংপৃক্ত ঢেকীয়াজুলি গহপুৰ আৰু চতিয়া থানাৰ সংৰক্ষণ মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমেই কৰা হৈছে বুলি কয়। আগতে যেনে ৰূপত এই থানাকেইখন আছিল, ঠিক তেনেধৰণে প্ৰত্নতত্ত্ব বিভাগে সংৰক্ষণৰ ব্যৱস্থা কৰিছে বুলিও তেওঁ কয়। অনুষ্ঠানত বক্তব্য আগবঢ়াই হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ৰঞ্জিত দত্তই এই দিনটোক এক স্মৰণীয় দিন বুলি উল্লেখ কৰি ইতিহাসপ্ৰসিদ্ধ এই থানাখনৰ সংৰক্ষণে ভৱিষ্যত প্ৰজন্মক আমাৰ বৰ্ণিল ইতিহাসৰ সৈতে পৰিচয় কৰাই দিবলৈ সক্ষম হ'ব বুলিও কয়। চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই আদৰণী ভাষণত ইতিহাসে গৰকা চতিয়া অঞ্চল পূৰ্বৰে পৰা বহু ক্ষেত্ৰত বঞ্চিত হৈ আছে বুলি উল্লেখ কৰি চতিয়াত কিছু চৰকাৰী কাৰ্যালয়, কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান, ষ্টেডিয়াম ইত্যাদি নিৰ্মাণৰ পদক্ষেপ লোৱাৰ বাবে মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। বিধায়কগৰাকীয়ে লগতে বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালতে চতিয়াত ৩০খন বিচনাযুক্ত হাস্পতালৰ নিৰ্মাণৰ কামে বিশেষ অগ্ৰগতি লাভ কৰিছে বুলিও কয়। অনুষ্ঠানত তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাস, বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ আৰু গহপুৰ বিধানসভা সমষ্টিৰ বিধায়ক উৎপল বৰায়ো বৃহত্তৰ চতিয়াৰ বৰ্ণিল ইতিহাস অৱলোকনেৰে বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিব মাধুৰিমা সেন বৰুৱা, প্ৰত্নতত্ত্ব বিভাগৰ সঞ্চালিকা দীপিৰেখা কৌলী, বিশ্বনাথ জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, প্ৰাক্তন মন্ত্ৰী প্ৰবীণ হাজৰিকা, মুক্তিযুঁজাৰুৰ পৰিয়ালৰ সদস্যকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ❑❑



# প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল)ৰ দ্বিতীয় পৰ্যায়ৰ গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন




## পূৰ্বৰ চৰকাৰৰ দিনৰ ইন্দিৰা আৱাস যোজনাৰ বহু সংখ্যক অসম্পূৰ্ণ গৃহ বৰ্তমানৰ ৰাজ্য চৰকাৰে সম্পূৰ্ণ কৰিছে ঃ মুখ্যমন্ত্ৰী

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৭ জুলাইত নগাঁও পৌৰসভাৰ অন্তৰ্গত ২৬ নং মহলাত শ্ৰীদেৱ দেৱনাথৰ গৃহৰ আধাৰশিলা স্থাপনেৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল) ৰ দ্বিতীয় পৰ্যায়ৰ গৃহ নিৰ্মাণৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল) ৰ অধীনত ৰাজ্যখনৰ বিভিন্ন চহৰত বসবাস কৰা দুখীয়া পৰিয়ালৰ বাবে ২৫ হাজাৰ গৃহ নিৰ্মাণৰ লক্ষ্য লোৱা হৈছে আৰু ইতিমধ্যে আৰম্ভ হোৱা আধাৰশিলা তথা গৃহ নিৰ্মাণৰ শুভাৰম্ভণি কাৰ্য এমাহৰ ভিতৰতে অৰ্থাৎ ২০২০ বৰ্ষৰ ২৭ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। উল্লেখ্য যে ৭৪৯.৫২ কোটি টকা ব্যয়েৰে এই ২৫ হাজাৰ গৃহ নিৰ্মাণৰ বাবে প্ৰতিগৰাকী হিতাধিকাৰীকে প্ৰথম কিস্তিত ৮০ হাজাৰ টকাকৈ ৰাজ সাহায্যযুক্ত আৰ্থিক অনুদান আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে আৰু পৰৱৰ্তী পৰ্যায়ত বাকী কিস্তিসমূহ প্ৰদান কৰা হ'ব। এই উপলক্ষে নগাঁও চহৰৰ খগেন মহন্ত প্ৰেক্ষাগৃহত নগৰ উন্নয়ন বিভাগৰ উদ্যোগত তথা প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল), অসমৰ অভিযান সঞ্চালকালয় আৰু নগাঁও পৌৰসভাৰ সৌজন্যত আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ২০১৪ চনত প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত হোৱাৰে পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ দেশৰে গৰীৱ জনসাধাৰণক এক মৰ্যাদাসম্পন্ন জীৱন-যাপনৰ সুবিধা প্ৰদানৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰি এইসমূহৰ সফল ৰূপায়ণৰ ব্যৱস্থা কৰিছে। প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ আৰু চহৰাঞ্চলৰ জৰিয়তে জনসাধাৰণৰ অন্ন, বস্ত্ৰ, বাসস্থানৰ দৰে মৌলিক সমস্যা সমাধানৰ বাবে বাস্তৱসন্মত তথা ফলপ্ৰসূ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। স্বাধীনতাৰ ৭২ বছৰৰ ভিতৰত এনেবোৰ আঁচনিৰে দেশৰ দুখীয়া জনসাধাৰণক মৰ্যাদাসম্পন্ন জীৱন যাপনৰ সুবিধা প্ৰদান কৰাটো আটাইতকৈও মহত্তম পদক্ষেপ বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে ইয়াৰ জৰিয়তে দেশৰ দৰিদ্ৰ জনতাৰ পূৰ্বৰ থকা ঘৰৰ অনিশ্চয়তা দূৰীকৰণৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ জৰিয়তে এতিয়া এক আধুনিক প্ৰযুক্তিৰে নিৰ্মিত পকাঘৰত এক পৰিষ্কাৰ-পৰিচ্ছন্নভাৱে থকাৰ বাবে জনসাধাৰণে

সুবিধা লাভ কৰিছে বুলিও তেওঁ কয়। পূৰ্বতে বেংক তথা বিত্তীয় অন্তৰ্ভুক্তিকৰণ দৰিদ্ৰ জনসাধাৰণৰ বাবে এক সপোন আছিল বুলি উল্লেখ কৰি ২০১৪ চনত প্ৰধানমন্ত্ৰী হিচাপে অধিস্থিত হৈ জন-ধন যোজনাৰ জৰিয়তে দেশৰ ৩৬ কোটি দৰিদ্ৰ জনসাধাৰণক বেংকৰ একাউণ্টৰ জৰিয়তে বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ দৰে শক্তিশালী পদক্ষেপো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। দেশৰ ১৩০ কোটি জনসাধাৰণক ঐক্যবদ্ধভাৱে তথা সুৰক্ষা প্ৰদানৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক দৃষ্টান্তমূলক উদাহৰণ দাঙি ধৰিছে বুলিও তেওঁ কয়। মহাত্মা গান্ধীয়ে ৰামৰাজ্য প্ৰতিষ্ঠাৰে দেশৰ প্ৰতিগৰাকী নাগৰিকক সন্মান আৰু মৰ্যাদা প্ৰদানৰ যি লক্ষ্য লৈছিল সেই লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'সবকা সাথ, সবকা বিকাশ আৰু সবকা বিশ্বাস' নীতিৰে দেশৰ বিকাশৰ দিশত এক অনন্য নজিৰ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত'ৰ আদৰ্শৰে দেশৰ জনসাধাৰণক একত্ৰিত কৰি ৰাষ্ট্ৰীয় ভাৱনা শক্তিশালী কৰাৰ দিশতো প্ৰধানমন্ত্ৰীয়ে এক শক্তিশালী নেতৃত্ব প্ৰদান কৰিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত ইন্দিৰা আৱাস যোজনাৰ বহু সংখ্যক গৃহ অসম্পূৰ্ণ হৈ আছিল। কিন্তু বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ২০১৬ চনত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত সেই গৃহসমূহ সম্পূৰ্ণ কৰাৰ পদক্ষেপ লৈ সেইসমূহ সম্পূৰ্ণ কৰিছে। তদুপৰি, প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) ৰ অধীনত ৪.৩৬ লাখ গৃহ নিৰ্মাণৰ লক্ষ্যৰ বিপৰীতে এতিয়ালৈকে প্ৰায় ৩ লাখ গৃহ সম্পূৰ্ণ হৈ উঠিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সম্প্ৰতি আধাৰশিলা স্থাপনেৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰাঞ্চল) ৰ ২৫ হাজাৰ গৃহ নিৰ্মাণৰ যি লক্ষ্য লোৱা হৈছে সেই ঘৰসমূহৰ হিতাধিকাৰীসকলক গৃহ নিৰ্মাণৰ দিশত যথেষ্ট গুৰুত্ব প্ৰদান কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায় যাতে তেওঁলোকৰ গৃহসমূহ একো একোটা আদৰ্শ গৃহলৈ ৰূপান্তৰিত হয়। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই বিগত সময়ছোৱাত মিউনিচিপালিটী কেৱল এটা বিভাগহে আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালতে এই বিভাগটোৱে চহৰাঞ্চলৰ উন্নয়নৰ দিশত এক সক্ৰিয় বিভাগ হিচাপে প্ৰতিপন্ন হৈছে বুলি কয়। মুখ্যমন্ত্ৰী সোণোৱাল নেতৃত্বাধীন চৰকাৰৰ দিনতে পৌৰসভাসমূহৰ এলেকা তথা পৰিসৰৰ ভিত্তিত ২০০ অথবা ১০০ কোটি টকাৰ অতিৰিক্ত পুঁজি প্ৰদান কৰি নগৰাঞ্চলৰ উন্নয়নৰ দিশত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে বুলিও তেওঁ কয়। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি নগৰ উন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী পীযূষ হাজৰিকাই এই দিনটোক অসমৰ বাবে এক অত্যন্ত শুভদিন বুলি উল্লেখ কৰে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল) ৰ দ্বিতীয় পৰ্যায়ৰ এই ২৫ হাজাৰ গৃহৰ আধাৰশিলা স্থাপনেৰে কাম-কাজৰ শুভাৰম্ভ এমাহৰ ভিতৰত অৰ্থাৎ ২৭ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি কয়। তেওঁ লগতে বিভিন্ন চহৰত ৰাস্তা, নলা-নৰ্দমা, গৃহৰ পৰাই আৱৰ্জনা সংগ্ৰহ, হাইমাষ্ট লাইট স্থাপনৰ প্ৰক্ৰিয়া ইত্যাদিৰ দৰে আঁচনিৰ কাম-কাজ চলাই থকা হৈছে বুলিও কয়। নগাঁও পানী যোগান আঁচনিৰ কাম-কাজ ইতিমধ্যে ১৫ শতাংশ সম্পূৰ্ণ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল) ৰ দ্বিতীয় পৰ্যায়ৰ কাম-কাজৰ শুভাৰম্ভ কৰাৰ বাবে মুখ্যমন্ত্ৰীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে কেইবাগৰাকীও হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল) ৰ দ্বিতীয় পৰ্যায়ৰ প্ৰথম কিস্তিৰ ধনৰাশিৰ চেক তথা প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল) ৰ প্ৰথম পৰ্যায়ৰ শেষৰ কিস্তিৰ ধনৰাশিৰ চেক প্ৰদান কৰে। তদুপৰি, হিতাধিকাৰীসকললৈ তেওঁ প্ৰত্যক্ষ হস্তান্তৰ প্ৰক্ৰিয়াৰ মাধ্যমেৰে (ইলেকট্ৰ'নিক ট্ৰেন্সফাৰিং) আঁচনিৰ ধন মোকলাই দিয়ে। নগৰ উন্নয়ন বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মাই আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মায়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ৰহা সমষ্টিৰ বিধায়ক ডিম্বেশ্বৰ দাস, মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ পৰিচালন সঞ্চালক সুভাশিস দাস, জিলা উপায়ুক্ত যাদৱ শইকীয়া, আৰক্ষী অধীক্ষক গৌৰৱ অভিজিত দিলীপ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিৰ উপৰি আঁচনিৰ হিতাধিকাৰীসকল উপস্থিত থাকে। ❐❐



# আই নদীৰ বান-খহনীয়াৰ স্থায়ী সমাধানৰ বাবে চৰকাৰে এক প্ৰকল্পৰ কাম হাতত ল'ব ঃ মুখ্যমন্ত্ৰী



## চিৰাং, বঙাইগাঁও আৰু গোৱালপাৰা জিলাৰ বান পৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২১ জুলাইত চিৰাং জিলাৰ তুলসীঝাৰালৈ গৈ আই নদীয়ে সৃষ্টি কৰা খহনীয়াস্থলী পৰিদৰ্শন কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে জিলাখনৰ ৩৪১ নং মাজৰাবাৰী প্ৰাথমিক বিদ্যালয় আৰু ১২৮ নং নোৱাপাৰা প্ৰাথমিক বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি আশ্ৰয় শিবিৰত থকা লোকসকলে সঠিক তথা মানসম্পন্ন চৰকাৰী সাহায্য লাভ কৰিছে নে নাই তাৰ বুজ লয়। আনহাতে মুখ্যমন্ত্ৰীয়ে সেইদিনা বঙাইগাঁও জিলাৰ জামদহা (বেকাৰ চক বজাৰ) গৈ আই নদীৰ বানৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আই নদীৰ এই ভগা অংশ মেৰামতিৰ বাবে ৰাজ্য চৰকাৰে শীঘ্ৰে পদক্ষেপ গ্ৰহণ কৰিব। এই পৰিদৰ্শনৰ সময়ত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, পৰ্যটন বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্ম, জিলাখনৰ উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আই নদীৰ বানৰ ফলত জিলাখনৰ বহু লোক ক্ষতিগ্ৰস্ত হৈছে। আই নদীৰ বানৰ ফলত বঙাইগাঁও জিলাৰো বিস্তীৰ্ণ এলেকাৰ কৃষিভূমি জলমগ্ন হোৱাৰ লগতে জনসাধাৰণৰ ক্ষতিসাধন হৈছে। আই নদীয়ে দুয়োখন জিলাৰ জনসাধাৰণক চিন্তিত কৰি তুলিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আই নদীৰ বান আৰু খহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে ৰাজ্য চৰকাৰে এক প্ৰকল্পৰ কাম হাতত ল'ব। ভূটানৰ পৰা নামি অহা পানীৰ ফলত হোৱা বানৰ বিষয়টো সাংবাদিকে দৃষ্টি আকৰ্ষণ কৰাত মুখ্যমন্ত্ৰীয়ে কয় যে এই বিষয়টো সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে ভূটান চৰকাৰৰ লগত আলোচনাত মিলিত হ'ব। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বানৰ ফলত হোৱা ক্ষয়-ক্ষতি আৰু আশ্ৰয় শিবিৰত থকা লোকসকলে সঠিকভাৱে তথা গুণগত মানসম্পন্ন সাহায্য সামগ্ৰী লাভ কৰাৰ বিষয়টো নিজে প্ৰত্যক্ষভাৱে বুজ লোৱাৰ বাবে তেওঁ বিভিন্ন জিলা পৰিদৰ্শন কৰিছে। বানৰ দৰে এই দুৰ্যোগৰ সময়ত ৰাজ্যৰ জনসাধাৰণে আন্তৰিকতাৰে সহযোগ কৰি আহিছে। আশ্ৰয় শিবিৰৰ সাহায্যৰ ক্ষেত্ৰত অভিযোগ লাভ কৰাৰ পিছতে প্ৰশাসনে তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ বান সমস্যাৰ স্থায়ী সমাধানৰ বাবে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। স্বাধীনতাৰ ৭০



বছৰৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অসমৰ বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে আন্তৰিকতাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে সেইদিনা বঙাইগাঁও জিলাৰ চলন্তপাৰা চৰকাৰী এম ভি স্কুললৈ গৈ আশ্ৰয় শিৱিৰত থকা লোকসকলৰ সৈতে মত বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে আশ্ৰয় শিৱিৰত থকা শিশুসকলৰ সৈতে কথা-বতৰা পতাৰ উপৰি শিৱিৰত যোগান ধৰা খাদ্য সামগ্ৰীসমূহো নিৰীক্ষণ কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে গোৱালপাৰা জিলালৈ আহি গোৱালাপাৰা হাই মাদ্ৰাছা আৰু জয়তুন নেছা ছোৱালী মধ্য ইংৰাজী বিদ্যালয়, নিউ গোৱালপাৰা হাইস্কুললৈ গৈ আশ্ৰয় শিৱিৰত থকা লোকসকলে লাভ কৰি থকা সাহায্যৰ বুজ লয়। ইয়াৰ পিছতে গোৱালপাৰা জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত সাম্প্ৰতিক বান আৰু ক'ভিড-১৯ৰ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে বৈঠকত উপস্থিত থকা গোৱালপাৰা জিলাৰ বিধায়কসকলক নিজ নিজ সমষ্টিৰ বান সমস্যা সম্পৰ্কত আলোকপাত কৰিবলৈ কয়। বিধায়সকলে চৰকাৰী সাহায্যত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে আন আন কেতবোৰ সমস্যাৰ কথাও উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে এই সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত তৎকালে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে। বৈঠকত জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালকগৰাকীয়ে ক'ভিড-১৯ৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে কয়। মুখ্যমন্ত্ৰীয়ে জিলা কৃষি বিষয়াগৰাকীক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰে সামৰি ল'ব পৰাকৈ কৃষকসকলৰ মাজত জনসচেতনতা গঢ়ি তুলিবলৈও নিৰ্দেশ দিয়ে। এই বৈঠকতে বানত মৃত্যু হোৱা ব্যক্তিৰ নিকটাত্মীয়লৈ ৪ লাখ টকাকৈ এককালীন সাহায্য মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰে। বৈঠকতে মুখ্যমন্ত্ৰীয়ে হিতাধিকাৰীসকলৰ মাজত জব কাৰ্ড বিতৰণ কৰে। এই বৈঠকত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰী, জিলাখনৰ বিধায়কসকল, উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু জিলাখনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। আনহাতে মুখ্যমন্ত্ৰীয়ে সেইদিনা গোৱালপাৰা জিলাৰ কৃষ্ণাই নৈয়ে হাবৰাঘাট, খাৰিজা মাণিকপুৰত উটুৰাই নিয়া দলং আৰু পথছোৱা পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে বি আৰ পি এল অতিথিশালাত অনুষ্ঠিত এক বৈঠকত চিৰাং আৰু বঙাইগাঁও জিলাৰ ক'ভিড-১৯ সংক্ৰমণৰ শেহতীয়া পৰিস্থিতি তথা সাম্প্ৰতিক বান পৰিস্থিতিৰ বিতং পৰ্যালোচনা কৰে। এই পৰ্যালোচনামূলক বৈঠকত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰী, দুয়োখন জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষকৰ লগতে বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। ❒❒



# বন বিভাগৰ নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰাৰ বাবে দিবা-নৈশ নিৰীক্ষণ ড্ৰ'ন তথা এণ্টি ডিপ্ৰিডেচন ৰেচপন্স বাহন উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে




# বৰাইল বনাঞ্চলৰ বাবে নতুন ফৰেষ্ট ডিভিজন

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৪ জুলাইত জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভা গৃহত বন বিভাগৰ নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰাৰ বাবে দিবা-নৈশ নিৰীক্ষণ ড্ৰ'ন, বন্যপ্ৰাণী আৰু মানুহৰ সংঘাত নিৰাময়ত সহায়ক হোৱাকৈ এণ্টি ডিপ্ৰিডেচন কুইক ৰেচপন্স বাহন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে দিবা-নৈশ নিৰীক্ষণ ড্ৰ'ন আৰু বন্যপ্ৰাণী আৰু মানুহৰ সংঘাত নিৰাময়ত সহায়ক হোৱাকৈ এণ্টি ডিপ্ৰিডেচন কুইক্ ৰেচপন্স বাহনে বন তথা বন্যপ্ৰাণীৰ সুৰক্ষাৰ দিশত এক শক্তিশালী ব্যৱস্থা গঢ়ি তুলিব। দিবা-নৈশ নিৰীক্ষণ ড্ৰ'নে আমাৰ বনাঞ্চলৰ আকাশমাৰ্গৰ পৰা নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰি চোৰাং চিকাৰী তথা অবৈধ কাৰ্যকলাপ ৰোধ কৰাত বিশেষভাৱে সহায় কৰিব। তদুপৰি এণ্টি ডিপ্ৰিডেচন কুইক্ ৰেচপন্স বাহনে বন্যপ্ৰাণী আৰু মানুহৰ মাজত বিশেষকৈ অসমৰ গাঁৱে-ভূঞে সংঘটিত হৈ থকা হাতী আৰু মানুহৰ সংঘাত নিৰাময়ৰ দিশত বিশেষভাৱে সহায় কৰিব। ইতিমধ্যে বন বিভাগে ৩খন বিশেষ নিৰীক্ষণ ড্ৰ'ন আৰু এখন বন্যপ্ৰাণী উপদ্ৰৱ তড়িৎ প্ৰতিক্ৰিয়া বিশেষ বাহনৰ ব্যৱস্থা কৰা হৈছে।

এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে একবিংশ শতিকা তথ্য আৰু প্ৰযুক্তিৰ যুগ। এই তথ্য-প্ৰযুক্তিৰ জৰিয়তে বন বিভাগক অধিক শক্তিশালী কৰাৰ বাবে ৰাজ্যৰ বন বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে যাতে ইয়াৰ জৰিয়তে বন্যপ্ৰাণী সংৰক্ষণ তথা চোৰাং চিকাৰীৰ কাৰ্যকলাপ ৰোধ কৰিব পৰা যায়। তেওঁ কয় যে সেউজ বননি,জৈৱ-বৈচিত্ৰ্য,শান্ত-সমাহিত প্ৰকৃতি আৰু বিৰল বন্যপ্ৰাণীৰ বাবে অসম জগত বিখ্যাত। সেইবাবে বিৰল,অনন্য প্ৰাকৃতিক শোভা আৰু বন্যপ্ৰাণী দৰ্শন কৰিবলৈ প্ৰতি বছৰে অসমলৈ অসংখ্য দেশী-বিদেশী পৰ্যটক আহে। তেওঁ কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিনৰে পৰা অসমৰ সেউজ আৱৰণ তথা ইয়াৰ বিৰল প্ৰাকৃতিক সম্পদ,জৈৱ-বৈচিত্ৰ্য তথা জীৱকুল আৰু পক্ষীকুলৰ সুৰক্ষাৰ দিশত গুৰুত্ব প্ৰদান কৰি সেই অনুসাৰে বহু সংখ্যক শক্তিশালী পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰ ফলত গঁড়ৰ চোৰাং চিকাৰ চমকপ্ৰদভাৱে হ্ৰাস পাইছে। মুখ্যমন্ত্ৰীয়ে কয় যে বিগত সময়ছোৱাত ২৫৯ জন চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰা হয়। এশিঙীয়া গঁড় অসমৰ মান আৰু সন্মানৰ প্ৰতীক




বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কাজিৰঙাত বেদখলকাৰীৰ বিৰুদ্ধে অভিযান চলাই বিগত বছৰবোৰত ৫০২ হেক্টৰ ভূমি বেদখলমুক্ত কৰা হৈছে। বনবিভাগে লাভ কৰা সফলতামানুহে প্ৰত্যক্ষ কৰাৰ সুযোগ লাভ কৰিছে। কাজিৰঙাৰ চৌপাশে থকা জনসাধাৰণ, বন বিভাগ,পাঁচখন জিলাৰ প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ যৌথ প্ৰয়াসৰ সফল প্ৰতিচ্ছবি এখন জনসাধাৰণে দেখিবলৈ পাইছে। ফাষ্ট ট্ৰেক আদালতৰ জৰিয়তে ইতিমধ্যে চোৰাং চিকাৰীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বনাঞ্চল আৰু বন্যপ্ৰাণী সুৰক্ষাৰ বাবে নিৰীক্ষণ আৰু নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে অধিক সজাগ,সতৰ্ক আৰু দায়বদ্ধতাৰে কাম কৰিব লাগিব। আমাৰ বনাঞ্চলৰ যথেষ্ট সম্পদ আৰু সম্ভাৱনা আছে। সেইবাবে ইয়াৰ সঠিক পৰিচালনাৰ দায়িত্ব ল'ব লাগিব যাতে নতুন প্ৰজন্মই ইয়াৰ পৰা প্ৰেৰণা লাভ কৰিবলৈ সক্ষম হয়। কাজিৰঙাত ৩৩ টা হাইলেণ্ড স্থাপন কৰা বাবে বানৰ সময়ত বন্যপ্ৰাণীসমূহে নিৰাপদে আশ্ৰয় ল'ব পাৰিছে। আনকি বানৰ সময়ত জীৱ-জন্তুক খাদ্য সামগ্ৰীও যোগান ধৰা হৈছে। ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বাবে আজি ৰাজ্যৰ বনাঞ্চল ২২২ বৰ্গ কিলোমিটাৰ বৃদ্ধি পাইছে বুলিও তেওঁ কয়। ১০ কোটি গছ পুলি ৰোপণৰ লক্ষ্যৰে আগবাঢ়ি বিগত বছৰবোৰত ৬ কোটি ৫০ লাখ গছপুলি ৰোপণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে কাছাৰ-কৰিমগঞ্জ জিলাক সামৰি থকা বৰাইল বনাঞ্চলৰ বাবে ফৰেষ্ট ডিভিজন এটা স্থাপন কৰাৰ বাবে বনমন্ত্ৰীগৰাকীক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে দিহিং-পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যক ৰাষ্ট্ৰীয় অভয়াৰণ্য হিচাপে উন্নীত কৰা আৰু পবা সংৰক্ষিত বনাঞ্চলক অভয়াৰণ্যলৈ উন্নীত কৰাৰ বাবেও ৰাজ্য চৰকাৰে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। বন বিভাগৰ প্ৰধান মুখ্য বন সংৰক্ষক এ এম সিঙে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যয়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, মুখ্য বন্যপ্ৰাণী সংপালক এম কে যাদৱ প্ৰমুখ্যে বন বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ উপস্থিত থাকে। ❐❐



# পাহাৰত আশ্ৰয় লোৱা বন্যজন্তুৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্ভাগলৈ গৈ বানপৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১৬ জুলাইত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰি উদ্যানখনত শেহতীয়া বানে সৃষ্টি কৰা ক্ষয়-ক্ষতিৰ চৰজমিন বুজ লয়। সেইদিনা পুৱা মুখ্যমন্ত্ৰীগৰাকীয়ে কঁহৰাস্থিত ৰাইজিং ছান ইংলিছ স্কুলত স্থাপন কৰা এটা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি তাত আশ্ৰয় গ্ৰহণ কৰি থকা আৱাসীসকলৰ সৈতে মত বিনিময় কৰে। এই শিবিৰটোত ৫১ টা পৰিয়ালৰ মুঠ ২৫১ গৰাকী সদস্যই আশ্ৰয় গ্ৰহণ কৰি আছে। ইয়াৰ পিছতে তেওঁ বৰজুৰিস্থিত বন্যপ্ৰাণী সংস্থাপন আৰু সংৰক্ষণ কেন্দ্ৰ (চি ডব্লিউ আৰ চি) পৰিদৰ্শন কৰে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বিভিন্ন অঞ্চলৰ পৰা বানৰ কৱলত পৰা গঁড়, ম'হ, হাতী, বাঘ আদি বিভিন্ন জীৱ-জন্তু উদ্ধাৰ কৰি এই কেন্দ্ৰত চিকিৎসা আৰু আশ্ৰয় প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে এই বন্যপ্ৰাণীসমূহৰ উপযুক্ত তদাৰকী নিশ্চিত কৰাৰ বাবে কেন্দ্ৰটোৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ কেন্দ্ৰটোত থকা বিভিন্ন সা-সুবিধাৰো বুজ লয়। কেন্দ্ৰটোত আশ্ৰয় গ্ৰহণ কৰা এটা গঁড়ৰ পোৱালিক মুখ্যমন্ত্ৰীয়ে নিজ হাতেৰে দুগ্ধ পান কৰোৱায়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে নগাঁও জিলাৰ অন্তৰ্গত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পশ্চিম প্ৰান্তৰ বাগৰিত উপস্থিত হৈ অঞ্চলটোৰ বান পৰিস্থিতিৰ বুজ লয়। তেওঁ এন ডি আৰ এফ আৰু বন বিভাগৰ মটৰ ব'টেৰে মৰা ডিফলু নদীৰ বুকুৰে ভ্ৰমণ কৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্ভাগৰ বান প্লাৱিত এলেকা পৰিদৰ্শন কৰে। বানৰ সময়ত বন্য জন্তুৰ আশ্ৰয়ৰ বাবে বন বিভাগে নিৰ্মাণ কৰা ওখ টিলাসমূহো (হাই লেণ্ড) পৰিদৰ্শন কৰি তাত আশ্ৰয় লৈ থকা বহুসংখ্যক বন্য জন্তু মুখ্যমন্ত্ৰীয়ে প্ৰত্যক্ষ কৰে। তেওঁ ডিফলু নদীৰ দুয়োকাষে থকা তথা বানৰ গৰাহত পৰা কেইবাটাও বন শিবিৰ পৰিদৰ্শন কৰে। বানৰ গৰাহত পৰা মৰা ডিফলু বন শিবিৰ, মুৰফুলনি বন শিবিৰ আৰু গৰাকাটি বন শিবিৰৰ সমীপত উপস্থিত হৈ তেওঁ মটৰ ব'টৰ পৰাই শিবিৰকেইটাৰ বনকৰ্মীসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সুবিধা-অসুবিধাৰ বুজ লয়। উল্লেখযোগ্য যে মৰা ডিফলু নদীৰ বুকুৰে প্ৰায় ডেৰ ঘণ্টাৰো অধিক সময় পৰিভ্ৰমণ কৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ ভয়াৱহ বান পৰিস্থিতিৰ স্বচক্ষে বুজ লোৱাৰ সময়ত মুখ্যমন্ত্ৰীৰ লগতে জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, কৃষিমন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ঋতুপৰ্ণ বৰুৱা, বন

# কৃতজ্ঞতা জ্ঞাপন কৰি ভূটান নৃপতিৰ মুখ্যমন্ত্ৰী সোণোৱাললৈ পত্ৰ প্ৰেৰণ



ক'ভিড-১৯ সৃষ্ট লকডাউনৰ সময়ছোৱাত ভূটানলৈ সকলোধৰণৰ জৰুৰী সামগ্ৰী সৰবৰাহৰ ক্ষেত্ৰত অনুমতি প্ৰদানৰ দিশত আগবঢ়োৱা সহযোগিতাৰ বাবে ভূটান নৃপতি জিগমে খেচাৰে ৰাজ্যখনৰ জনসাধাৰণ তথা অসম চৰকাৰৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি এখন পত্ৰ প্ৰেৰণ কৰিছে। উক্ত পত্ৰখনত ভূটান নৃপতিগৰাকীয়ে এনে মহানুভৱতাই ভূটান আৰু ৰাজ্যখনৰ মাজত থকা যাউতিযুগীয়া সম্পৰ্কক উজ্জ্বল ৰূপত প্ৰতিফলিত কৰাৰ লগতে এই সম্পৰ্কক আৰু অধিক সুদৃঢ় কৰিলে বুলিও মন্তব্য কৰিছে। নৃপতিগৰাকীয়ে লগতে কৰ'না মহামাৰীৰ পৰা ৰাজ্যখনৰ জনসাধাৰণে পৰিত্ৰাণ পোৱাৰ কামনা কৰাৰ লগতে শীঘ্ৰে স্বাভাৱিক জীৱন যাত্ৰা আৰম্ভ হ'ব বুলিও আশা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই পত্ৰৰ বাবে ভূটানৰ নৃপতিগৰাকীক অসমৰ জনসাধাৰণৰ হৈ আন্তৰিক শুভেচ্ছা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছে। ভূটান আৰু অসমৰ মাজত থকা ভাতৃত্ববোধৰ সম্পৰ্ক ভৱিষ্যতেও অক্ষুণ্ণ থাকিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ❐❐

বিভাগৰ শীৰ্ষ বিষয়াসকল তথা স্থানীয় সাংবাদিকৰ এটা দলো উপস্থিত আছিল। মুখ্যমন্ত্ৰীয়ে নদীৰ বুকুতেই সাংবাদিকসকলৰ সৈতেও মত বিনিময় কৰে। সাংবাদিকসকলক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৬ চনৰ পৰা বৰ্তমানৰ চৰকাৰখনে ৰাজ্যৰ বন্যপ্ৰাণীসমূহৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ সুফল আজি সকলোৰে প্ৰত্যক্ষ কৰিছে। ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই উদ্যানখনৰ নিৰ্দিষ্ট কেতবোৰ স্থানত নিৰ্মাণ কৰা ওখ টিলাসমূহত আশ্ৰয় গ্ৰহণ কৰিব পৰাৰ ফলত এইবাৰৰ বানত বহুসংখ্যক বন্য জন্তু নিশ্চিত মৃত্যুৰ পৰা ৰক্ষা পৰিছে। এই বানৰ সময়ছোৱাত উদ্যানখনৰ বন্য জন্তুসমূহৰ সুৰক্ষা সুনিশ্চিত কৰাত আগবঢ়োৱা সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীয়ে কাজিৰঙাৰ চৌপাশৰ গঞা ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। চোৰাং চিকাৰী আৰু উদ্যানখনৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা কঠোৰ পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীয়ে গোলাঘাট, কাৰ্বি আংলং, নগাঁও, শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ বন বিভাগ, প্ৰশাসন আৰু আৰক্ষীকো ধন্যবাদ জ্ঞাপন কৰে। বানৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ পাহাৰত আশ্ৰয় লোৱা গঁড়, পহু, ম'হ আদি বন্য জন্তুসমূহৰ সম্পূৰ্ণ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ আৰু কাৰ্বি আংলং জিলা প্ৰশাসন তথা আৰক্ষীক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী সোণোৱালে সেই দিনাই বানত মৃত্যুহোৱা বোকাখাট মহকুমাৰ দুগৰাকী ব্যক্তি ক্ৰমে বাবু খেড়ীয়া আৰু সৰ্বেশ্বৰ দলেৰ নিকটাত্মীয়ৰ হাতত ৰাজ্য চৰকাৰে প্ৰদান কৰা ৪ লাখ টকাৰ এককালীন সাহায্যৰ চেকো প্ৰদান কৰে। উল্লেখযোগ্য যে শেহতীয়া বানত বোকাখাত মহকুমাৰ ৬৩ খন গাঁৱৰ প্ৰায় ৮০৪০০ গৰাকী লোক ক্ষতিগ্ৰস্ত হৈছে। এই বানত প্ৰায় ২১ হাজাৰ জীৱ-জন্তু আক্ৰান্ত হোৱাৰ লগতে ১৬১৬ হেক্টৰ ভূমিৰ শস্য বিনষ্ট হৈছে। মহকুমাটোত ২১ টা আশ্ৰয় শিবিৰ আৰু ৯৫ টা সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। আশ্ৰয় শিবিৰসমূহত ৪১২৭ গৰাকী লোকে আশ্ৰয় গ্ৰহণ কৰিছে। সাহায্য আৰু উদ্ধাৰ অভিযানৰ বাবে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ তিনিটা দল মোতায়েন কৰা হৈছে আৰু তেওঁলোকে ১৮৬ গৰাকী লোকক বানৰ কৱলৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। ❐❐



# কলাগুৰু বিষ্ণু ৰাভা সমাধিক্ষেত্ৰ সংৰক্ষণৰ লগতে আটকধুনীয়াকৈ নিৰ্মাণ কৰিব ৰাজ্য চৰকাৰে



## বিশিষ্ট চিত্ৰশিল্পী কন্দৰ্প নাথ শৰ্মা আৰু বিশিষ্ট নৃত্যশিল্পী ঝৰ্ণা শইকীয়াক ২০২০ বৰ্ষৰ সন্মানীয় বিষ্ণু ৰাভা বঁটা প্ৰদান

তেজপুৰত থকা কলাগুৰু বিষ্ণু ৰাভা সমাধিক্ষেত্ৰ সংৰক্ষণ কৰাৰ লগতে ইয়াক আটকধুনীয়াকৈ নিৰ্মাণ কৰিব ৰাজ্য চৰকাৰে। কলাগুৰুৰ আপুৰুগীয়া সম্পদৰাজি সংৰক্ষণৰ বাবেও এক সংগ্ৰহালয় নিৰ্মাণ কৰা হ'ব। যোৱা ২০ জুনত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত বিষ্ণু ৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই ঘোষণা কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে বিশিষ্ট চিত্ৰশিল্পী কন্দৰ্প নাথ শৰ্মা আৰু নৃত্যশিল্পী ঝৰ্ণা শইকীয়ালৈ ২০২০ বৰ্ষৰ বিষ্ণু ৰাভা বঁটা আগবঢ়ায়। উল্লেখ্য যে এই বঁটাত আছে এখন প্ৰশস্তিপত্ৰ, শৰাই, অংগবস্ত্ৰ আৰু ২ লাখ টকাৰ চেক। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ সাংস্কৃতিক জীৱনধাৰালৈ অমূল্য বৰঙনি আগবঢ়োৱা এইগৰাকী শিল্পীক আমাৰ নতুন প্ৰজন্মৰ মাজলৈ লৈ গৈ তেওঁৰ জীৱন দৰ্শন আৰু সৃষ্টিৰাজিৰ উপযুক্ত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আমি চেষ্টা কৰিব লাগিব। ৰাজ্যৰ সাংস্কৃতিক জীৱনক সমৃদ্ধ কৰাত বিষ্ণুপ্ৰসাদ ৰাভাই অতুলনীয় বৰঙনি আগবঢ়াই





গৈছে। সেয়েহে, ৰাজ্যৰ নতুন প্ৰজন্মই তেওঁৰ এই অৱদানৰ কথা জানিবই লাগিব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ সাংস্কৃতিক জীৱনৰ এইগৰাকী পুৰোধা ব্যক্তিৰ নামত উদ্‌যাপিত দিৱসটি মাথোঁ ৰাজ্যৰ ভিতৰতে সীমাবদ্ধ ৰখা উচিত নহয়। এই মনীষীগৰাকীৰ জীৱন আৰু কৰ্মৰ মহান আদৰ্শৰ বিষয়ে নৱ প্ৰজন্মক অৱগত কৰোৱাৰ ক্ষেত্ৰত প্ৰস্তাৱিত সংগ্ৰহালয়টোৱে এক মঞ্চৰ ৰূপত কাম কৰিব। তেওঁ কয় যে বিষ্ণু প্ৰসাদ ৰাভাই সদায়েই ঐক্য, সংহতি, বন্ধুত্ব আৰু সমন্বয়ৰ বাৰ্তা জনগণৰ মাজত প্ৰচাৰ কৰিছিল। সেয়েহে, নতুন প্ৰজন্মই তেওঁৰ এই মূল্যবোধৰ ভেটিত এখন সংস্কৃতিৱান সমাজ নিৰ্মাণৰ কামত ব্ৰতী হ'ব লাগিব। বিষ্ণু ৰাভা দিৱসৰ দৰে অনুষ্ঠানৰ আয়োজনে এই মহান শিল্পীগৰাকীয়ে দেখুৱাই যোৱা পথ অনুসৰণ কৰি নৱ প্ৰজন্মৰ মাজত এক ইতিবাচক মানসিকতাৰ জন্ম দিবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চাওলুং চ্যুকাফা, স্বামী বিবেকানন্দ আদিৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই মহাপুৰুষসকলৰ আদৰ্শ আৰু শিক্ষাই মানৱ জাতিক এক বিশ্বজনীন শিক্ষা প্ৰদান কৰিছে আৰু মানৱ জাতিক শক্তিশালী কৰাত একতাৰ ভূমিকাৰ বিষয়ে উপলব্ধি কৰাইছে। সেয়েহে এখন শক্তিশালী সমাজ নিৰ্মাণৰ বাবে আমি তেওঁলোকৰ আদৰ্শৰে অনুপ্ৰাণিত হ'ব লাগিব। সমাজত গণতান্ত্ৰিক প্ৰমূল্যবোধ শক্তিশালীভাৱে প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জনসাধাৰণে সহায়ৰ হাত আগবঢ়াব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বঁটা প্ৰাপক বিশিষ্ট চিত্ৰশিল্পী কন্দৰ্প নাথ শৰ্মা আৰু নৃত্যশিল্পী ঝৰ্ণা শইকীয়াক ধন্যবাদ জ্ঞাপন কৰি ৰাজ্যখনৰ সামাজিক-সাংস্কৃতিক জীৱনধাৰাক অধিক শক্তিশালী কৰাৰ বাবে কাম কৰি যাবলৈ মুখ্যমন্ত্ৰীয়ে তেওঁলোকক আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে ৰাজ্যখনৰ সাংস্কৃতিক জীৱনলৈ এইগৰাকী শিল্পীয়ে অমূল্য বৰঙনি আগবঢ়াই গৈছে। বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু ফণী শৰ্মাক ত্ৰিমূৰ্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে এই তিনিওগৰাকী শিল্পীয়ে সাংস্কৃতিক প্ৰমূল্যবোধেৰে অসমৰ জনসাধাৰণক জীৱনৰ মন্ত্ৰ প্ৰদান কৰি গৈছে। এই তিনি মনীষীয়ে সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ পৰা সমল সংগ্ৰহ কৰি আমাৰ সাংস্কৃতিক জীৱনধাৰাক জীপাল কৰাই নহয়, বৰ্ণাঢ্য ৰূপত সজাই তুলিছিল। এই তিনিওগৰাকী মহান শিল্পীৰ লগতে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই সমাজৰ অপ-সংস্কৃতিসমূহ মষিমূৰ কৰি সমাজখনক শুদ্ধ পথৰ সন্ধান দিছে। এইসকলৰ সৃষ্টিশীল চেতনাই সমাজ জীৱনক নতুন ৰূপেৰে মহীয়ান কৰিছে। আনকি, ক'ভিড-১৯ এ সমাজ জীৱন দুৰ্বিসহ কৰাৰ সময়তো, এই শিল্পীসকলৰ সৃষ্টিৰাজিয়ে আমাক প্ৰেৰণা আৰু উৎসাহ যোগাইছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে লগতে এই শিল্পীসকলে আমাৰ সমাজত শান্তি আৰু সম্প্ৰীতিৰ বাতাৱৰণ শক্তিশালী কৰাৰ দিশত বিশিষ্ট বৰঙনি যোগাই গৈছে বুলিও কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেই বিষ্ণু ৰাভাক আমাৰ সাংস্কৃতিক জীৱনৰ একতাৰ প্ৰতিভূ বুলি অভিহিত কৰে। বিষ্ণু ৰাভাক এগৰাকী বহুমুখী প্ৰতিভাৰ আকৰ বুলি উল্লেখ কৰি আমাৰ সাংস্কৃতিক জীৱন টনকিয়াল কৰাৰ দিশত এইগৰাকী ব্যক্তিয়ে অসামান্য অৱদান আগবঢ়াই গৈছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। এই অনুষ্ঠানত বিষ্ণু ৰাভা বঁটাপ্ৰাপক শিল্পীদুগৰাকীয়েও কলাগুৰু বিষ্ণুৰাভাৰ নামত অসম চৰকাৰে প্ৰদান কৰা বঁটা লাভ কৰি পোৱা আনন্দৰ অৱলোকনেৰে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়ক ঋতুপৰ্ণ বৰুৱা, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক বিষ্ণুকমল বৰায়ো বিষ্ণু ৰাভাৰ জীৱনৰ বিভিন্ন দিশ আলোকপাতেৰে বক্তব্য আগবঢ়ায়।

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত আয়োজন কৰা ৰাভা দিৱসৰ এই কাৰ্যসূচীত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়কসকল ক্ৰমে বিনোদ হাজৰিকা, নৰেন সোণোৱাল, কুশল দুৱৰী, তেৰচ গোৱালা, চক্ৰধৰ গগৈ, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দীপু ৰঞ্জন মাক্ৰাৰী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। ❐❐



## ১.৫ কোটি টকা ব্যয়েৰে নটসূৰ্যৰ সমাধিক্ষেত্ৰ সংৰক্ষণ কৰিব ৰাজ্য চৰকাৰে



# নাট্যশিল্পী ঐশ্বৰ্য কাকতি, ভৱেশ বৰুৱাক নটসূৰ্য ফণী শৰ্মা বঁটা-২০২০ প্ৰদান মুখ্যমন্ত্ৰীৰ

- জ্যোতি-বিষ্ণু-নটসূৰ্য-সুধাকণ্ঠৰ স্মৃতি সংৰক্ষণৰ লক্ষ্যৰে তেজপুৰত নিৰ্মাণ হ'ব বিজ্ঞানসন্মত সংগ্ৰহালয়
- ২.২০ কোটি টকা ব্যয় সাপেক্ষ 'ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰ প্ৰকল্প'ৰ আধাৰশিলা স্থাপন

২০২০ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা যোৱা ৩১ জুলাইত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যৰ নাট্য জগতৰ দুগৰাকী যশস্বী শিল্পী ক্ৰমে ঐশ্বৰ্য কাকতি আৰু ভৱেশ বৰুৱাক প্ৰদান কৰে। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত ঐতিহাসিক তেজপুৰৰ বাণ থিয়েটাৰত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই বঁটা প্ৰদান কৰে । এই বঁটাত আছে এখন শৰাই, এখন প্ৰশস্তি পত্ৰ, মানবস্ত্ৰ আৰু ২ লাখ টকাৰ চেক। এই বঁটা প্ৰদান অনুষ্ঠান উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে ঘোষণা কৰে যে অসম চৰকাৰে 'মহানগৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্প'ৰ অধীনত ১.৫ কোটি টকা ব্যয়েৰে নটসূৰ্য ফণী শৰ্মাৰ সমাধিক্ষেত্ৰ সংৰক্ষণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী সোণোৱালে লগতে ঘোষণা কৰে যে অসম চৰকাৰে ৰাজ্যখনৰ গৌৰৱ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মা আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতিত তেজপুৰত বিজ্ঞানসন্মতভাৱে এটা সংগ্ৰহালয় নিৰ্মাণ কৰিব। এই বঁটা প্ৰদান অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰী সোণোৱালে নটসূৰ্যৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ২.২০ কোটি টকা ব্যয়েৰে পুনৰ নবীকৰণ কৰিবলগীয়া 'ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰ প্ৰকল্প'ৰ আধাৰশিলাও স্থাপন কৰে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যখনৰ সৰু-বৰ জাতি-জনগোষ্ঠীসমূহক লগত লৈ ৰাজ্য চৰকাৰে অসমৰ সমাজ জীৱনৰ স্বাভিমান বৃদ্ধি কৰাৰ বাবে প্ৰয়াস কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ পূৰ্বপুৰুষে প্ৰতিষ্ঠা কৰা সমাজখন ৰাজ্যবাসীয়ে আৱিষ্কাৰ কৰিব লাগিব। ৰাজ্যৰ মহান মনীষীসকলৰ কৰ্মৰাজিৰ সৈতে তেওঁলোকক পৰিচয় কৰাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অতীতক বাদ দি ভৱিষ্যতৰ কোনো সপোন দেখিব নোৱাৰি বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে চৰকাৰ গঠনৰ তিনি মাহ পিছতে

বৰ্তমানৰ অসম চৰকাৰে সহোদৰ কাৰ্যসূচী আয়োজন কৰিছিল। ইয়াৰ লক্ষ্য আছিল ৰাজ্যৰ সকলো জাতি-জনগোষ্ঠীক একেখন মঞ্চতে থিয় কৰোৱা। ৰাজ্যৰ যিবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠী আছে তেওঁলোকৰ হৃদয়ৰ ভাষা বুজি উঠা। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ হৃদয়ৰ আৰ্তনাদ শুনিব লাগিব তেতিয়াহে সমন্বয়ৰ অসম নিৰ্মাণ হ'ব। ৰাজ্যৰ মহান শিল্পীসকলে সেই সমন্বয়ৰ বাৰ্তা দি গৈছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে উল্লেখ কৰি ঐতিহাসিক বাণ থিয়েটাৰক সমন্বয়ৰ প্ৰতীক বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীয়ে শিল্পীসকলকো ঈশ্বৰৰ বাণী কঢ়িওৱা দূত বুলি উল্লেখ কৰে। বিজ্ঞান প্ৰযুক্তিয়ে মানৱ জাতিক বহু দিছে এই মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মানৱ সমাজখনে কিন্তু প্ৰকৃতাৰ্থত নিজকে মানুহ হিচাপে গঢ়ি তুলিবলৈ এতিয়াও বহু বাকী আছে। সমাজৰ বহু লোক অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ কৰাল গ্ৰাসত ডুব গৈ আছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সামাজিক ব্যাধিৰ পৰা সমাজখনক মুক্ত কৰিব লাগিব। কৰ্ম সংস্কৃতিৰ জৰিয়তেহে অৰ্থনীতিৰ বুনিয়াদ টনকিয়াল কৰিব পাৰি। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সংস্কৃতিৱান মন থাকিলেহে অৰ্থনীতি গঢ়িব পাৰি। জুবিন গাৰ্গৰ দৰে জনপ্ৰিয় কণ্ঠশিল্পীয়েও কৃষি কৰ্মত আত্মনিয়োগ কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰাৰ কথা ব্যক্ত কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এয়া অত্যন্ত আশাপ্ৰদ দিশ। শেহতীয়াকৈ শিল্পীগৰাকীয়ে তেওঁক লগ ধৰি এই আশা প্ৰকাশ কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে উঠি অহা যুৱচামে কৃষি কৰ্মৰ প্ৰতি নিজৰ ধাউতি বৃদ্ধি কৰিব লাগিব। কৃষিকৰ্ম এক আদৰ্শ আৰু সন্মানীয় বৃত্তি হিচাপেও গঢ়ি তুলিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী নৱ কুমাৰ দলে কয় যে অসম চৰকাৰে শিল্পী আৰু শিল্পক উচিত মৰ্যাদা দিবৰ বাবে পদক্ষেপ লৈছে। ঐতিহাসিক বাণ থিয়েটাৰক অত্যাধুনিক ৰূপত সজাই তোলাৰ বাবে ২.২০ কোটি টকাৰ এক প্ৰকল্প ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে বুলিও কয়। ইয়াৰ উপৰি মাজুলীত সাংস্কৃতিক বিশ্ববিদ্যালয়, জামুগুৰিহাটত বাৰেচহৰীয়া ভাওনা প্ৰকল্পকে ধৰি একাধিক পদক্ষেপ গ্ৰহণ কৰিছে। অসম চৰকাৰে শিল্পী পেঞ্চনাৰৰ সংখ্যা ৮৫ লৈ বৃদ্ধি কৰাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে অসমৰ ২ হাজাৰ শিল্পী, কলা-কুশলীক ৫০ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদানৰ বাবে পদক্ষেপ গ্ৰহণ কৰি বাছনি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে। লকডাউনৰ সময়ছোৱাত ৰাজ্যৰ লোক শিল্পীসকললৈ ২ হাজাৰ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱাৰ কথাও তেওঁ উল্লেখ কৰে।

নটসূৰ্য ফণী শৰ্মা বঁটাপ্ৰাপক বিশিষ্ট নাট্যশিল্পী ঐশ্বৰ্য কাকতি আৰু ভৰেশ বৰুৱাই অনুষ্ঠানত বক্তব্য প্ৰদান কৰি নিজস্ব অভিজ্ঞতা প্ৰকাশ কৰে। নাট্যকাৰ-অভিনেতা এশ্বৰ্য কাকতিয়ে কয় যে শিল্পীয়ে আত্মাৰ খাদ্য প্ৰস্তুত কৰে আৰু শিল্পীসকলৰ সৃষ্টিয়ে মানৱ জাতিক সুখৰ সন্ধান দিয়ে। বাণ থিয়েটাৰৰ মাধ্যমেদি নিজৰ নাট্য জীৱন আৰম্ভ কৰা নাট্যশিল্পীগৰাকীয়ে তেওঁৰ এই বঁটা বাণ থিয়েটাৰৰ নামত উৎসৰ্গা কৰে। আনহাতে ভ্ৰাম্যমাণ আৰু কথাছবিৰ জনপ্ৰিয় অভিনেতা ভৰেশ বৰুৱাই তেওঁৰ অভিনয় জীৱনত মূল চলিকা শক্তিৰূপে কাম কৰা কেইবাগৰাকীও প্ৰযোজক, পৰিচালক আৰু অভিনেতাৰ প্ৰতি নিজৰ কৃতজ্ঞতা ব্যক্ত কৰে। তেওঁ এই বঁটা ভ্ৰাম্যমাণ থিয়েটাৰৰ নামত উৎসৰ্গা কৰে।

সামাজিক ব্যৱধান মানি চলি আয়োজন কৰা এই অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক বিষ্ণু কমল বৰাই। এই অনুষ্ঠানত তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাস আৰু তেজপুৰ সমষ্টিৰ বিধায়ক বৃন্দাৱন গোস্বামীয়েও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিধায়কসকল ক্ৰমে পদ্ম হাজৰিকা, অশোক সিংঘাল, গণেশ লিম্বু, প্ৰমোদ বৰঠাকুৰ আৰু ৰূপক শৰ্মা, অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ অধ্যক্ষ দিগন্ত ঘাটোৱাৰ, অসম ৰাজ্যিক বীজ নিগমৰ অধ্যক্ষ প্ৰবীণ হাজৰিকা, এমট্ৰনৰ উপাধ্যক্ষ ঋতুবৰণ শৰ্মা, শোণিতপুৰ জিলাৰ উপায়ুক্ত মানৱেন্দ্ৰ প্ৰতাপ সিং, নটসূৰ্য ফণী শৰ্মাৰ জ্যেষ্ঠ পুত্ৰ অজিৎ শৰ্মা প্ৰমুখ্যে তেজপুৰৰ কেতবোৰ সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়াৰ লগতে নিৰ্দিষ্ট সংখ্যক ব্যক্তি উপস্থিত থাকে। □□



# জাগীৰোড আৰু লাহৰিঘাট সমষ্টিৰ সীমামূৰীয়া ৭.৫ কিঃমিঃ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰিব ৰাজ্য চৰকাৰে



## মৰিগাঁও জিলাৰ মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত বান প্ৰভাৱিত অঞ্চল পৰিদৰ্শন

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১৯ জুলাইত মৰিগাঁও জিলাৰ মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত বান প্ৰভাৱিত অঞ্চলসমূহ পৰিদৰ্শন কৰে। এখন যন্ত্ৰচালিত নাৱেৰে মুখ্যমন্ত্ৰী সোণোৱালে জিলাখনৰ বান প্ৰভাৱিত এই বৃহৎ এলেকা পৰ্যবেক্ষণ কৰে। মুখ্যমন্ত্ৰীয়ে জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত মদনাবড়ী গাঁৱত নাৱেৰে গৈ উপস্থিত হৈ বানাক্ৰান্ত লোকৰ অৱস্থাৰো বুজ লয়। মদনাবড়ী গাঁৱৰ প্ৰায় ২০০ টা পৰিয়ালে আশ্ৰয় লৈ থকা স্থানত উপস্থিত হৈ মুখ্যমন্ত্ৰী সোণোৱালে বানাক্ৰান্তসকলৰ সৈতে মত বিনিময় কৰে। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা খাদ্য বস্তুকে ধৰি চিকিৎসা সেৱা তথা আন সা-সুবিধাসমূহৰো মুখ্যমন্ত্ৰীয়ে বুজ লয়। উল্লেখ্য যে মদনাবড়ী গাঁৱৰ এই হাইলেণ্ডত আশ্ৰয় লৈ থকা পৰিয়ালসমূহক জিলা প্ৰশাসনৰ তৰফৰ পৰা ত্ৰিপাল, খাদ্য বস্তু আদিৰ লগতে চিকিৎসা সেৱা আগবঢ়োৱা হৈছে। তদুপৰি, পশু চিকিৎসাৰ ব্যৱস্থাও এই স্থানত জিলা প্ৰশাসনে কৰিছে। মুখ্যমন্ত্ৰী সোণোৱালে মদনাবড়ীত উপস্থিত হোৱাৰ পূৰ্বে ৰাজহ চক্ৰটোৰ অন্তৰ্গত ঝাৰগাঁৱত বানত নিহত হোৱা ব্যক্তিৰ নিকটাত্মীয়লৈ ৰাজ্য চৰকাৰে ৪ লাখ টকাকৈ আগবঢ়োৱা এককালীন আৰ্থিক সাহায্যৰ চেকো প্ৰদান কৰে। বান প্ৰভাৱিত অঞ্চলসমূহ পৰিদৰ্শন কৰি সাংবাদিকৰ সৈতে হোৱা মত বিনিময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সম্প্ৰতি ৰাজ্যবাসীয়ে বান, গৰাখহনীয়া, ভূমিস্খলন আৰু ক'ভিড-১৯ ৰ বিৰুদ্ধে একে সময়তে যুঁজ দিবলগীয়া হৈছে। বানাক্ৰান্ত ৰাইজৰ বাবে সাহায্য, চিকিৎসা সেৱা তথা উদ্ধাৰ কাৰ্যকে ধৰি সকলো প্ৰকাৰৰ সেৱা ৰাজ্য চৰকাৰে







নিষ্ঠাৰে আগবঢ়াইছে। এই দুৰ্যোগপূৰ্ণ সময়ত ৰাজ্যবাসীয়ে প্ৰদৰ্শন কৰা ধৈৰ্য আৰু সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীয়ে বানাক্ৰান্ত লোকসকলক ধন্যবাদ জনায়। মৰিগাঁও জিলাৰ জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত আটাইকেইটা মথাউৰিৰ নিৰ্মাণকাৰ্য জলসম্পদ বিভাগে ইতিপূৰ্বেই সম্পূৰ্ণ কৰি তোলাৰ কথা মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ তৰফৰ পৰা পূৰ্বে নিৰ্মাণ কৰা তথা বৰ্তমানে জৰাজীৰ্ণ ৰূপ লোৱা জাগীৰোড বিধানসভা সমষ্টি আৰু লাহৰিঘাট বিধানসভা সমষ্টিৰ সীমামূৰীয়া ৭.৫ কিঃমিঃ দৈৰ্ঘৰ এটা মথাউৰি আগন্তুক দিনত ৰাজ্য চৰকাৰে পুনৰ্নিৰ্মাণ কৰিব। এই মথাউৰিটো নিৰ্মাণ হৈ উঠিলে বহু হাজাৰ লোক বানৰ পৰা সুৰক্ষিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। সেইদৰে জলসম্পদ বিভাগে ২৮ কোটি টকা ব্যয় সাপেক্ষে জিলাখনত নিৰ্মাণ কাৰ্য চলাই থকা দুখন আঁচনি ক্ৰমে মিকিৰ গাঁও কাঠনি আৰু কাঠনিৰ পৰা পলাশগুৰি মথাউৰি নিৰ্মাণ শীঘ্ৰে সম্পূৰ্ণ হৈ উঠিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। শেহতীয়াকৈ ৰাজ্যখনে সন্মুখীন হোৱা এই সংকটপূৰ্ণ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যবাসীৰ প্ৰতি প্ৰদৰ্শন কৰা সহমৰ্মিতা আৰু সহযোগিতাৰ কথাও মুখ্যমন্ত্ৰী সোণোৱালে সাংবাদিকৰ আগত ব্যক্ত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু ড'নাৰ মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কে নিয়মীয়াকৈ বুজ লৈ আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টেলিফোনযোগে মুখ্যমন্ত্ৰীৰ সৈতে বাৰ্তালাপ কৰি ৰাজ্যখনৰ শেহতীয়া বান, গৰাখহনীয়া, ভূমিস্খলন, ক'ভিড আৰু বাঘজানৰ গেছ কূপৰ অগ্নিনিৰ্বাপনৰ বিষয়ে বুজ লয় বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ উপৰি আজি লোকসভাৰ অধ্যক্ষ ওম বিৰলায়ো ফোনযোগে বাৰ্তালাপ কৰি ৰাজ্যৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ কথা মুখ্যমন্ত্ৰী সোণোৱালে সাংবাদিকক জনায়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে উল্লেখ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে নিটি আয়োগৰ উপাধ্যক্ষৰ নেতৃত্বত ৰাজ্যৰ বান, গৰাখহনীয়া অধ্যয়ন কৰিবৰ বাবে এখন উচ্চস্তৰীয় কমিটী গঠন কৰিছে। এই কমিটীখনৰ পৰামৰ্শৱলীসমূহে ৰাজ্যৰ বান, গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধান অনাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি মুখ্যমন্ত্ৰীয়ে মত ব্যক্ত কৰে। সম্প্ৰতি ক'ভিড-১৯ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী সোণোৱালে জনসাধাৰণক সামাজিক দূৰত্ব মানি চলাৰ লগতে মাস্ক পৰিধান কৰা আৰু সঘনাই হাত ধোৱাৰ নীতি নিষ্ঠাৰে পালন কৰি যাবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ ৰ পৰীক্ষা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ক'ভিড পজিটিভ লোকৰ সংখ্যা বৃদ্ধি হৈছে। কিন্তু ইয়াৰ বাবে জনসাধাৰণ আতংকিত হ'ব নালাগে। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীক ক'ভিড-১৯ ৰ সংক্ৰমণৰ পৰা ৰক্ষা পাবলৈ স্বাস্থ্য বিভাগে নিৰ্দ্ধাৰণ কৰি দিয়া নীতি-নিয়মসমূহ দায়ৱদ্ধতাৰে মানি চলিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী সোণোৱালৰ বান পৰিস্থিতি পৰিদৰ্শনৰ সময়ত জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী তথা জাগীৰোড সমিষ্টৰ বিধায়ক পীযূষ হাজৰিকা, মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী তথা মৰিগাঁও জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকো উপস্থিত থাকে। ❑❑



## বৃহত্তৰ অসমীয়া সমাজখনৰ লগত চাহ জনগোষ্ঠীয় সমাজখনৰ সেতু বান্ধোতা আছিল দুয়োগৰাকী প্ৰয়াত নেতা ঃ মুখ্যমন্ত্ৰী



# ডিব্ৰুগড়ত চাইমন সিং হ'ৰ আৰু সন্তোষ কুমাৰ তপ্ন'ৰ প্ৰতিমূৰ্তি উদ্বোধন


'বৃহত্তৰ অসমীয়া সমাজখনৰ লগত চাহ জনগোষ্ঠীয় সমাজখনৰ সেতু বান্ধোতা আছিল প্ৰয়াত চাইমন সিং হ'ৰ আৰু সন্তোষ কুমাৰ তপ্ন'। এই দুই মহান ব্যক্তিয়ে ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলৰ আৰ্থ-সামাজিক বিকাশৰ বাবে অহোপুৰুষাৰ্থ কৰি গৈছে। অসমৰ জাতীয় জীৱনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰতো এই দুগৰাকী ব্যক্তিয়ে উল্লেখযোগ্য অৰিহণা আগবঢ়াই গৈছে।' যোৱা ১৪ জুলাইত ডিব্ৰুগড় জিলাৰ লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত চাউলখোৱাস্থিত চাহ জনজাতি সাংস্কৃতিক কেন্দ্ৰ চৌহদত চাহ জনগোষ্ঠীৰ পুৰোধা ব্যক্তি তথা অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক চাইমন সিং হ'ৰ আৰু সন্তোষ কুমাৰ তপ্ন'ৰ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে উন্মোচন কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে লগতে এই সাংস্কৃতিক কেন্দ্ৰ চৌহদত নিৰ্মিত চাইমন সিং হ'ৰ-সন্তোষ কুমাৰ তপ্ন' স্মৃতি উদ্যান আৰু প্ৰেক্ষাগৃহ দৃশ্যভূমিও আনুষ্ঠানিকভাৱে উন্মোচন কৰে। উল্লেখযোগ্য যে ২০১৭-১৮ বৰ্ষৰ আনটাইড পুঁজিৰ অধীনত ১ কোটি টকা ব্যয়ৰে এই আঁচনি ৰূপায়ণ কৰা হৈছে। প্ৰতিমূৰ্তি দুটা নিৰ্মাণ কৰি উলিয়াইছে চাহ জনগোষ্ঠীৰ উদীয়মান চিত্ৰ-ভাস্কৰ্যশিল্পী তথা জনসংযোগ বিভাগৰ শিল্পী পদৰীত কৰ্মৰত শিৱপ্ৰসাদ মাৰাৱে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কুৰি শতিকাৰ প্ৰথমাৰ্ধৰ সামাজিক-সাংস্কৃতিক বাতাৱৰণৰ লগত আজি ২০২০ চনৰ সমাজখনৰ আকাশ-পাতাল পাৰ্থক্য আছে। অন্ধবিশ্বাসে গ্ৰাস কৰা সেই সময়ৰ সমাজখনক শিক্ষাৰ জ্যোতিৰে উদ্ভাসিত কৰি আগবঢ়াই লৈ যোৱাৰ বাবে প্ৰয়াত চাইমন সিং হ'ৰ আৰু সন্তোষ কুমাৰ তপ্ন'ই যি অৰিহণা আগবঢ়াই গৈছে তাৰ বাবে এই দুগৰাকী ব্যক্তি অসমীয়া জাতীয় জীৱনত সদায়ে নমস্য ব্যক্তি হিচাপে পৰিগণিত হৈ থাকিব। ভাল কাম যুগে যুগে অমৰ হৈ থাকে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই দুই ব্যক্তিৰ প্ৰতিমূৰ্তিয়ে তেওঁলোকৰ জীৱন সংগ্ৰামৰ লগতে জাতিটোক সবল কৰাৰ বাবে তেওঁলোকে গ্ৰহণ কৰা ভূমিকাৰ কথা আমাক সদায়ে সোঁৱৰাই থাকিব। এই মনীষীসকলৰ আদৰ্শ আমাৰ কৰ্মপথাৰত প্ৰতিফলিত

করিব লাগিব। উন্মোচিত এই স্মৃতি উদ্যানখন পৰিচালনাৰ দায়িত্ব বহন কৰিবলৈ জিলা প্ৰশাসনক আহ্বান জনোৱাৰ লগতে এই চৌহদত এটা পুথিভঁৰাল স্থাপনৰ উদ্যোগ ল'বলৈও মুখ্যমন্ত্ৰীয়ে প্ৰশাসনক আহ্বান জনায়। এই পুথিভঁৰাল স্থাপনৰ বাবে মুখ্যমন্ত্ৰীৰ আনটাইড পুঁজিৰ পৰা প্ৰয়োজনীয় আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব বুলি তেওঁ ঘোষণা কৰে। প্ৰয়াত চাইমন সিং হ'ৰ আৰু সন্তোষ কুমাৰ তপ্ন'ৰ জীৱন আৰু কৰ্মৰাজিক প্ৰতিফলিত কৰি তেওঁলোকৰ একোখনকৈ জীৱনী গ্ৰন্থ প্ৰস্তুত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে সাংসদ কামাখ্যাপ্ৰসাদ তাছা প্ৰমুখ্যে জনগোষ্ঠীটোৰ বিদ্বৎ ব্যক্তিসকলক আহ্বান জনায়। চাহ জনগোষ্ঠীয় সমাজখনক সকলো দিশতে আগবঢ়াই নিয়াৰ বাবে অসম চাহ জনজাতি ছাত্ৰ সন্থা, আদিবাসী ছাত্ৰ সন্থা আৰু অসম চাহ মজদুৰ সংঘই গ্ৰহণ কৰি অহা পদক্ষেপসমূহৰ শলাগ লোৱাৰ লগতে ৰাজ্য চৰকাৰৰ জনমুখী আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে চৰকাৰৰ প্ৰতি সহযোগিতা আগবঢ়াবলৈও মুখ্যমন্ত্ৰীয়ে এই সংগঠনকেইটাৰ বিষয়ববীয়াসকলক আহ্বান জনায়। অনুষ্ঠানত জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, কেন্দ্ৰীয় চৰকাৰৰ খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, অসম চৰকাৰৰ চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদ পল্লৱ লোচন দাস, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, অসম চাহ মজদুৰ সংঘৰ সভাপতি তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, স্থানীয় বিধায়ক ঋতুপৰ্ণ বৰুৱা আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলেও বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ডিব্ৰুগড়, দুলীয়াজান, মৰাণ, টিংখং আৰু চাবুৱা সমষ্টিৰ বিধায়কসকল, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপু ৰঞ্জন মাক্ৰাৰী, ৰাজ্য চৰকাৰৰ কেইবাটাও নিগম-নিকায়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষসকল, বিশিষ্ট সমাজ সেৱক প্ৰহ্লাদ গোৱালা, অসম চাহ জনজাতি ছাত্ৰ সন্থা, আদবাসী ছাত্ৰ সন্থা, অসম চাহ মজদুৰ সংঘ, মৰাণ ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল তথা প্ৰাক্তন সভাপতি-সম্পাদকসকল, চাহ জনগোষ্ঠীৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি আৰু জিলা উপায়ুক্ত পল্লৱ গোপাল ঝাকে ধৰি উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানত প্ৰয়াত চাইমন সিং হ'ৰ আৰু সন্তোষ কুমাৰ তপ্ন'ৰ পৰিয়ালৰ সদস্যসকলো উপস্থিত থাকে। ❐❐



# আধ্যাত্মিক গুৰু দালাই লামাক কৃতজ্ঞতা জনালে মুখ্যমন্ত্ৰীয়ে



ৰাজ্যখনে সম্প্ৰতি সন্মুখীন হোৱা প্ৰলয়ংকৰী বানৰ সময়ত আধ্যাত্মিক গুৰু দালাই লামাই ৰাজ্যবাসীৰ প্ৰতি টুইট যোগে সহমৰ্মিতা আৰু একাত্মবোধ প্ৰকাশ কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ধৰ্মীয় গুৰুগৰাকীৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰে। এক বিবৃতিযোগে মুখ্যমন্ত্ৰীয়ে কয় যে আধ্যাত্মিক গুৰুগৰাকীয়ে ৰাজ্যখনৰ বিপদ কালত অসমবাসীৰ প্ৰতি প্ৰকাশ কৰা সহমৰ্মিতা আৰু একাত্মবোধে এই জটিল পৰিস্থিতিৰ বিৰুদ্ধে যুঁজ দি যাবলৈ সকলোৰে মনত সাহস যোগাব। বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ প্ৰতি সহমৰ্মিতা আৰু একাত্মবোধ প্ৰকাশ কৰাৰ বাবে চতুৰ্দশ আধ্যাত্মিক গুৰু দালাই লামাক অসমবাসীৰ হৈ মুখ্যমন্ত্ৰীয়ে কৃতজ্ঞতা জ্ঞাপন কৰে। ❐❐

# এইম্‌ছ নিৰ্মাণ হৈ উঠিলে দক্ষিণ-পূব এছিয়াৰ মেডিকেল হাব হ'ব অসম ঃ চাংসাৰিৰ নিৰ্মাণক্ষেত্ৰত মুখ্যমন্ত্ৰী



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১২ জুলাইত কামৰূপ জিলাৰ চাংসাৰিত নিৰ্মাণৰত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইম্‌ছ) ৰ নিৰ্মাণক্ষেত্ৰ পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। আনহাতে, এই প্ৰতিষ্ঠান নিৰ্মাণৰ সৈতে জড়িত থকা নিৰ্মাণ ফাৰ্মৰ বিষয়ববীয়াৰ সৈতেও এক আলোচনাত মিলিত হয়। বৈঠকত এইম্‌ছ নিৰ্মাণৰ লগত জড়িত থকা নিৰ্মাণ ফাৰ্মটোৰ বিষয়ববীয়াসকলে কয় যে এই প্ৰতিষ্ঠানৰ নিৰ্মাণ কাৰ্য সন্তোষজনকভাৱে চলি আছে আৰু প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্য নিৰ্ধাৰিত সময় অনুসৰি ২০২১ চনৰ জুন মাহত সম্পূৰ্ণ হৈ উঠিব। আনহাতে, দ্বিতীয় পৰ্যায়ৰ কাম ২০২২ চনৰ জুন মাহৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলিও মুখ্যমন্ত্ৰীক অৱগত কৰে। বিষয়ববীয়াসকলে লগতে কয় যে ক'ভিড-১৯ ৰ বাবে যি লক্‌ডাউন ঘোষণা কৰা হৈছিল তাৰ ফলত ইয়াৰ নিৰ্মাণৰ লগত জড়িত ৰাজ্যৰ বাহিৰৰ দক্ষ শ্ৰমিকসকলে নিজৰ নিজৰ ঠাইলৈ উভতি গৈছে। মুখ্যমন্ত্ৰীয়ে নিৰ্মাণকাৰ্যৰ বাবে প্ৰয়োজনীয় শ্ৰমিক ৰাজ্যৰ ভিতৰৰ লোকক নিয়োগ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ অতিমাৰীৰ বাবে দেশৰ ভিন্ন প্ৰান্তৰ পৰা উভতি অহা ৰাজ্যৰ যুৱকসকলক নিৰ্মাণ কাৰ্যত জড়িত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে এইম্‌ছৰ নিৰ্মাণৰ কামত সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ গড়কাপ্তানী, জনস্বাস্থ্য কাৰিকৰী, এপিডিচিএল ইত্যাদি বিভাগসমূহকো নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বৈঠকত পাৰাৰ ছাব ষ্টেচন, ওচৰৰ পাহাৰৰ পৰা নামি অহা পানী উলিয়াই পঠিওৱাৰ বাবে নলা-নৰ্দমাৰ ব্যৱস্থা, খোৱাপানীৰ ব্যৱস্থা, জৰুৰীকালীন ব্যৱস্থা যেনে এইম্‌ছ চৌহদত অগ্নি নিৰ্বাপনৰ ব্যৱস্থা ইত্যাদি বিষয়সমূহ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে অগ্নি নিৰ্বাপনৰ লেখীয়া জৰুৰীকালীন বিষয়সমূহৰ বাবে এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এইম্‌ছ চৌহদৰ চৌপাশে থকা প্ৰাকৃতিক সৌন্দৰ্যবৰ্ধনৰ বিষয়টোত আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিষয়াসকলক এইম্‌ছৰ চৌহদ এনেভাৱে নিৰ্মাণ কৰিবলৈ কয় যাতে এই প্ৰতিষ্ঠানটোৱে পৰ্যটকক আকৰ্ষণ কৰিব পাৰে। উল্লেখ্য যে মুঠ ১২০০ কোটি টকাৰ এই প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৭৫৭ কোটি টকা মুকলি কৰি দিছে। ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু তদানীন্তন কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাক অসমত এইম্‌ছৰ দৰে এটা সন্মানীয় প্ৰতিষ্ঠান স্থাপনত অনুমোদন জনোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এইম্‌ছৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠিলে অকল উত্তৰ-পূৰ্বাঞ্চলে নহয়, সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ মেডিকাল হাব হিচাপে অসম পৰিগণিত হ'ব। মুখ্যমন্ত্ৰীয়ে এইম্‌ছৰ নিৰ্মাণকাৰ্য সঘনাই নিৰীক্ষণ আৰু তদাৰক কৰি থকাৰ বাবে স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰশংসা কৰাৰ লগতে এই প্ৰতিষ্ঠানটোৰ নিৰ্মাণৰ ক্ষেত্ৰত সকলো ধৰণৰ সহায় আৰু সহযোগিতা আগবঢ়াই থকা বাবে চাংসাৰিৰ স্থানীয় জনসাধাৰণকো ধন্যবাদ জ্ঞাপন কৰে। এই ভ্ৰমণৰ সময়ত স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্ত্তিক এন, কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক পাৰ্থ সাৰথি মহন্ত উপস্থিত আছিল। □□

## শোণিতপুৰ জিলাত কৃষি আৰু আনুষংগিক খণ্ডৰ কেইবাটাও প্ৰকল্প পৰিদৰ্শন তথা শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে




# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোকে আত্মনিৰ্ভৰশীল কৰাৰ বাবে পদক্ষেপ লৈছে

- জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা প্ৰকল্পৰ আধাৰশিলা স্থাপন
- কন্যকা বহুমুখী পামে কৃষিখণ্ডত সফলতাৰ এক অনন্য দৃষ্টান্ত দাঙি ধৰিছে ঃ মুখ্যমন্ত্ৰী

কৃষি খণ্ডৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ সবল ভেটি গঢ়িবলৈ অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক বিশেষ মাত্ৰা প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১১ জুনত শোণিতপুৰ জিলাৰ চতিয়াত বিধায়ক পদ্ম হাজৰিকাৰ নেতৃত্বত গঢ় লৈ উঠা কন্যকা বহুমুখী পাম পৰিদৰ্শন কৰি ৰাজ্য চৰকাৰৰ জলসিঞ্চন বিভাগৰ দ্বাৰা ৰূপায়িত দুখন জলসিঞ্চন প্ৰকল্পৰ শুভ উদ্বোধন কৰে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰী সোণোৱালে মৎস্যপালকৰ মাজত মাছৰ পোনা বিতৰণ কৰাৰ লগতে পামখনত নিৰ্মাণ কৰা নৱনিৰ্মিত গোশালাও উদ্বোধন কৰে। আনহাতে, সেইদিনা পুৱাৰ ভাগত মুখ্যমন্ত্ৰী সোণোৱালে কন্যকা পামৰ অধীনত স্থানীয় উদ্যোগী যুৱকৰ জৰিয়তে কৃষি কৰ্মৰ বাবে সাজু কৰা চকীঘাটত উপস্থিত হৈ ট্ৰেক্টৰেৰে হাল বাই মাটি চহায়। প্ৰায় ৭০০ বিঘাৰ এই কৃষিভূমি ৰাজ্য চৰকাৰে বেদখলকাৰীৰ পৰা উচ্ছেদ কৰি কৃষি কৰ্মৰ বাবে আবণ্টন দিছে। সেইদিনা **১২৫**খন ট্ৰেক্টৰৰ জৰিয়তে এই কৃষি ভূমিত মাটি চহোৱা হয়। উল্লেখ্য যে মুখ্যমন্ত্ৰী সোণোৱালে সেইদিনা কন্যকা বহুমুখী পামত উদ্বোধন কৰা সৌৰশক্তি চালিত ভৰলী চাপৰি গভীৰ নলী-নাদ আঁচনিখন ৬০ লাখ টকা ব্যয় কৰি বিভাগৰ তেজপুৰ সংমণ্ডলৰ জৰিয়তে ৰূপায়ণ কৰা হৈছে। নদুৱাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ভৰলী চাপৰি গাঁৱৰ ২৫

হেক্টৰ মাটিকালি এই আঁচনিখনে উপকৃত কৰিব। মুখ্যমন্ত্ৰী সোণোৱালে পামখনত উদ্বোধন কৰা বৈদ্যুৎচালিত নলী-নাদ আঁচনিখন বিভাগৰ তেজপুৰ যান্ত্ৰিক সংমণ্ডলে ৰূপায়ণ কৰিছে। এই আঁচনিখনে ৪ হেক্টৰ কৃষিভূমিক উপকৃত কৰিব।

কন্যকা পাম পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী সোণোৱালে পামখনত ৰূপায়িত হৈ থকা বিভিন্ন কৃষি কৰ্মৰ প্ৰত্যক্ষভাৱে বুজ লোৱাৰ লগতে কৃষকসকলৰ লগতে সাংবাদিকৰ সৈতে মত বিনিময় কৰে। সাংবাদিকৰ সৈতে হোৱা মত বিনিময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে চতিয়া সমষ্টিৰ অন্তৰ্গত কন্যকা বহুমুখী পামে কৃষিখণ্ডত সফলতাৰ এক অনন্য দৃষ্টান্ত দাঙি ধৰিছে। পামখনে বৃহত্তৰ অঞ্চলটোৰ যুৱক-যুৱতীসকলক লৈ সফলতাৰ এক উৎকৃষ্ট নমুনা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। এই পামখনে কৃষিকাৰ্যত দেখুওৱা সফলতা অসমৰ নৱ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ থলী বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কন্যকা পামৰ উদ্যোগীসকলে দেখুওৱা সফলতাই এইক্ষেত্ৰত সকলোকে উৎসাহিত কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ৪ হাজাৰ যুৱক-যুৱতী তথা আত্মসহায়ক গোটক লৈ বিধায়ক পদ্ম হাজৰিকাই কন্যকাৰ জৰিয়তে প্ৰদান কৰা সবল তথা সফল নেতৃত্বৰ ভূয়সী প্ৰশংসা কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোকে আত্মনিৰ্ভৰশীল কৰাৰ বাবে পদক্ষেপ লৈছে। আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ বাবে সকলোকে নিষ্ঠাসহকাৰে আত্মনিয়োগ কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে আহ্বান জনাইছে। এই আদৰ্শৰে আমিও অসমক আত্মনিৰ্ভৰশীল কৰাৰ দিশত প্ৰয়াস চলাইছো। কৃষিখণ্ডৰ জৰিয়তেহে অসমক আত্মনিৰ্ভৰশীল কৰি তোলাটো সম্ভৱ বুলি মুখ্যমন্ত্ৰীয়ে কয়। উঠি অহা প্ৰজন্মই কৃষিত নিষ্ঠাসহকাৰে আত্মনিয়োগ কৰিলেহে অসমে আত্মনিৰ্ভৰশীল হ'ব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত থকা ৩৩ খন জিলাৰ যুৱক-যুৱতীসকলে যদিহে কন্যকাৰ লেখীয়াকৈ কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ ওপৰত গুৰুত্ব আৰোপ কৰে, তেতিয়া হ'লে অসমখন আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলি



মুখ্যমন্ত্ৰীয়ে কয়। নতুন নতুন উদ্ভাৱন শক্তিৰে আমি যদি বিভিন্ন খণ্ডত আত্মনিয়োগ কৰো, তেতিয়াহ'লে অসমখন ভাৰতৰ ভিতৰতে অৰ্থনৈতিকভাৱে এখন অন্যতম শক্তিশালী ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কয় যে অসমক প্ৰকৃতিয়ে সকলো উপহাৰ প্ৰদান কৰিছে। সেয়েহে কৃষিখণ্ডৰ জৰিয়তে অসমে ইয়াৰ উজ্জ্বল ভৱিষ্যত ৰচনা কৰিব লাগিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ নিবনুৱা যুৱক-যুৱতীসকলক কৃষিখণ্ডত আত্মনিয়োগ কৰাৰ বাবে আহ্বান জনায়। এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰৰ তৰফৰ পৰা বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ সুফল লাভ কৰাৰ বাবে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯সৃষ্ট লক-ডাউনৰ সময়ছোৱাত ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰসমূহৰ সম্ভাৱনীয়তাৰ বিষয়ে অৱগত হৈছে। এই সময়ছোৱাতে আত্মনিৰ্ভৰশীল তথা স্থানীয় বজাৰৰ চাহিদাৰ বিষয়ে ৰাজ্যখনে অভিজ্ঞতা লাভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে উঠি অহা প্ৰজন্মক কৃষিখণ্ডত আত্মনিয়োগ কৰি স্বনিৰ্ভৰশীল অসম গঢ়ি তোলাৰ দিশত ইতিবাচক





বৰঙনি যোগাৰাৰ বাবে আহ্বান জনায়। ব্ৰিটিছৰ আমোলত অসম ভাৰতৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত অন্যতম আছিল বুলি উল্লেখ কৰি কৃষি আৰু আনুষংগিক খণ্ডত যদি বৰ্তমানেও অধিক গুৰুত্ব প্ৰদান কৰা যায় তেতিয়াহ'লে অসমে এই হৃত গৌৰৱ ওভতাই পাবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ জৰিয়তে নিজৰ স্থানীয় বজাৰৰ উপৰি চুবুৰীয়া ৰাজ্যসমূহৰ বজাৰ অসমে দখল কৰিবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই ক্ষেত্ৰত কন্যকা বহুমুখী কৃষি পামে উজ্জ্বল উদাহৰণ দাঙি ধৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডত লাভ কৰা কৃষকসকলৰ সফলতাৰ কাহিনী উপযুক্ত প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰিবলৈ সংবাদসেৱীসকলক আহ্বান জনায়, যাতে এই সফলতাৰ কাহিনীৰ জৰিয়তে ৰাজ্যখনৰ উঠি অহা প্ৰজন্মই আৰু অধিক উৎসাহিত হ'ব পাৰে। আনহাতে সেইদিনা পুৱাৰ ভাগতে মুখ্যমন্ত্ৰী সোণোৱালে জিলাখনৰ চাৰিদুৱাৰ গড়মাৰা গাঁৱত উপস্থিত হৈ স্থানীয় আত্মসহায়ক গোট 'সেৱা'ই ৰূপায়ণ কৰা এখন পশুধন পাম পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী সোণোৱালে পামখন পৰিচালনা কৰা উদ্যোগী যুৱক তথা গড়মাৰা গাঁও পঞ্চায়তৰ সভাপতি চহান প্ৰধানৰ লগতে আন পশুপালকসকলৰ সৈতে মত বিনিময় কৰি পামখনৰ কাম-কাজৰ বুজ লয়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে জিলাখনৰ বৰপুখুৰী কৃষিপামত উপস্থিত হৈ পামখনৰ অধীনস্থ এটা গোশালাও পৰিদৰ্শন কৰে। তদুপৰি মুখ্যমন্ত্ৰী সোণোৱালে জামুগুৰিহাটত নৱনিৰ্মিত নদুৱাৰ উন্নয়ন খণ্ড আৰু আঞ্চলিক পঞ্চায়তৰ কাৰ্যালয় ভৱনো উদ্বোধন কৰে। মুখ্যমন্ত্ৰী সোণোৱালে জামুগুৰিহাটতে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পুঁজিৰে গড়কাপ্তানী (গৃহ) বিভাগে নিৰ্মাণ কৰিবলগীয়া ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰী সোণোৱালৰ দিনজোৱা এই কাৰ্যসূচীৰ সময়ত স্থানীয় বিধায়ক পদ্ম হাজৰিকাৰ লগতে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, জলসিঞ্চন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ভৱেশ কলিতা, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাস, বিধায়কসকল ক্ৰমে প্ৰমোদ বৰঠাকুৰ, গণেশ লিম্বু আৰু অশোক সিংহাল, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীৰ লগতে শোণিতপুৰ জিলাৰ উপায়ুক্ত মানৱেন্দ্ৰ প্ৰতাপ সিং আৰু আৰক্ষী অধীক্ষক মুগ্ধজ্যোতি দেৱ মহন্তও উপস্থিত থাকে। ❐❐



## কলিয়াবৰৰ উলুৱনি গাঁৱত মীন বিভাগৰ ৰিচাৰ্কুলেট'ৰী একুৱা কালচাৰ ছিষ্টেম আৰু শোণিতপুৰ জিলাৰ বালিপৰাত 'সঁজাত মীনপালন' আঁচনিৰ উদ্বোধন




# ঘৰুৱা বজাৰৰ চাহিদা পূৰণ কৰিব পৰাকৈ কৃষিকৰ্মত জড়িত হ'বলৈ ৰাজ্যৰ কৃষক সমাজক আহ্বান মুখ্যমন্ত্ৰীৰ

মৎস্য উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনক স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে অসম চৰকাৰৰ মীন বিভাগে নীল বিপ্লৱ আঁচনিৰ অধীনত ৰূপায়ণ কৰা 'ৰিচাৰ্কুলেট'ৰী একুৱাকালচাৰ ছিষ্টেম' যোৱা ১০ জুনত নগাঁও জিলাৰ কলিয়াবৰৰ উলুৱনি গাঁৱত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে শুভ উদ্বোধন কৰে। হিতাধিকাৰীৰ জৰিয়তে ৰূপায়ণ কৰা এই আঁচনিৰ অধীনৰ প্ৰতিটো প্ৰকল্পৰ বাবে ৫০ লাখ টকা ব্যয় কৰা হ'ব। ইয়াৰে ২০ লাখ টকা ৰাজ্য চৰকাৰে আৰু ৩০ লাখ টকা হিতাধিকাৰীসকলে বহন কৰিব। ৰাজ্যৰ মৎস্য ক্ষেত্ৰখনক যুগান্তকাৰী পৰিৱৰ্তনৰ দিশলৈ লৈ যোৱাৰ সম্ভাৱনা থকা এই আঁচনি শুভাৰম্ভ কৰি এই উদ্দেশ্যে অনুষ্ঠিত এক অনুষ্ঠুপীয়া অনুষ্ঠানত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে কৰ'না ভাইৰাছ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰজুৰি ঘোষণা কৰা লক্-ডাউনে ৰাজ্যৰ শক্তি, সামৰ্থ্য আৰু দুৰ্বলতা সম্পৰ্কে বহু নতুন তথ্যৰ সম্ভেদ দিলে। এই তথ্যৰ আধাৰত আহিবলগীয়া দিনবোৰত ৰাজ্যৰ অৰ্থনৈতিক ভেটি সবল কৰিবলৈ কাম কৰিব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ বাবে দেশবাসীক সংকল্পবদ্ধ হ'বলৈ আহ্বান জনাইছে। এই দিশত তেওঁ ২০ লাখ কোটি টকাৰ এক অৰ্থনৈতিক পেকেজ ঘোষণা কৰিছে। অসমেও এই পেকেজৰ উপযুক্ত সুবিধা লৈ অৰ্থনৈতিক সবলীকৰণৰ দিশত আগুৱাই যাব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে অসমবাসীয়ে আত্মনিৰ্ভৰশীল হ'বলৈ দৃঢ়তাৰে পদক্ষেপ লোৱাৰ এয়া উপযুক্ত সময়। ঘৰুৱা বজাৰৰ চাহিদা পূৰণ কৰিব পৰাকৈ সকলো সামগ্ৰী যাতে ৰাজ্যত উৎপাদন কৰিব পৰা যায় তাৰ বাবে অসমবাসীয়ে সংকল্প ল'ব লাগিব। ৰাজ্যৰ যুৱ শক্তিয়ে অৰ্থনৈতিক দিশত ৰূপান্তৰ অনাৰ ক্ষেত্ৰত বিশেষ ভূমিকা ল'ব পাৰে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰিচাৰ্কুলেট'ৰী একুৱাকালচাৰ ছিষ্টেমৰ জৰিয়তে মৎস্য বিপ্লৱৰ বাবে ৰাজ্য চৰকাৰে যি অভিলাষী পদক্ষেপ লৈছে সেই ক্ষেত্ৰত ডেকা শক্তি সহযোগিতাৰে আগবাঢ়ি আহিব লাগিব। কৰ্মৰ যোগেদি আত্মনিৰ্ভৰশীল হ'বলৈ দৃঢ়তাৰে আগুৱাই যোৱাৰ বাবে ৰাজ্যবাসীক মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে লক্-ডাউনৰ

সময়ত ৰাজ্যৰ কৃষকে তেওঁলোকৰ শক্তি আৰু সম্ভাৱনা দেখুৱাবলৈ সক্ষম হৈছে। লক্-ডাউনৰ সময়ছোৱাত ঘৰুৱা চাহিদা পূৰণ কৰাৰ উপৰি অসমৰ কৃষকে বিহাৰ, উত্তৰ প্ৰদেশৰ দৰে ৰাজ্যলৈও পাচলি ৰপ্তানি কৰিছে। আনহাতে, অসমৰ কৃষকৰ উৎপাদিত সামগ্ৰী লণ্ডন, ডুবাই, আবুধাবি, ৰিয়াধ, ছিংগাপুৰ আদি স্থানলৈ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে লক্-ডাউনৰ সময়ত ৰাজ্যৰ কৃষকসকলে নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰি ৩৬৫ কোটি টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। ৰাজ্যৰ যুৱক-যুৱতীসকলক উপাৰ্জনমুখী বিভিন্ন কৰ্মক্ষেত্ৰত আত্মনিয়োগ কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে যুৱ শক্তিৰ উদ্যমিতা বিকাশৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। অসম চৰকাৰে আগবঢ়োৱা প্ৰশিক্ষণ লাভ কৰি ৰাজ্যৰ প্ৰায় ৪৫ হাজাৰ যুৱক-যুৱতীয়ে কৰ্ম সংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে 'আছাম ষ্টাৰ্ট আপ- দ্য নেষ্ট'ৰ জৰিয়তে ৰাজ্যৰ যুৱক-যুৱতীসকলৰ উদ্ভাৱনী শক্তিৰ বিকাশ হৈছে। এই প্ৰকল্পৰ অধীনত উদ্ভাৱনীমূলক পদক্ষেপৰে কৰ্মক্ষেত্ৰত নিজকে প্ৰতিষ্ঠা কৰা উদ্যোগীসকলে প্ৰায় ১৭০০ যুৱক-যুৱতীক প্ৰত্যক্ষভাৱে আৰু ৪০ হাজাৰৰো অধিক পৰোক্ষ নিয়োগ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মীনমন্ত্ৰী পৰিমল শুক্লবৈদ্যই কয় যে অসম চৰকাৰে বিগত চাৰি বছৰে গ্ৰহণ কৰা পদক্ষেপৰ ফলত মৎস্য উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখন স্বাৱলম্বী হ'বলৈ আগবাঢ়িছে। উদ্বোধন কৰা ৰিচাৰ্কুলেট'ৰী একুৱাকালচাৰ ছিষ্টেমৰ জৰিয়তে বাৰ্ষিক মাছৰ উৎপাদন তিনিগুণলৈ বৃদ্ধি কৰিব পৰা যাব বুলি উল্লেখ কৰি তেওঁ কয় যে সীমিত পৰিসৰৰ মাটিতে এই পদ্ধতিৰে মৎস্য পালন কৰিব পাৰি। 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'ৰ অধীনত মৎস্যপালনৰ বাবে ৰাজ্যৰ কৃষকসকলক সহযোগিতা আগবঢ়োৱা হৈছে বুলি মন্তব্য কৰি মীনমন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে বিগত বছৰত আৰম্ভ কৰা 'ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ' আঁচনিৰ অধীনত প্ৰায় ১০ হাজাৰ হিতাধিকাৰী উপকৃত হৈছে। তদুপৰি, অসমে মাছৰ ক্ষেত্ৰত ঘৰুৱা চাহিদা পূৰণৰ উপৰি চুবুৰীয়া ৰাজ্য ক্ৰমে মেঘালয়, অৰুণাচল প্ৰদেশ আৰু মিজোৰামলৈ মাছ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে বুলি মীনমন্ত্ৰী শুক্লবৈদ্যই কয়। অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী তথা স্থানীয় বিধায়ক কেশৱ মহন্তয়ো এই অনুষ্ঠানত বক্তব্য প্ৰদান কৰে। আনহাতে, বিধায়কদ্বয় ক্ৰমে ৰূপক শৰ্মা আৰু ডিম্বেশ্বৰ দাস, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, কৃষি সংসাধন আয়ুক্ত ৰাজেশ প্ৰসাদ, মীন বিভাগৰ আয়ুক্ত ৰাকেশ কুমাৰ, নগাঁও জিলাৰ উপায়ুক্ত যাদৱ শইকীয়া, আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপো এই অনুষ্ঠানত উপস্থিত থাকে। মুখ্যমন্ত্ৰী সোণোৱালে এই প্ৰকল্প ৰূপায়ণৰ হিতাধিকাৰী শৈলেন্দ্ৰ গোস্বামী আৰু ধনঞ্জয় উপাধ্যায়ৰ সৈতে মত বিনিময় কৰাৰ লগতে মৎস্য উৎপাদনৰ সমগ্ৰ প্ৰক্ৰিয়াটোৰ প্ৰত্যক্ষভাৱে বুজ লয়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী সোণোৱালে শোণিতপুৰ জিলাৰ বালিপাৰাৰ ঘোৰামাৰী বুঢ়াগাঁৱত 'মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'ৰ আৰ্থিক সাহায্যৰে ৰূপায়িত হোৱা 'সঁজাত মীনপালন' আঁচনিৰ শুভাৰম্ভ কৰে। মুঠ ২১.৯৩ লাখ টকা ব্যয়েৰে ৰূপায়ণ কৰা এই আঁচনিখনৰ চৰকাৰী অংশ হৈছে ৭০ শতাংশ আৰু হিতাধিকাৰীৰ অংশ হৈছে ৩০ শতাংশ। ঘোৰমাৰী বুঢ়াগাঁৱত এই আঁচনিখন মৰাভৰলী মীন পালন গোটে ৰূপায়ণ কৰিছে। আঁচনিখনৰ অধীনত ৬ মিটাৰ x ৪ মিটাৰ x ২ মিটাৰ আয়তনযুক্ত ১০ টা সঁজা বিলত সংস্থাপন কৰা হৈছে। সৰ্বমুঠ ১০ টা সঁজাৰ সংস্থাপনৰ বাবদ ১৩.৪৮ লাখ টকা তথা ১০ টা সঁজাৰ খাদ্য আৰু পোনাৰ বাবদ ৮.৪৫ লাখ টকা ব্যয় কৰা হৈছে। প্ৰতিটো সঁজাৰ পৰা ২৫০০ ৰ পৰা ৩০০০ কেজি মাছৰ উৎপাদন হ'ব বুলি আশা কৰা হৈছে। এই উপলক্ষে অনুষ্ঠিত এক অনুষ্টুপীয়া অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যত নীল বিপ্লৱৰ বাবে মীন বিভাগে সুপৰিকল্পিতভাৱে পদক্ষেপ গ্ৰহণ কৰিছে। অসমৰ মৎস্য পালকসকলে মাছৰ উৎপাদনৰ ক্ষেত্ৰত বিশেষভাৱে যাতে আগুৱাই যাব পাৰে তাৰ বাবে বিভাগে পদক্ষেপ লৈছে। মৎস্যপালকসকলেও নিজৰ মাছৰ বজাৰ দখল কৰিব পৰাকৈ নিষ্ঠাৰে কাম কৰিব লাগিব। তদুপৰি, আহিবলগীয়া দিনসমূহত চুবুৰীয়া ৰাজ্যসমূহৰ লগতে বাংলাদেশ, ম্যানমাৰ আদিৰ দৰে চুবুৰীয়া ৰাষ্ট্ৰৰ মাছৰ বজাৰ দখলৰ ক্ষেত্ৰতো অসমৰ মৎস্যপালকে দৃঢ় সংকল্পৰে আগুৱাই যাব লাগিব বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। ৰাজ্যখনৰ কৃষি বিপ্লৱৰ বাবে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই গ্ৰহণ কৰা পদক্ষেপৰ মুখ্যমন্ত্ৰী সোণোৱালে ভূয়সী প্ৰশংসা কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে জনপ্ৰতিনিধিসকলৰ এনেধৰণৰ ভৱিষ্যমুখী পদক্ষেপে সমাজখনক বিশেষভাৱে অনুপ্ৰাণিত কৰে। ❐❐





নলবাৰী আৰক্ষী থানাৰ নৱ নিৰ্মিত ভৱন উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে, কাষত পৰিবহণ মন্ত্ৰী

**ক্ষেত্ৰ পৰ্যায়ৰ আৰক্ষীৰ এটা পদবীৰ বিপৰীতে নিৰ্দিষ্ট স্থায়ী ভ্ৰাম্যমাণ দূৰভাষ নম্বৰ অচিৰেই প্ৰদান কৰা হ'ব**

# অসম আৰক্ষীৰ দ্বাৰা ৰূপায়িত বিভিন্ন প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা

আৰক্ষী বাহিনীৰ সেৱা অধিক তৎপৰ আৰু সঁহাৰিপূৰ্ণ কৰাৰ বাবে থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰ্যায়লৈকে সমগ্ৰ ৰাজ্যখনৰ ক্ষেত্ৰ পৰ্যায়ৰ আৰক্ষী বিষয়ালৈ শীঘ্ৰে এক স্থায়ী ভ্ৰাম্যমাণ দূৰভাষ নম্বৰ প্ৰদান কৰা হ'ব। নিৰ্দিষ্ট পদবীৰ বিপৰীতে অনুমোদন জনোৱা স্থায়ী ভ্ৰাম্যমাণ দূৰভাষ নম্বৰে জনসাধাৰণক আৰক্ষীৰ সৈতে সহজে যোগাযোগ স্থাপনৰ নিশ্চিতি প্ৰদান কৰিব। যোৱা ৫ আগষ্টত খাৰঘুলিস্থিত মুখ্যমন্ত্ৰীৰ চৰকাৰী বাসভৱনত অসম আৰক্ষীৰ দ্বাৰা ৰূপায়িত হৈ থকা বিভিন্ন প্ৰকল্পৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে শীঘ্ৰে এই নতুন পদক্ষেপ কাৰ্যকৰীকৰণৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। বিপদৰ সন্মুখীন হোৱা জনসাধাৰণৰ বাবে আৰক্ষী হ'ল প্ৰাথমিক যোগাযোগ স্থাপনৰ এক নিৰ্ভৰযোগ্য মাধ্যম বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীক অধিক স্মাৰ্ট আৰু সঁহাৰিপূৰ্ণ আৰক্ষী বাহিনী হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে স্থায়ী ভ্ৰাম্যমাণ দূৰভাষ নম্বৰসমূহৰ বিষয়ে ব্যাপক প্ৰচাৰৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে যাতে জনসাধাৰণে এই স্থায়ী ভ্ৰাম্যমাণ দূৰভাষ নম্বৰৰ বিষয়ে ভালদৰে অৱগত হ'ব পাৰে। ক্ষেত্ৰ পৰ্যায়ৰ আৰক্ষী বাহিনীৰ কৰ্মস্থলীত এক ইতিবাচক বাতাবৰণ সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে আৰক্ষী থানাসমূহত আৰক্ষী বাহিনীৰ বাবে জিৰণি কক্ষকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণৰ বাবেও পৰামৰ্শ আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে লগতে চিকিৎসাজনিত কাৰণত বাহিৰৰ পৰা গুৱাহাটীলৈ অহা আৰক্ষী বাহিনীৰ বাবে থকা ব্যৱস্থাৰ সা-সুবিধা সৃষ্টিৰ পদক্ষেপ লোৱাৰ বাবেও পৰামৰ্শ আগবঢ়ায়। অসম আৰক্ষীৰ দ্বাৰা হাতত লোৱা বিভিন্ন প্ৰকল্পৰ বিষয়ে অৱগত কৰি আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই দেৰগাঁৱত ১৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া অসম পুলিচ একাডেমীৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন ইতিমধ্যে প্ৰস্তুত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীক অৱগত কৰাৰ লগতে এই প্ৰকল্প ৰূপায়ণ শীঘ্ৰে আৰম্ভ হ'ব বুলিও তেওঁ কয়। এই একাডেমীত প্ৰশিক্ষাৰ্থীসকলৰ বাবে ডিজিটেল অপৰাধ সৈতে মোকাবিলা কৰাৰ দিশত সহায়ক হোৱাকৈ শেহতীয়া তথ্য-প্ৰযুক্তিৰ ব্যৱস্থাকে ধৰি সকলোধৰণৰ অত্যাধুনিক তথা উন্নত প্ৰশিক্ষণৰ সা-সুবিধা উপলব্ধ কৰা হ'ব বুলিও আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। মৈত্ৰী আঁচনি ৰূপায়ণ সম্পৰ্কে উল্লেখ কৰি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে যে প্ৰথম পৰ্যায়ত ৭৩ খন আৰক্ষী থানাৰ কাম হাতত লোৱা হৈছিল। ইয়াৰে ২৩ খন আৰক্ষী থানা ইতিমধ্যে উদ্বোধন কৰা হৈছে বুলি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। দ্বিতীয় পৰ্যায়ত এই আঁচনিৰ অধীনত ৩৮ খন আৰক্ষী থানাৰ কাম হাতত লোৱা হ'ব বুলিও তেওঁ কয়। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে আৰক্ষী ছহিদ স্মাৰক তথা গুৱাহাটীৰ খানাপাৰাত ১৪০০ আৰক্ষী বাহিনী থকাৰ সুবিধাৰে নিৰ্মাণৰত পি ই বি ট্ৰেঞ্জিট কেম্পৰ কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। এই পৰ্যালোচনা

### কন্যকা, সীতাজখলা দুগ্ধ সমবায় সমিতি, পাভৈ গ্ৰীনছৰ

# সমন্বিত কৃষি পদ্ধতি অৱলম্বন কৰা প্ৰগতিশীল কৃষকৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক



ৰাজ্যখনৰ সমন্বিত কৃষিৰ লগত জড়িত কন্যকা বহুমুখী কৃষিপাম, সীতাজখলা দুগ্ধ সমবায় সমিতি আৰু পাভৈ গ্ৰীনছৰ প্ৰগতিশীল কৃষকৰ এটা গোটে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক যোৱা তিনি আগষ্টত তেওঁৰ চৰকাৰী বাসভৱনত সাক্ষাৎ কৰি ৰাজ্যখনৰ কৃষিৰ লগতে মীন, দুগ্ধ উৎপাদন, হাঁহ-কুকুৰা পালন, বীজ উৎপাদন ইত্যাদিৰ লেখীয়া আনুষংগিক খণ্ডসমূহৰ উত্তৰণৰ বিস্তৃত ৰূপৰেখা সন্দৰ্ভত এক বৈঠকত মিলিত হয়। বৈঠকত সমন্বিত কৃষকৰ দলটোৰ সদস্যসকলে ৰাজ্যখনৰ কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ ৰূপান্তৰেৰে সংশ্লিষ্ট খণ্ডসমূহৰ উৎপাদনত আত্মনিৰ্ভৰশীল হোৱাৰ বিভিন্ন পৰিকল্পনাসম্বলিত এক বিস্তৃত পৰিকল্পনা মুখ্যমন্ত্ৰীক অৱগত কৰে। কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডসমূহৰ ক্ষিপ্ৰ বিকাশৰ বাবে সমগ্ৰ ৰাজ্যজুৰি এক হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন পৰিকল্পনা হাতত লোৱাৰ বাবেও প্ৰগতিশীল সমন্বিত কৃষি পদ্ধতি অৱলম্বন কৰা কৃষকৰ গোটটোৱে মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। সমন্বিত কৃষি পদ্ধতি অৱলম্বনেৰে নিদৰ্শন দাঙি ধৰা প্ৰগতিশীল কৃষকৰ গোটটোৰ সৈতে আলোচনাৰ সময়ত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ সমন্বিত বিকাশৰ বাবে হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন পৰিকল্পনা ৰূপায়ণ সন্দৰ্ভত ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলি কয়। আলোচনাৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ বিকাশ সাধনৰ জৰিয়তেহে ৰাজ্যখনে এখন আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে শক্তিশালী ৰূপত আগুৱাই যাবলৈ সক্ষম হ'ব। যুৱপ্ৰজন্মই কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডই বহন কৰা সম্ভাৱনীয়তাসমূহৰ প্ৰতি আকৰ্ষিত হৈ এই খণ্ডসমূহত আত্মনিয়োগ কৰাৰ দিশত অনুপ্ৰাণিত কৰিব লাগিব। আত্মনিৰ্ভৰ অসমৰ ভেটি শক্তিশালী ৰূপত গঢ় দিয়াৰ বাবে সমন্বিত কৃষিখণ্ডত হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন পদক্ষেপ গ্ৰহণৰ ওপৰত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি কন্যকা, সীতাজখলা দুগ্ধ সমবায় সমিতি আৰু পাভৈ গ্ৰীনছৰ দৰে সমন্বিত কৃষি পদ্ধতি অৱলম্বন কৰা পামসমূহে এই দিশত এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডত তেওঁলোকে প্ৰদৰ্শন কৰা নিদৰ্শনেৰে সমগ্ৰ ৰাজ্যজুৰি এই দিশত এক জাগৰণ সৃষ্টিৰ মুখ্যমন্ত্ৰীয়ে পোষকতা কৰে। এই বৈঠকত কন্যকা বহুমুখী কৃষিপামৰ হৈ বিধায়ক পদ্ম হাজৰিকা, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তী, পাভৈ গ্ৰীনছৰ হৈ নীলম দত্ত, সীতাজখলা দুগ্ধ সমবায় সমিতিৰ অধ্যক্ষ ৰঞ্জীৱ শৰ্মা, উপাধ্যক্ষ পুষ্পধৰ দাস, সত্যেন মহন্ত আৰু বিকাশ ভৰালী উপস্থিত থাকে। ▢▢

বৈঠকতে মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ হ'বলগীয়া ছহিদ স্মাৰক ক্ষেত্ৰৰ ৰূপায়ণৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে। বৈঠকত গড়কাপ্টানী বিভাগৰ আয়ুক্ত ৰাজ চক্ৰৱৰ্তীয়ে এই প্ৰকল্পৰ প্ৰাথমিক কাম-কাজৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। এই বৈঠকত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, গৃহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান হৰমিৎ সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া প্ৰমুখ্যে আৰক্ষী প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। শেহতীয়াভাৱে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মৈত্ৰী আঁচনিৰ অধীনত নৱ নিৰ্মিত পাণ বজাৰ আৰক্ষী থানা, ডিব্ৰুগড় আৰক্ষী থানা, নলবাৰী আৰক্ষী থানা, মাজুলী, গড়মূৰ থানা, শিৱসাগৰ সদৰ থানা, টীয়ক আৰু সৰুপথাৰ আৰক্ষী থানাৰ ভৱন উদ্বোধন কৰে। ▢▢

# ইউ পি এছ চিত উজলিল অসমৰ ৫ সন্তান

## কেন্দ্ৰীয় লোকসেৱা আয়োগৰ দ্বাৰা আয়োজিত অসামৰিক সেৱা পৰীক্ষাত উত্তীৰ্ণ পৰীক্ষাৰ্থীলৈ মুখ্যমন্ত্ৰীৰ শুভেচ্ছা



অসমবাসীক গৌৰৱান্বিত কৰি কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অসমৰ পাঁচগৰাকী কীৰ্তিমান যুৱক-যুৱতীয়ে সাফল্য অৰ্জন কৰে। লক্ষ লক্ষ পৰীক্ষাৰ্থীৰ ভিতৰত দেশৰ ৮২৯গৰাকী সফল পৰীক্ষাৰ্থীৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰে এইকেইগৰাকী কৃতী অসমীয়াই। ৪ আগষ্টত লোকসেৱা আয়োগৰ ঘোষণা কৰা ফলাফল অনুসৰি ৫৯ সংখ্যক স্থান অৰ্জন কৰে আৰণ্যক শইকীয়াই। সেইদৰে ১১২ সংখ্যক স্থান দখল কৰে যোৰহাটৰ চীজল আগৰৱালা, ৬৯৭ সংখ্যাক স্থান দখল কৰে নিৰেদিতা দত্ত, ৭৬৬ সংখ্যক স্থান দখল কৰে গুৱাহাটীৰ তপন ডেকা আৰু ৭৮৪ সংখ্যক স্থান দখল কৰে কোকৰাঝাৰৰ কিশোৰ সূত্ৰধৰে। উল্লেখ্য যে প্ৰাক্তন ডি জি পি তথা অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়া আৰু ভাৰতীয় ৰে'ল সেৱাৰ প্ৰাক্তন জ্যেষ্ঠ প্ৰশাসনিক বিষয়া লীনা শৰ্মাৰ সন্তান আৰণ্যক শইকীয়াই ইয়াৰ পূৰ্বেও লোকসেৱা আয়োগৰ বন সেৱা আৰু আৰক্ষী সেৱাৰ বাবে উত্তীৰ্ণ হৈছিল।

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ দ্বাৰা আয়োজিত ২০১৯ বৰ্ষৰ অসামৰিক সেৱা পৰীক্ষাৰ ঘোষিত ফলাফলত অসমৰ পৰা স্থান লাভ কৰি ৰাজ্যখনৰ নাম উজলোৱা পৰীক্ষাৰ্থীসকললৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

এক বিবৃতিযোগে মুখ্যমন্ত্ৰীয়ে সৰ্বভাৰতীয় এই পৰীক্ষাত অৱতীৰ্ণ হৈ পৰীক্ষাৰ্থীকেইগৰাকীয়ে কঠোৰ পৰিশ্ৰম, অধ্যৱসায়, একাগ্ৰতা, কষ্ট সহিষ্ণুতাৰে যি সফলতা কঢ়িয়াই আনিলে ইয়াৰ জৰিয়তে ৰাজ্যখনৰ উঠি অহা প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলে বিশেষ অনুপ্ৰেৰণা লাভ কৰিব বুলিও কয়। মুখ্যমন্ত্ৰীয়ে এই পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীসকলে ভৱিষ্যতে নিষ্ঠা আৰু দায়বদ্ধতাৰে ৰাষ্ট্ৰ সেৱাৰ কামত ব্ৰতী হৈ নিজৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিব বুলিও আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে আটাইকেইগৰাকী পৰীক্ষাৰ্থীক শুভেচ্ছা জনোৱাৰ উপৰি তেওঁলোকৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছে। ❑❑

# শদিয়াৰ কুণ্ডিল নৈৰ খহনীয়া প্ৰতিৰোধ ব্যৱস্থা পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৩১ জুলাইত তিনিচুকীয়া জিলাৰ শদিয়া মহকুমাৰ কুণ্ডিল নদীয়ে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সৃষ্টি কৰা খহনীয়া প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগে গ্ৰহণ কৰা সুৰক্ষামূলক ব্যৱস্থাৰ চৰজমিন বুজ লয়। উল্লেখ্য যে এই নদীৰ বানে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে এখন দলঙলৈ ভাবুকি কঢ়িয়াই অনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগে জিলা প্ৰশাসন আৰু স্থানীয় ৰাইজৰ সহযোগত লোৱা তৎপৰ পদক্ষেপৰ বাবে সম্প্ৰতি এতিয়া বিপদমুক্ত হৈছে। পৰিদৰ্শনৰ সময়ত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কুণ্ডিল নদীৰ খহনীয়াই অসমৰ সৈতে অৰুণাচল প্ৰদেশৰ যাতায়াত তথা যোগাযোগ ব্যৱস্থাক এইবাৰ সম্পূৰ্ণৰূপে নিশ্চিহ্ন কৰাৰ সম্ভাৱনাৰ সৃষ্টি কৰিছিল। এই খহনীয়া ৰোধ কৰাৰ বাবে অসম চৰকাৰৰ জলসম্পদ বিভাগে জিলা প্ৰশাসন তথা স্থানীয় ৰাইজৰ সহযোগত তৎপৰতাৰে ব্যৱস্থা গ্ৰহণৰ ফলত দলংখনৰ লগতে পথছোৱা ৰক্ষা কৰাটো সম্ভৱ হৈ উঠিল। এই দিশত স্থানীয় বিধায়ক বলীন চেতিয়া আৰু সাংসদ প্ৰদান বৰুৱাই তৎপৰতাৰে উদ্যোগ লৈছে। বছৰৰ তৃতীয়টো বানে ৰাজ্যখনৰ বিভিন্ন ঠাইত বিস্তৰ ক্ষতি সাধন কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এইবাৰৰ বানত অসমৰ ২৮ খন জিলা ক্ষতিগ্ৰস্ত হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এইবাৰৰ বান তথা ভূমিস্খলনত ৰাজ্যখনৰ কেইবাগৰাকীও ব্যক্তিয়ে প্ৰাণ হেৰুৱাবলগীয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। খহনীয়াৰ ফলত বিভিন্ন জিলাৰ জনসাধাৰণৰ খেতি-বাতি তথা সা-সম্পত্তি হেৰুৱাব লগাত পৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসম চৰকাৰৰ তৰফৰ পৰা ভগা মথাউৰি তথা খহনীয়া প্ৰতিৰোধৰ বাবে ৰাইজৰ সহযোগত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও তেওঁ কয়। আগন্তুক দিনত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে যৌথভাৱে ব্যৱস্থা গ্ৰহণ কৰি যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে আন্তৰিকতাৰে গুৰুত্ব প্ৰদান কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে নিটি আয়োগৰ উপাধ্যক্ষৰ নেতৃত্বত গঠন কৰা উচ্চপৰ্যায়ৰ কমিটীয়ে বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ দিশত সহায়ক হোৱাকৈ উত্তৰ-পূব বান ব্যৱস্থাপনা প্ৰাধিকৰণ গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। এই সম্পৰ্কীয় এখন অধ্যাদেশ আগন্তুক সংসদৰ অধিৱেশনত গৃহীত কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব আৰু ইয়াৰ ফলত অসমৰ দীৰ্ঘদিনীয়া বান আৰু গৰাখনীয়া সমস্যাৰ স্থায়ী সমাধান সম্ভৱ হৈ উঠিব বুলিও তেওঁ কয়। স্বাধীনতাৰ ৭২ বছৰৰ ভিতৰত প্ৰধানমন্ত্ৰী পৰ্যায়ত এই সমস্যাসমূহৰ স্থায়ী সমাধানৰ বাবে গঠন হোৱা এইখনেই প্ৰথম সমিতি বুলি তেওঁ কয়। ইয়াৰ জৰিয়তেহে আগন্তুক দিনত ৰাজ্যখনৰ বান আৰু খহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ দিশত অগ্ৰসৰ হ'ব পৰা যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই পৰিদৰ্শনৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদ প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে বলীন চেতিয়া, ঋতুপৰ্ণ বৰুৱা, চক্ৰধৰ গগৈ, বিনোদ হাজৰিকা, তেৰছ গোৱালা, ভাস্কৰ শৰ্মা, সুৰেন ফুকনৰ লগতে জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু জলসম্পদ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। □□

# মাজুলী জলসম্পদ সংমণ্ডলৰ কাৰ্যালয়ৰ ভৱন তথা অতিথিশালাৰ শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৯ জুলাইত মাজুলীৰ গড়মূৰত নৱনিৰ্মিত মাজুলী জলসম্পদ সংমণ্ডলৰ কাৰ্যালয় ভৱন তথা অতিথিশালাৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰি জনসাধাৰণৰ সেৱাত উৎসৰ্গা কৰে। উল্লেখ্য যে ২০১৬-২০১৭ বৰ্ষৰ ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকৰ উন্নয়ন পুঁজিৰ অধীনত ৭.৪৪ কোটি টকা ব্যয়েৰে এই ভৱন নিৰ্মাণ কৰা হৈছে। ২০১৭ বৰ্ষৰ ১৫ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী সোণোৱালে এই ভৱনৰ লগতে অতিথিশালা নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল। মাজুলী জলসম্পদ সংমণ্ডলৰ এই স্থায়ী কাৰ্যালয় ভৱনে বিভাগটোৰ কাম-কাজ সুচাৰুৰূপে সম্পাদন কৰাৰ দিশত এক অনুকূল বাতাবৰণ সৃষ্টি কৰিব। এই উপলক্ষে নৱনিৰ্মিত প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মাজুলী জিলাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা নিষ্ঠাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে মাজুলীৰ বহু পুৰণি সমস্যা আছে। বান আৰু গৰাখহনীয়া প্ৰধান সমস্যা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে অসমৰ বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উদ্যোগৰ বাবেই নিটি আয়োগৰ উপাধ্যক্ষৰ অধ্যক্ষতাত এখন কমিটী গঠন কৰা হৈছে। আগন্তুক সংসদৰ অধিৱেশনত এই বিল গৃহীত হোৱাৰ লগে লগে আইনত পৰিণত হ'ব আৰু বিজ্ঞানসন্মতভাৱে বান, গৰাখহনীয়া, ভূমিস্খলন সমস্যাৰ স্থায়ী সমাধান সম্ভৱ হৈ উঠিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে মাজুলীৰ বান আৰু গৰাখহনীয়া সমস্যাটো আধুনিক ধ্যান-ধাৰণাৰে মোকাবিলা কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। নতুনকৈ নিৰ্মিত এই সংমণ্ডলে এই সমস্যা সমাধানৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব। কাৰ্যালয়টোৰ লগত সংলগ্ন কৰা গুদামটোত জৰুৰীকালীন সময়ত সহায়ক হোৱাকৈ সামগ্ৰী মজুত ৰখা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে বানতকৈ খহনীয়া অধিক ক্ষতিকাৰক। খহনীয়াই স্থায়ীভাৱে ক্ষতি সাধন কৰে। পঞ্চদশ বিত্ত আয়োগে খহনীয়াক এছ ডি আৰ এফৰ অধীনত অন্তৰ্ভুক্ত কৰাৰ ফলত খহনীয়া ৰোধৰ পদক্ষেপ লোৱাত সহায়ক হ'ব। সংমণ্ডলটো নিৰ্মাণৰ দিশত মাজুলীৰ জনসাধাৰণে আন্তৰিক সহযোগিতা আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে। এই অনুষ্ঠানত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সাংসদ প্ৰদান বৰুৱা, বিধায়ক বিমল বৰা, ডাঃ ৰণোজ পেগুৱে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত দেউৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী, ৰাজ্যিক পৰ্যায়ৰ ক্ৰীড়া আৰু যুৱ কল্যাণ উপদেষ্টা সমতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ, উপায়ুক্ত বিক্ৰম কৈৰীকে ধৰি জলসম্পদ বিভাগৰ শীৰ্ষ বিষয়া আৰু অন্যান্য বিষয়াসকল উপস্থিত আছিল। এই অনুষ্ঠানত হস্ততাঁত বিভাগৰ শিপিনী আয় বৃদ্ধি উৎপাদনমুখী আঁচনিৰ অধীনত ৩ গৰাকী শিপিনীক আৰু মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ ৫জন হিতাধিকাৰীক প্ৰতীকীভাৱে যথাক্ৰমে তাঁতশাল আৰু ট্ৰেক্টৰ বিতৰণ কৰে।

# ধেমাজি-লখিমপুৰৰ বান আৰু গৰাখহনীয়া প্ৰভাৱিত অঞ্চল পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



প্ৰবল বৰষুণকো নেওচি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৯ জুলাইত লখিমপুৰ আৰু ধেমাজি জিলাৰ গৰাখহনীয়া আৰু বান ক্ষতিগ্ৰস্ত কেইবাটাও অঞ্চল পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰথমে লখিমপুৰ জিলাৰ সোৱনশিৰি নদীয়ে গৰাখহনীয়াৰ সৃষ্টি কৰা ঠেকেৰাজান পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে মত বিনিময় কৰি খহনীয়া প্ৰতিৰোধৰ বাবে লোৱা ব্যৱস্থাৱলীৰ বুজ লয় আৰু বিভাগক খহনীয়া প্ৰতিৰোধৰ বাবে তৎকালে পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ধেমাজি জিলাৰ ভোজ গাঁৱলৈ গৈ বান ক্ষতিগ্ৰস্ত লোকৰ মাজত সাহায্য বিতৰণ কৰে। উল্লেখ্য যে জীয়াধলৰ বানৰ ফলত ভোজগাঁৱকে ধৰি ৫০খন গাঁও প্লাবিত হোৱাৰ উপৰি ১৫,৩৮০ গৰাকীতকৈও অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পিছতে কুমটিয়া নৈৰ নিৰ্মাণৰত মথাউৰি পৰিদৰ্শন কৰে। জলসম্পদ বিভাগ আৰু ৰাষ্ট্ৰীয় ঘাইপথে নৈখনৰ দুয়োপাৰে নিৰ্মাণ কৰি থকা মথাউৰিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। জলসম্পদ বিভাগ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়াসকলে মথাউৰিটো নিৰ্মাণৰ বিভিন্ন দিশ সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে এই কাম শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। এই পৰিদৰ্শনৰ সময়ত জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ প্ৰদান বৰুৱা, বিধায়ক ডাঃ ৰণোজ পেগু, উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু জলসম্পদ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। ইয়াৰ পিছতে লখিমপুৰ জিলাৰ ঢকুৱাখনাত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে চাৰিকড়ীয়া নৈয়ে খহনীয়াৰ সৃষ্টি কৰা অঞ্চল পৰিদৰ্শন কৰে। ঢকুৱাখনা মহাবিদ্যালয়ৰ পিছফালে নৈখনে খহনীয়াৰ সৃষ্টি কৰা পৰিস্থিতিৰ মুখ্যমন্ত্ৰীয়ে বুজ লয়। ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে বানৰ লগতে গৰাখহনীয়া সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। বান আৰু গৰাখহনীয়াই সৃষ্টি কৰা পৰিস্থিতি বুজ লোৱাৰ বাবে তেওঁ বিভিন্ন ঠাই পৰিদৰ্শন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গৰাখহনীয়া ৰোধ কৰাৰ বাবে জলসম্পদ বিভাগক নিৰ্দেশ দিয়া হৈছে। সৰ্বসাধাৰণ ৰাইজক নিৰাপত্তা দিয়াৰ বাবে জলসম্পদ বিভাগে ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে চাৰিকড়ীয়া নৈয়ে সৃষ্টি কৰা খহনীয়াৰ বিষয়টো স্থানীয় বিধায়ক আৰু সাংসদগৰাকীয়ে গুৰুত্বসহকাৰে লৈ ইতিমধ্যে জলসম্পদ বিভাগৰ লগত যোগাযোগৰ ভিত্তিত পদক্ষেপ গ্ৰহণ কৰিছে। ▢▢



## বিশ্বনাথ জিলাৰ বুৰৈ আৰু চত্ৰং নৈৰ খহনীয়া প্ৰতিৰোধী পদক্ষেপৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে ঃ লখিমপুৰ জিলাৰ ধলপুৰ-জামুগুৰি ৰিং বান্ধ পৰিদৰ্শন



# প্ৰধানমন্ত্ৰী মোদীয়ে উত্তৰ-পূবৰ বান-খহনীয়াৰ স্থায়ী সমাধানৰ বিজ্ঞানসন্মত পদক্ষেপ লৈছে ঃ মুখ্যমন্ত্ৰী

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৮ জুলাইত বিশ্বনাথ জিলাৰ লালপুখুৰীত বুৰৈ নদীৰ খহনীয়াৰ ফলত ভাবুকিৰ সৃষ্টি হোৱা অঞ্চল পৰিদৰ্শন কৰে। উল্লেখ্য যে জলসম্পদ বিভাগে জিঅ' বেগ ব্যৱহাৰ কৰি খহনীয়া অংশৰ প্ৰতিৰোধৰ পদক্ষেপ লৈছে। তদুপৰি, এই খহনীয়াৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথলৈ ভাবুকি অহাৰ শংকা থকা হেতু মুখ্যমন্ত্ৰীয়ে এই খহনীয়া প্ৰতিৰোধৰ বাবে স্থায়ী ব্যৱস্থা গ্ৰহণৰ বাবে জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে।

ইয়াৰ পিছতে উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে বুৰৈ নদীয়ে সৃষ্টি কৰা খহনীয়া প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে যথোচিত পদক্ষেপ ল'ব। প্ৰতি বছৰে বানত ৰাজ্যখনৰ বহু ঠাইত গৰাখহনীয়াৰ ফলত বহু ভূমি নদীৰ বুকুত জাহ গৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ বিগত ৭ দশকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েই দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী যিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বান আৰু গৰাখহনীয়া সমস্যাৰ বিজ্ঞানসন্মত অধ্যয়নেৰে ইয়াৰ স্থায়ী সমাধান সূত্ৰ উলিওৱাৰ বাবে পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিটি আয়োগৰ উপাধ্যক্ষৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় কমিটীয়ে 'নৰ্থ ইষ্ট ৱাটাৰ মেনেজমেণ্ট অথৰিটী' গঠনৰ বাবে পৰামৰ্শ আগবঢ়াইছে তথা আগন্তুক লোকসভা অধিৰেশনৰ সময়ত চৰকাৰে এই দিশত প্ৰয়োজনীয় পদক্ষেপ ল'ব বুলি কয়। মুখ্যমন্ত্ৰীয়ে লগতে

কয় যে ইমান দিনে খহনীয়াক প্ৰাকৃতিক দুৰ্যোগ হিচাপে গণ্য কৰা হোৱা নাছিল। অৱশ্যে পঞ্চদশ বিত্তীয় আয়োগে খহনীয়াক প্ৰাকৃতিক দুৰ্যোগ হিচাপে মান্যতা প্ৰদান কৰিছে। অসম চৰকাৰে এইক্ষেত্ৰত বিত্তীয় আয়োগৰ ওচৰত স্মাৰক পত্ৰ দাখিল কৰাৰ কথা মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে খহনীয়া প্ৰাকৃতিক দুৰ্যোগ হিচাপে ঘোষণা কৰাৰ ফলত কেন্দ্ৰীয় চৰকাৰৰ পৰা খহনীয়া প্ৰতিৰোধৰ বাবে অধিক পুঁজি লাভ কৰাটো সম্ভৱ হৈ উঠিব। বান, গৰাখহনীয়াৰ উপৰি অসমে সম্প্ৰতি ধুমুহা, ক'ভিড-১৯, বাঘজানৰ গেছকূপৰ অগ্নিকাণ্ড ইত্যাদিৰ দৰে বহুকেইটা সমস্যাৰ সৈতে যুঁজ দিব লগা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই দুৰ্যোগপূৰ্ণ সময়ত অসমৰ জনসাধাৰণে দেখুওৱা ধৈৰ্য আৰু মনোবলৰ বাবে সমূহ অসমবাসীক ধন্যবাদ জ্ঞাপন কৰে।

এই পৰিদৰ্শনৰ সময়ত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ৰঞ্জিত দত্ত, সাংসদ পল্লৱ লোচন দাস, বিধায়ক প্ৰমোদ বৰঠাকুৰ উপস্থিত থাকে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে গহপুৰত চত্ৰং নদীৰ বান আৰু গৰাখহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে ৰূপায়ণ কৰি থকা গাৰ্ড ৱাল নিৰ্মাণৰ কাম-কাজৰো পৰিদৰ্শন কৰি ইয়াৰ অগ্ৰগতিৰ বুজ লয়। উল্লেখ্য যে ৫ কোটি টকা ব্যয়েৰে এই কাম-কাজ জলসম্পদ বিভাগে ৰূপায়ণ কৰি আছে। মুখ্যমন্ত্ৰীয়ে বিশ্বনাথ জিলাৰ গহপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত লোহিতমুখলৈ গৈ ব্ৰহ্মপুত্ৰই মথাউৰিটোৰ কাষতে সৃষ্টি কৰা খহনীয়াৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে জলসম্পদ মন্ত্ৰীগৰাকীক এই খহনীয়া প্ৰতিৰোধৰ দিশত শীঘ্ৰে পদক্ষেপ গ্ৰহণৰ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লখিমপুৰ জিলাৰ বিহপুৰীয়া সমষ্টিৰ সোৱণশিৰি আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থলীৰ পশ্চিমে জলসম্পদ বিভাগৰ দ্বাৰা নিৰ্মাণ কৰা ধলপুৰ-জামুগুৰি ২ নং চেক বান্ধৰ সম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত অংশও পৰিদৰ্শন কৰে। পৰিদৰ্শনস্থলীত উপস্থিত থকা সাংবাদিকসকলক মুখ্যমন্ত্ৰীয়ে কয় যে বছৰৰ তৃতীয়টো বানত অসমৰ বহু ঠাইত খহনীয়াই জটিল ৰূপ লৈছে। চৰকাৰে ধলপুৰ-জামুগুৰি ২ নং চেকবান্ধৰ ক্ষতিগ্ৰস্ত অংশ মেৰামতিৰ লগতে অন্যান্য ঠাইত হোৱা খহনীয়া প্ৰতিৰোধৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিব।

এই পৰিদৰ্শনৰ সময়ত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ প্ৰদান বৰুৱা আৰু পল্লৱ লোচন দাস, স্থানীয় বিধায়ক দেৱানন্দ হাজৰিকাৰ লগতে জলসম্পদ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে লগতে বিহপুৰীয়া সমষ্টিৰ ধুনাগুৰি ঘাটলৈ গৈ ধুনাগুৰি-চেনিমৰা ঘাটৰ খহনীয়াৰ বুজ লয়। তদুপৰি, মুখ্যমন্ত্ৰীয়ে জলসম্পদ বিভাগৰ দ্বাৰা এই অঞ্চলত ৰূপায়ণ হ'বলগীয়া এক প্ৰকল্পৰো বুজ লয়। আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সন্ধিয়া লখিমপুৰ জিলাৰ নআলি বালিঘাটত শোৱণশিৰি নৈয়ে দাঁতিকাষৰীয়া মথাউৰিত সৃষ্টি কৰা খহনীয়াস্থলী পৰিদৰ্শন কৰে আৰু খহনীয়া ৰোধ কৰাৰ বাবে শীঘ্ৰে পদক্ষেপ ল'বলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। ❑❑



# দুৰ্গতসকলৰ সাহায্যৰ ক্ষেত্ৰত কোনো ধৰণৰ দুৰ্নীতি সহ্য কৰা নহ'ব ঃ মুখ্যমন্ত্ৰী



## কামৰূপ আৰু দৰং জিলাৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৩ জুলাইত কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ পুঠিমাৰী নৈৰ দ্বাৰা ক্ষতিগ্ৰস্ত শ'লমাৰী অঞ্চল পৰিদৰ্শন কৰে আৰু ক্ষয়-ক্ষতিৰ বুজ লয়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ৰঙিয়াৰ টি টি কলেজত স্থাপন কৰা সাহায্য শিবিৰ পৰিদৰ্শন কৰি ইয়াত থকা বানাক্ৰান্তসকলৰ সৈতে মত বিনিময় কৰাৰ উপৰি তেওঁলোকে লাভ কৰা সাহায্যৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে লগতে সাহায্য সামগ্ৰীসমূহৰ গুণাগুণো নিৰীক্ষণ কৰে। ইয়াৰ পিছতে সাংবাদিকৰ লগত হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সাম্প্ৰতিক বানত ৰাজ্যখনৰ ২৭ খন জিলা ক্ষতিগ্ৰস্ত হৈছে আৰু ইয়াৰ ফলত কেইবাগৰাকীও লোকে প্ৰাণ হেৰুওৱাৰ লগতে সা-সম্পত্তি বিনষ্ট হৈছে। পুঠিমাৰী নৈৰ বান আৰু গৰাখহনীয়াৰ ফলত ৰঙিয়া মহকুমাৰ এক বৃহৎ অঞ্চলৰ ব্যাপক ক্ষতি হোৱাটো ৰাজ্য চৰকাৰে গভীৰভাৱে উপলব্ধি কৰিছে। তেওঁ লগতে কয় যে বানাক্ৰান্ত লোকসকলক সকলো ধৰণৰ সহায়-সহযোগ আৰু সাহায্য প্ৰদান কৰিবলৈ ইতিমধ্যে জিলা প্ৰশাসনক নিৰ্দেশ দিয়া হৈছে। বগৰীবাৰীত পুঠিমাৰী নৈৰ ভঙা অংশ তৎকালে মেৰামতি কৰিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়া হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ বাবে ইতিমধ্যে পুঁজিও মুকলি কৰি দিয়া হৈছে। অসমৰ বান আৰু গৰাখহনীয়া সমস্যাক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে আন্তৰিকতাৰে গুৰুত্ব প্ৰদান কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে নিটি আয়োগৰ উপাধ্যক্ষৰ নেতৃত্বত গঠন কৰা উচ্চ পৰ্যায়ৰ কমিটীয়ে বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ দিশত সহায়ক হোৱাকৈ উত্তৰ-পূব বান ব্যৱস্থাপনা প্ৰাধিকৰণ গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। এই সম্পৰ্কীয় এখন অধ্যাদেশ আগন্তুক সংসদৰ অধিৱেশনত গৃহীত কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব আৰু ইয়াৰ ফলত অসমৰ দীৰ্ঘদিনীয়া বান আৰু গৰাখহনীয়া

সমস্যাৰ স্থায়ী সমাধান সম্ভৱ হৈ উঠিব বুলিও তেওঁ কয়। কেন্দ্ৰীয় চৰকাৰে অসমৰ বান সমস্যা সমাধানৰ ক্ষেত্ৰত সৰ্বতোপ্ৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ ৰাইজে ক'ভিড-১৯, বান, গৰাখহনীয়া, ধুমুহা, বজ্ৰপাত, ভূমিস্খলন, বাঘজানৰ অগ্নিকাণ্ড আদি কেইবাটাও সমস্যাৰ লগত যুঁজ দিবলগীয়া হৈছে। এই প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাৰ দিশত জনসাধাৰণে আগবঢ়োৱা সহযোগিতাৰ বাবে ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ বান পৰিস্থিতিৰ চৰজমিন বুজ লোৱাৰ লগতে বান ক্ষতিগ্ৰস্ত লোকসকলে উপযুক্ত সাহায্য লাভ কৰিছেনে নাই সেই বিষয়টো অৱগত হোৱাৰ বাবে তেওঁ নিজে বনাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰিছে। সাহায্য প্ৰদানৰ ক্ষেত্ৰত দুৰ্নীতি সংঘটিত হ'লে ইয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। দুৰ্গতসকলৰ সাহায্যৰ ক্ষেত্ৰত কোনোধৰণৰ অনিয়ম অথবা দুৰ্নীতি কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি তেওঁ কয়। এই পৰিদৰ্শনৰ সময়ত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, জলসিঞ্চন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ভবেশ কলিতা, সাংসদ দিলীপ শইকীয়া, বিধায়ক সত্যব্ৰত কলিতা, উপায়ুক্ত কৈলাশ কাৰ্তিক, আৰক্ষী অধীক্ষক পাৰ্থসাৰথি মহন্ত প্ৰমুখ্যে জলসম্পদ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে দৰং জিলাৰ মঙলদৈ ৰাজহ চক্ৰৰ অধীনত বানে ক্ষতিগ্ৰস্ত কৰা জনাৰাম চৌকা, শাকতোলা আদি অঞ্চল পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে শাকতোলা আৰু ননৈ নদীৰ মথাউৰি ভঙাৰ ফলত সৃষ্টি হোৱা বান আৰু গৰাখহনীয়াৰ বুজ লয়। তেওঁ লগতে শাকতোলা নদীয়ে ক্ষতিগ্ৰস্ত কৰা মথাউৰি মেৰামতিৰ কামো পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে দৰং জিলাত সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত হোৱা মথাউৰিসমূহ ততাতৈয়াকৈ নিৰ্মাণ কৰিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে মঙলদৈ মহৰ্ষি বিদ্যামন্দিৰত স্থাপন কৰা সাহায্য শিবিৰলৈ গৈ তাত আশ্ৰয় লৈ থকা লোকসকলৰ সৈতেও মত বিনিময় কৰে। এই পৰিদৰ্শনৰ সময়ত জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, সাংসদ দিলীপ শইকীয়া, স্থানীয় বিধায়ক গুৰুজ্যোতি দাসৰ লগতে জলসম্পদ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। ❑❑

# জিলা ক্ৰীড়া সন্থা তথা ৰাজ্যিক ক্ৰীড়া সন্থালৈ ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে বাৰ্ষিক সাহায্য অনুদান প্ৰদান

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৩ জুলাইত তেওঁৰ চৰকাৰী বাসভৱনত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে অসম অলিম্পিক সন্থাৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত জিলা ক্ৰীড়া সন্থা আৰু ৰাজ্যিক ক্ৰীড়া সন্থাসমূহলৈ ২০১৯-২০২০ বৰ্ষৰ বাৰ্ষিক সাহায্য অনুদান বিতৰণ কৰে। উল্লেখ্য যে সেইদিনা ২৫ খন জিলা ক্ৰীড়া সন্থাৰ প্ৰত্যেকলৈ ৩৪,৮০০ টকাকৈ আৰু ২৯ খন ৰাজ্যিক ক্ৰীড়াৰ সন্থাৰ প্ৰত্যেকলৈ ৭২,৭৫২ টকাৰ অনুদান আগবঢ়োৱা হয়। ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে আয়োজিত এই অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালে কয় যে অসমে ক'ভিড-১৯ ৰ লগতে বান, গৰাখহনীয়া, ধুমুহা, ভূমিস্খলন, বাঘজানৰ গেছকূপৰ অগ্নিকাণ্ড ইত্যাদিৰ লেখীয়া জটিল পৰিস্থিতিৰ মাজেৰে সময় অতিবাহিত কৰিবলগীয়া হৈছে। মুখ্যমন্ত্ৰীয়ে এই জটিল সময়ছোৱাত ক্ৰীড়া সন্থাসমূহক লাহে লাহে ৰাজ্যখনৰ ক্ৰীড়া বাতাবৰণ ওভতাই অনাৰ লগতে ক্ৰীড়াবিদসকলক অনুপ্ৰাণিত কৰাৰ পদক্ষেপ ল'বলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ক্ৰীড়া সন্থাসমূহক ৰাজ্য চৰকাৰে বানাক্ৰান্তসকলৰ বাবে গ্ৰহণ কৰা বান সাহায্য আৰু পুনৰ সংস্থাপনমূলক কাম-কাজত সক্ৰিয় সহায়-সহযোগ কৰাৰ বাবে আহ্বান জনায়। ক'ভিড-১৯ ৰ বিৰুদ্ধে চলোৱা যুঁজখনৰ সমান্তৰালভাৱে অৰ্থনৈতিক কাম-কাজসমূহ পুনৰ আৰম্ভ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ক্ৰীড়া সন্থাসমূহক ৰাজ্যখনৰ তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহক চিনাক্ত কৰা তথা তেওঁলোকৰ প্ৰতিভাখিনি বিকশাই তোলাৰ বাবে পদক্ষেপ ল'বলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ক্ৰীড়া আন্তঃগাঁথনি শক্তিশালী কৰা তথা ক্ৰীড়াবিদসকললৈ পৃষ্ঠপোষকতা প্ৰদান কৰাৰ দিশত কোম্পানীসমূহৰ সহযোগিতা প্ৰদানৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। উল্লেখ্য যে অসম চৰকাৰে ৰাজ্যিক ক্ৰীড়া নীতিৰ অধীনত লকডাউনৰ সময়ছোৱাত ক্ৰীড়াৰ দিশত সফলতা লাভ কৰা ক্ৰীড়াবিদলৈ সৰ্বমুঠ ১.২৪ কোটি টকা মোকলাই দিয়াৰ উপৰি ২০১৬ বৰ্ষৰ ছাফ গেমছত পদক অৰ্জন কৰা ক্ৰীড়াবিদসকললৈ ৬০ লাখ টকা আৰু ক্ৰীড়া জলপানি হিচাপে ৪০ লাখ টকাৰ অনুদান আগবঢ়াইছে। তদুপৰি খেলো ইণ্ডিয়া যুথ গেমছত অংশ গ্ৰহণ কৰা সৰ্বমুঠ ৭৬ ক্ৰীড়াবিদলৈ ৭৩ লাখ টকাৰ অনুদান আগবঢ়াইছে। এই অনুষ্ঠানত অসম অলিম্পিক সন্থাৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ, উপ-সভাপতি বিষ্ণুৰাম নুনিচা, অসম অলিম্পিক সন্থাৰ সদস্য প্ৰণয় বৰদলৈ উপস্থিত থাকে। ❑❑

## ৰহমৰীয়াৰ ব্ৰহ্মপুত্ৰৰ খহনীয়াস্থলী পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



# ৰহমৰীয়া অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ২৫ কোটি টকা ব্যয়ৰ তিনিখন আঁচনি ঘোষণা

ডিব্ৰুগড় জিলাৰ লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰহমৰীয়া অঞ্চলৰ দীৰ্ঘদিনীয়া গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে ২৫ কোটি টকাৰ তিনিখন নতুন আঁচনিৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। যোৱা ১৩ জুলাইত ডিব্ৰুগড় জিলাৰ ৰহমৰীয়াৰ গৰাখহনীয়াস্থলী পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীয়ে এই ঘোষণা কৰে। উল্লেখ্য যে বিগত বৰ্ষৰ ডিচেম্বৰ মাহত এই গৰাখহনীয়া সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে ১৮ কোটি টকা ব্যয় সাপেক্ষে আন তিনিখন আঁচনি ঘোষণা কৰিছিল আৰু বৰ্তমানে এই আঁচনিকেইখন ৰূপায়ণৰ বিভিন্ন পৰ্যায়ত আছে। উল্লেখ্য যে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা এই ২৫ কোটি টকা ব্যয়ৰ তিনিখন আঁচনিৰ জৰিয়তে অতি সোনকালে ৰহমৰীয়াৰ লিটিং গাঁও, ৰহমৰীয়া গাঁও আৰু বগৰী তোলাৰ লোকাচনী গাঁৱৰ ১৯২৫ মিটাৰ এলেকাক ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ পৰা সুৰক্ষিত কৰাৰ ব্যৱস্থা লোৱা হ'ব। এই পৰিদৰ্শনৰ সময়তে মুখ্যমন্ত্ৰী সোণোৱালে ৰহমৰীয়া গাঁৱত শেহতীয়াকৈ জলসম্পদ বিভাগে এছ ডি আৰ এফৰ পুঁজিৰে খহনীয়া প্ৰতিৰোধৰ বাবে আৰম্ভ কৰা পাৰ্কুপাইনৰ নিৰ্মাণৰ কামৰো অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰী সোণোৱালে খহনীয়াগ্ৰস্ত ৰহমৰীয়াৰ স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি বান তথা খহনীয়াগ্ৰস্ত লোকৰ লগতে ভূমিহীন তথা গৃহহীন পৰিয়ালৰ পুনৰ সংস্থাপনৰ বাবে ৰাজ্য চৰকাৰে অতি কম দিনৰ ভিতৰত এক নীতি গ্ৰহণ কৰিব বুলি কয়। এই নীতিৰ আধাৰত ক্ষতিগ্ৰস্ত ৰাইজক পুনৰ সংস্থাপনৰ ব্যৱস্থা লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীগৰাকীক ৰহমৰীয়া গৰাখহনীয়া প্ৰতিৰোধ সংগ্ৰামী মঞ্চই এখন স্মাৰকপত্ৰও প্ৰদান কৰে। পৰিদৰ্শনৰ পিছত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে সাম্প্ৰতিক বানত ৰাজ্যখনৰ ২৮ খন জিলা বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। প্ৰায় ২৫ লাখ লোক বানৰ কবলত পৰিছে আৰু সা-সম্পত্তি বিনষ্ট হৈছে। আনহাতে, ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে শদিয়াৰ পৰা ধুবুৰীলৈ বিভিন্ন জিলাত গৰাখহনীয়া হৈছে। অসম চৰকাৰৰ তৰফৰ পৰা জলসম্পদ বিভাগৰ জৰিয়তে স্থানীয় ৰাইজৰ সহযোগত মথাউৰি নিৰ্মাণ আৰু খহনীয়া ৰোধৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ৰহমৰীয়া অঞ্চলৰ



জৰিয়তে ৰাইজৰ নিৰাপত্তাৰ বাবে কাম কৰি যাব। বান আৰু গৰাখহনীয়া সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে অধ্যয়ন কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰাক নদী খনন কাৰ্য ইতিমধ্যে সম্পূৰ্ণ হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে মহাবাহু ব্ৰহ্মপুত্ৰৰ ক্ষেত্ৰত বহু প্ৰত্যাহ্বান আছে। ইয়াৰ ১২১খন উপনৈৰ বহুকেইখন অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, নাগালেণ্ড, মিজোৰাম আৰু ভূটানৰ পৰা প্ৰৱাহিত হৈছে। গৰাখহনীয়াৰ দীৰ্ঘদিনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে ৰাইজে দাবী জনাই আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সন্দৰ্ভত চলি থকা কাম সঠিক সময়মতে সম্পূৰ্ণ কৰাটো ৰাইজে বিচাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে স্থানীয় ৰাইজৰ সহযোগত গৰাখহনীয়া ৰোধৰ আঁচনিসমূহ ৰূপায়ণ কৰা হ'ব। দুৰ্যোগৰ মাজতো ৰহমৰীয়াৰ জনসাধাৰণে সহিষ্ণুতা অটুট ৰখাৰ বাবে মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ইয়াৰ স্থানীয় জনসাধাৰণে সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে গণতান্ত্ৰিকভাৱে আন্দোলন চলাই আহিছে। আগন্তুক দিনত অসম চৰকাৰে গৰাখহনীয়া ৰোধৰ সেইবাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সহযোগিতাৰে কাম কৰাৰ বাবে সংকল্পবদ্ধ হৈছে। ব্ৰহ্মপুত্ৰৰ বুকু খননৰ বাবে ড্ৰেজাৰ ইতিমধ্যে অৰ্ডাৰ দিয়া হৈছে। অত্যাধুনিক ড্ৰেজাৰ আহি পোৱাৰ লগে লগে ব্ৰহ্মপুত্ৰ খননৰ কাম আৰম্ভ কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই পৰিদৰ্শনৰ সময়ত কেন্দ্ৰীয় খাদ্য সংসাধন উদ্যোগ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, স্থানীয় বিধায়ক ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝাৰ উপৰি জলসম্পদ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। ❐❐

# দিহিং-পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যৰ কয়লা খনন সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ তদন্ত ঘোষণা

## গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ব্ৰজেন্দ্ৰ প্ৰসাদ কটকীক তদন্তৰ দায়িত্ব অৰ্পণ

দিহিং-পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যৰ কয়লা খনন সন্দৰ্ভত উত্থাপিত অভিযোগৰ তদন্ত ঘোষণা কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই কয়লা খননৰ সমগ্ৰ বিষয় তদন্ত কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ব্ৰজেন্দ্ৰ প্ৰসাদ কটকীক দায়িত্বভাৰ অৰ্পণ কৰা হৈছে। উল্লেখ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ত এই সন্দৰ্ভত কেইবাখনো ৰাজহুৱা স্বাৰ্থজড়িত আৱেদন দাখিল কৰা হৈছিল। এই আৱেদনসমূহত দিহিং-পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যৰ বৈধ অথবা অবৈধভাৱে হৈ থকা কয়লা খনন সন্দৰ্ভত অভিযোগ দাখিল কৰা হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিততে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২০০৩ চনৰ পৰা বৈধ অথবা অবৈধভাৱে হৈ থকা এই খননৰ পুংখানুপুংখভাৱে তদন্ত কৰিবলৈ অৱসৰপ্ৰাপ্ত ন্যায়াধীশগৰাকীক দায়িত্বভাৰ অৰ্পণ কৰে। উল্লেখ্য যে বাঘজানৰ গেছকূপত হোৱা বিস্ফোৰণ আৰু অগ্নিকাণ্ডৰ তদন্ত কৰিবৰ বাবেও ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে ব্ৰজেন্দ্ৰ প্ৰসাদ কটকীক দায়িত্ব অৰ্পণ কৰিছে। বৰ্তমান অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ব্ৰজেন্দ্ৰ প্ৰসাদ কটকী পুলিচ একাউণ্টেবিলিটী কমিছনৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। ❐❐

# অসমৰ নাট্য সংস্কৃতিক বিশেষ মৰ্যাদা প্ৰদান কৰা পুৰোধা আছিল ধৰণীধৰ গোস্বামী ঃ হৃষীকেশ গোস্বামী



# চৰকাৰীভাৱে পালন ভ্ৰাম্যমাণ থিয়েটাৰৰ বাটকটীয়া ধৰণীধৰ গোস্বামীৰ মৃত্যু তিথি

অসমৰ নাট মঞ্চ আৰু অভিনয় জগতৰ প্ৰতি বিশিষ্ট অৱদান আগবঢ়াই যোৱা শিক্ষাবিদ, সু-অভিনেতা, সুদক্ষ নাট পৰিচালক তথা খেলুৱৈ ধৰণীধৰ গোস্বামীৰ ৩৫ সংখ্যক মৃত্যু দিৱসৰ লগত সংগতি ৰাখি যোৱা ৫ আগষ্টত পাঠশালাত চৰকাৰীভাৱে অনুষ্ঠিত কৰা হয় এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী। ভাষণ প্ৰসংগত গোস্বামীয়ে কয় যে অপেছাদাৰী আৰু পেছাদাৰী মঞ্চৰ নাটকৰ ক্ষেত্ৰত নাট পৰিচালনাৰে নাট্যক্ষেত্ৰলৈ প্ৰভূত বৰঙনি আগবঢ়াই অসমৰ নাট্য সংস্কৃতিক বিশেষ মৰ্যাদা প্ৰদান কৰা অন্যতম পুৰোধা হৈছে ধৰণীধৰ গোস্বামী। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে পাঠশালাৰ ঐতিহ্যমণ্ডিত আজাদ ভৱন প্ৰাংগণত বৰপেটা জিলা প্ৰশাসনৰ জৰিয়তে পাঠশালা প্ৰেছ ক্লাব আৰু পাঠশালা প্ৰেছ গীল্ডৰ সহযোগত আয়োজিত এই অনুষ্ঠানত গোস্বামীয়ে কয় যে অসমৰ সাংস্কৃতিক জগতৰ ভোটাতৰা ধৰণীধৰ গোস্বামীয়ে অসমৰ নাট্য জগতৰ লগতে ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসৰ সময় বালিত এক বলিষ্ঠ খোজ থৈ গৈছে। উল্লেখ্য যে অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ জগতৰ এইগৰাকী হোতা ইমানদিনে উপেক্ষিত হৈ থকাৰ পিছত দুবছৰ পূৰ্বে অসম সাহিত্য সভাৰ উদ্যোগত পাঠশালাত তেওঁৰ জন্ম শতবাৰ্ষিকী পালন কৰা হৈছিল। ইয়াৰ পিছত এতিয়াৰ পৰা প্ৰায় ডেৰমাহ পূৰ্বে সাংসদ দিলীপ শইকীয়াই বিজেপিৰ জনসম্পৰ্ক অভিযানৰ অংশস্বৰূপে পাঠশালাত উপস্থিত হৈ প্ৰয়াত ধৰণীধৰ গোস্বামীৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মুখ্যমন্ত্ৰীৰ সহযোগত প্ৰয়াত মহীৰূহগৰাকীক সন্মানিত কৰা হ'ব বুলি প্ৰকাশ কৰিছিল। সেই মৰ্মেই ধৰণীধৰ গোস্বামীৰ ৩৫ সংখ্যক মৃত্যু দিৱস চৰকাৰী কাৰ্যসূচীৰে পালন কৰা হয়। অনুষ্ঠানত গোস্বামীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে। গোস্বামীৰ সহধৰ্মিণী হৰমায়া গোস্বামীকো চৰকাৰীভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীৰ উপৰি বৰপেটা জিলাৰ উপায়ুক্ত মুনীন্দ্ৰ শৰ্মা, আৱাহন থিয়েটাৰৰ প্ৰযোজক কৃষ্ণ ৰয়, বিজেপিৰ মুখপাত্ৰ মনোজ বৰুৱা, স্থানীয় বিধায়ক পবীন্দ্ৰ ডেকা, বজালীৰ মহকুমাধিপতি নয়নজ্যোতি ভাগৱতী, বজালী বিজেপিৰ সভাপতি নগেন চৌধুৰী, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক ফণী পাঠক উপস্থিত থাকে। অনুষ্ঠানত জিলা প্ৰশাসনৰ উদ্যোগত এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰা হয়। বৰপেটা জিলা জনসংযোগ বিষয়া বিকাশ শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত বজালীৰ তিনিগৰাকী বিশিষ্ট শিল্পী ক্ৰমে কৃষ্ণ ৰয়, ৰঘু মালাকাৰ আৰু প্ৰমোদ ৰয়ক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। ❐❐

## স্বাস্থ্যসন্মত মাংস আৰু দুগ্ধজাত সামগ্ৰীৰ বিপণী মুকলি

# ‘আত্মনিৰ্ভৰ অসম’ৰ আধাৰত অসম পশুধন নিগমৰ বৃহৎ পদক্ষেপ



## আগবাঢ়ি আহিছে জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গ

অসম চৰকাৰৰ ‘আত্মনিৰ্ভৰ অসম’ কাৰ্যসূচীৰ আধাৰত অসম পশুধন নিগমে আৰম্ভ কৰিছে ‘পথাৰো আমাৰ, বজাৰো আমাৰ’ শীৰ্ষক এক বৃহৎ পদক্ষেপ। এই পদক্ষেপ অনুসৰি ইতিমধ্যে বিভিন্ন ঠাইত স্বাস্থ্যসন্মত মাংস আৰু দুগ্ধজাত সামগ্ৰীৰ বিপণী মুকলি কৰা হৈছে। এই বিপণীসমূহৰ পৰা সাধাৰণ লোকসকল যথেষ্ট পৰিমাণে উপকৃত হৈছে। কৃষি আৰু পশুপালন মন্ত্ৰী অতুল বৰাই যোৱা ৭ আগষ্টত গুৱাহাটীৰ বামুণীমৈদামত এখন তেনে বিপণী মুকলি কৰে। এই উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী বৰাই কয় যে পশুধন নিগমে ৰাজ্যজুৰি আৰম্ভ কৰা এই কাৰ্যসূচীৰ জৰিয়তে যুৱক-যুৱতীসকল বিশেষভাৱে লাভৱান হোৱাৰ লগতে ৰাজ্যৰ অৰ্থনৈতিক বুনিয়াদো শক্তিশালী হ’ব। মন্ত্ৰী বৰাই বিভাগৰ বিভিন্ন আঁচনিৰ দ্বাৰা স্বাৱলম্বী হ’বলৈ ৰাজ্যখনৰ যুৱক-যুৱতীসকলক আহ্বান জনায়। অনুষ্ঠানত অসম পশুধন নিগমৰ অধ্যক্ষ মনোজ শইকীয়াই এই কাৰ্যসূচীত জড়িত হ’বলৈ ৰাজ্যখনৰ বিভিন্ন জিলাৰ বহু যুৱক-যুৱতী আগবাঢ়ি অহা বুলি মন্তব্য কৰি ইতিমধ্যে গুৱাহাটীত এনে সাতখন বিপণী মুকলি কৰা হৈছে বুলি জানিবলৈ দিয়ে। আগষ্ট মাহৰ ভিতৰত আৰু ৫০খন বিপণী মুকলি কৰা হ’ব বুলি তেওঁ উল্লেখ কৰে। অনুৰূপ ধৰণে




অন্যান্য জিলাতো এই বিপণীসমূহ মুকলি কৰা হ'ব আৰু বিভিন্ন আঁচনিৰ জৰিয়তে পাম খুলিবলৈও সকলোধৰণৰ সহযোগিতা আগবঢ়োৱা হ'ব বুলি মন্তব্য কৰে। এই অনুষ্ঠানত নিগমৰ প্ৰশাসনীয় বিষয়া ডাঃ পূৰ্ণানন্দ কোঁৱৰ আৰু অঞ্চলটোৰ বহুকেইগৰাকী জ্যেষ্ঠ লোকৰ লগতে যুৱক-যুৱতী উপস্থিত থাকে। আনহাতে, স্বাৱলম্বনেৰে অসমৰ অৰ্থনীতি সবল কৰাৰ উদ্দেশ্যে ৰাজ্যখনৰ যুৱক-যুৱতীসকলক স্বনিৰ্ভৰশীল কৰিবলৈ চলোৱা 'পথাৰো আমাৰ, বজাৰো আমাৰ' শীৰ্ষক কাৰ্যসূচীত চামিল হৈছে জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গ। অলপতে, শিল্পীগৰাকীয়ে খানাপাৰাৰ আধুনিক কচাইখানা, কুকুৰা পোৱালি উৎপাদন প্ৰকল্প, গাহৰি পাম আৰু সোণাপুৰৰ দানা প্ৰস্তুতকৰণ প্ৰকল্প, দুগ্ধপাম আদি পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালত শিল্পীগৰাকীৰ লগত অসম পশুধন নিগমৰ অধ্যক্ষ মনোজ শইকীয়াও থাকে। শিল্পীগৰাকীৰ এনে আন্তৰিক প্ৰচেষ্টাই যুৱপ্ৰজন্মক আত্মনিৰ্ভৰশীলতাৰ দিশে আগবাঢ়ি যোৱাত সহায় কৰিব বুলিও পশুধন নিগমৰ অধ্যক্ষগৰাকীয়ে আশা প্ৰকাশ কৰিছে। ইতিমধ্যে শিল্পীগৰাকীয়ে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালকো সাক্ষাৎ কৰি আত্মনিৰ্ভৰ অসম সম্পৰ্কত এক আলোচনাত মিলিত হৈছে। ❐❐



# শিৱসাগৰ জিলাৰ আঁচনি ৰূপায়ণৰ খতিয়ান



বুৰঞ্জী প্ৰসিদ্ধ তথা গৌৰৱময় আহোম ৰাজত্বৰ স্বৰ্ণিল ইতিহাসৰ স্বাক্ষৰ বহন কৰা শিৱসাগৰ জিলাৰ সৰ্বাংগীণ উন্নয়নৰ জৰিয়তে জিলাখনক ৰাজ্যৰ ভিতৰতে এখন উন্নত জিলাৰূপে প্ৰতিষ্ঠা কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বলিষ্ঠ নেতৃত্বত বিভিন্ন চৰকাৰী আঁচনি আৰু প্ৰকল্পৰ সফল ৰূপায়ণৰ মাধ্যমেৰে জিলাখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি অহা বিধায়কসকল তথা মুখ্যমন্ত্ৰীগৰাকীয়ে 'বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজি'কো অতি ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰি জিলাখনৰ সামগ্ৰিক উন্নয়নত ইতিবাচক অৰিহণা যোগাই আহিছে।

বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজি আঁচনিৰ যোগেদি চৰকাৰে প্ৰতিটো বিধানসভা সমষ্টিলৈ বছৰি ১ কোটি টকাকৈ আবণ্টন দিয়ে। স্থানীয় বিধায়কে উক্ত ১ কোটি টকাৰ বিপৰীতে তেখেতৰ আঁচনিৰ অনুমোদন জনায়। বিধায়কে অনুমোদন জনোৱা উক্ত আঁচনিসমূহৰ বিপৰীতে নিৰ্দিষ্ট ধনৰাশিৰ অনুমোদন জনোৱা হয়। শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টি প্ৰদীপ হাজৰিকাই, থাওৰা সমষ্টি কুশল দুৱৰীয়ে আৰু নাজিৰা সমষ্টিক দেৱব্ৰত শইকীয়াই প্ৰতিনিধিত্ব কৰি আছে। আনহাতে শিৱসাগৰ সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ প্ৰণৱ গগৈৰ আজি কিছুদিন আগতে দেহাৱসান ঘটে।

শিৱসাগৰ জিলাৰ চাৰিটা বিধানসভা সমষ্টি ক্ৰমে শিৱসাগৰ, আমগুৰি, নাজিৰা আৰু থাওৰা সমষ্টিৰ বাবে ২০১৭-১৮ বৰ্ষ আৰু ২০১৮-২০১৯ বৰ্ষৰ বাবে অনুমোদন জনোৱা ধনৰাশি আৰু আঁচনিসমূহ এনেধৰণৰ—

| বিধানসভা সমষ্টি | বিত্তীয় বৰ্ষ | বিধায়কে অনুমোদন জনোৱা আঁচনি | ব্যৱহৃত ধন শতাংশ হিচাপত |
|---|---|---|---|
| শিৱসাগৰ | ২০১৭-২০১৮ | ৪৪ খন | ১০০ শতাংশ |
| | ২০১৮-২০১৯ | ৩৬ খন | ৭২.৪২ শতাংশ |
| আমগুৰি | ২০১৭-২০১৮ | ২৬ খন | ১০০ শতাংশ |
| | ২০১৮-২০১৯ | ৩৯ খন | ৭৫.৮৩ শতাংশ |
| থাওৰা | ২০১৭-২০১৮ | ২৯ খন | ১০০ শতাংশ |
| | ২০১৮-২০১৯ | ৩৫ খন | ৮৮.৭৫ শতাংশ |
| নাজিৰা | ২০১৭-২০১৮ | ৪৮ খন | ১০০ শতাংশ |
| | ২০১৮-২০১৯ | ৪৭ খন | ৭৮.৮৩ শতাংশ |

**সুহৃদঃ**

এই আঁচনিৰ যোগেদি চৰকাৰে প্ৰতিটো বিধানসভা সমষ্টিলৈ বছৰি ৫০.০০ লাখ টকাকৈ অনুমোদন দিয়ে। চৰকাৰৰ অনুমোদনৰ ভিত্তিত স্থানীয় বিধায়কে তেখেতৰ বিধানসভা সমষ্টি এলেকাৰ শিক্ষা আৰু স্বাস্থ্য বিভাগৰ বাবে হিতাধিকাৰী নিৰ্বাচন কৰি উক্ত হিতাধিকাৰীৰ তালিকা উপায়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰে। জিলা উপায়ুক্তই বিধায়কৰ অনুমোদনৰ ভিত্তিত চৰকাৰৰ নীতি নিৰ্দেশনা অনুসৰি হিতাধিকাৰী সকলৰ নিৰ্দিষ্ট বেংক একাউণ্টলৈ উক্ত ধন প্ৰেৰণ কৰে। শিৱসাগৰ জিলাৰ চাৰিটা বিধানসভা সমষ্টি— শিৱসাগৰ, আমগুৰি, থাওৰা আৰু নাজিৰা বিধানসভা সমষ্টিৰ বাবে ২০১৭-১৮ আৰু ২০১৮-১৯ বৰ্ষৰ বাবে সুহৃদ আঁচনিৰ অধীনত অনুমোদিত ধনৰাশি আৰু ইয়াৰ ব্যৱহাৰৰ বিতং তথ্য তলত উল্লেখ কৰা হ'ল।

## বিত্তীয় বৰ্ষ ঃ ২০১৭-২০১৮

| সমষ্টি | শিক্ষা হিতাধিকাৰী | অনুমোদিত ধন লাখ হিচাপত | স্বাস্থ্য হিতাধিকাৰী | অনুমোদিত ধন লাখ হিচাপত | ব্যৱহৃত ধন শতাংশ হিচাপত |
|---|---|---|---|---|---|
| নাজিৰা | ১৯৫ গৰাকী | ২৬.১০ লাখ | ৪৩৪ গৰাকী | ২৩.৯০ লাখ | ১০০ শতাংশ |
| শিৱসাগৰ | ২৮৮ গৰাকী | ২৩.২০ লাখ | ৫১৯ গৰাকী | ২৬.৮ লাখ | ১০০ শতাংশ |
| থাওৰা | ৩০৬ গৰাকী | ৩১.১০ লাখ | ১৮৯ গৰাকী | ১৮.৯ লাখ | ১০০ শতাংশ |
| আমগুৰি | ২৩৪ গৰাকী | ২৯.৩০ লাখ | ৪৯৫ গৰাকী | ২০.৭ লাখ | ১০০ শতাংশ |

## বিত্তীয় বৰ্ষ ঃ ২০১৮-২০১৯

| সমষ্টি | শিক্ষা হিতাধিকাৰী | অনুমোদিত ধন লাখ হিচাপত | স্বাস্থ্য হিতাধিকাৰী | অনুমোদিত ধন লাখ হিচাপত | ব্যৱহৃত ধন শতাংশ হিচাপত |
|---|---|---|---|---|---|
| নাজিৰা | ১৩৪ গৰাকী | ৩৩.১৯ লাখ | ২৫০ গৰাকী | ১৫.১৪৮ লাখ | ৯৭ শতাংশ |
| শিৱসাগৰ | ১৭৩ গৰাকী | ১৪.০৫ লাখ | ৬৯২ গৰাকী | ৩৫.২৫ লাখ | ৯৮ শতাংশ |
| থাওৰা | ১১৬ গৰাকী | ১১.৭ লাখ | ২৬৯ গৰাকী | ২৭.০০ লাখ | ৭৭ শতাংশ |
| আমগুৰি | ২৬০ গৰাকী | ২০.৮ লাখ | ৫৮৪ গৰাকী | ২৯.২ লাখ | ১০০ শতাংশ |

সাংসদৰ স্থানীয় এলেকা উন্নয়ন পুঁজি আঁচনিৰ অধীনত যোৰহাট লোকসভা সমষ্টিৰ ২০১৬-২০১৭ বৰ্ষত সাংসদ উন্নয়ন পুঁজিৰ পৰা শিৱসাগৰ জিলাৰ বাবে ৫৫ খন আঁচনিৰ অনুমোদন জনাইছিল। এই ৫৫ খন আঁচনিৰ বিপৰীতে অনুমোদিত ধন আছিল ১৯৫.০০ লাখ টকা। এই ৫৫ খন আঁচনিৰ বিপৰীতে অনুমোদিত ধন আছিল ১৯৫.০০ লাখ টকা। আনহাতে ২০১৭-২০১৮ বৰ্ষত ৩২ খন আঁচনিৰ বিপৰীতে ৯৮.৫০ লাখ টকা অনুমোদন জনোৱা হৈছিল। তদুপৰি ২০১৯-২০২০ বৰ্ষত ১১ খন আঁচনিৰ বিপৰীতে ৯৮.০০ লাখ টকা অনুমোদন জনোৱা হৈছে। উল্লেখযোগ্য যে ২০১৯ বৰ্ষলৈ যোৰহাট সংসদীয় সমষ্টিটো কামাখ্যা প্ৰসাদ তাচাই আৰু ২০১৯ বৰ্ষৰ পৰা তপন কুমাৰ গগৈয়ে প্ৰতিনিধিত্ব কৰি আছে। ❐❐

*প্ৰতিবেদক ঃ ছৈয়দা হাচনাহানা*
*জিলা তথ্য আৰু জনসংযোগ বিষয়া, শিৱসাগৰ*









# ’৪২ৰ গণ আন্দোলন

## এক চমু আলোকপাত

*বিয়াল্লিছৰ গণ বিপ্লৱে ভাৰতৰ মুক্তি পথৰ দুৱাৰ মুকলি কৰি দিয়ে। ১৯৪২ চনৰ ঐতিহাসিক আগষ্ট গণ বিপ্লৱত ভাৰতীয় জনসাধাৰণৰ স্বতঃস্ফূৰ্ত সঁহাৰিত ব্ৰিটিছৰ মেৰুদণ্ড কঁপি উঠিল। লোকমান্য তিলকৰ ‘স্বৰাজ আমাৰ জন্মগত স্বত্ব’ কথাষাৰে প্ৰতিজন মুক্তিকামী ভাৰতীয়ৰ অন্তৰত স্বাধীনতাৰ স্পৃহাক তীব্ৰতৰ কৰি তুলিছিল। ১৯৪২ চনৰ ‘ভাৰত ত্যাগ’ আন্দোলনৰ আৱেগিক গভীৰতা আৰু অভূতপূৰ্ব জনজাগৰণত স্বতঃস্ফূৰ্ত প্ৰকাশৰ গতি-বিধি লক্ষ্য কৰি ব্ৰিটিছ সিংহৰ মুঠি ঢিলা হৈ পৰিল। ব্ৰিটিছ চৰকাৰে ভাৰত এৰি যাবলৈ সিদ্ধান্ত ল’লে। অৱশেষত ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতে বহু আকাংক্ষিত স্বৰাজ লাভ কৰে।*

❒ *অবিনাশ বৰ্মন*

আমাৰ বিশাল আৰু বৈচিত্ৰ্যপূৰ্ণ দেশ ভাৰতৰ স্বাধীনতা দিৱসৰ লগত জড়িত আছে মুক্তিপ্ৰাপ্তিৰ বাবে চলা এক দীঘলীয়া সংগ্ৰামৰ ইতিহাস। ১৯২১ চনৰ পৰাই সংগঠিত ৰূপত গঢ় লোৱা এই সংগ্ৰাম ক্ৰমান্বয়ে তীব্ৰতৰ হৈ আহি ১৯৪২ চনত চূড়ান্ত পৰ্যায়ত উপনীত হৈছিলহি। স্বাধীনতা আন্দোলনক চূড়ান্ত পৰ্যায়ত উপনীত কৰা বিয়াল্লিছৰ গণ আন্দোলনটো দৰাচলতে আছিল সুদীৰ্ঘ স্বাধীনতা আন্দোলনৰ ক্ৰমবিকাশৰেই ফল। ১৯৪২ চনৰ ৮ আগষ্টৰ দিনা বোম্বাই চহৰত নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে ভাৰত ত্যাগ আন্দোলনৰ বৈপ্লৱিক প্ৰস্তাৱ গ্ৰহণ কৰি বিদেশী শাসনত চৰম আঘাত হানিবলৈ জনগণক উদ্বেলিত কৰি তুলিলে। গান্ধীজীয়ে ভাৰতৰ স্বাধীনতাৰ এয়েই শেষ আন্দোলন বুলি ব্ৰিটিছক ‘ভাৰত ত্যাগ’ৰ বাণীৰে সকীয়নি দিলে। লগে লগে ভাৰতবাসীৰ অন্তৰতো নিভৃত কোণত উমি উমি জ্বলি থকা বিপ্লৱৰ অগনি দাউ দাউকৈ জ্বলি উঠিল। বিয়াল্লিছৰ গণ আন্দোলনত দেশবাসীয়ে গান্ধীজীৰ আহ্বানত ‘কৰিম কিম্বা মৰিম’ আদৰ্শৰে ব্ৰিটিছৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই আহিছিল। ইয়াৰ পৰা অসমো ব্যতিক্ৰম নাছিল। ৯ আগষ্টৰ দোকমোকালিতে মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, আব্দুল কালাম আজাদ প্ৰমুখ্যে কংগ্ৰেছৰ সৰ্বভাৰতীয় নেতাসকলক বন্দী কৰি কাৰাগাৰলৈ পঠিয়ালে আৰু কংগ্ৰেছক বে-আইনী ঘোষণা কৰিলে। একেদিনাই বিষ্ণুৰাম মেধি, ফখৰুদ্দিন আলী আহমেদ, মৌলানা তৈয়বুল্লা, দেৱেশ্বৰ শৰ্মা,



গোপীনাথ বৰদলৈ, সিদ্ধিৰাম শৰ্মাৰ লগতে আন প্ৰায় আগশাৰীৰ অসম কংগ্ৰেছৰ নেতাসকলক ইংৰাজ চৰকাৰে গ্ৰেপ্তাৰ কৰে। এই গ্ৰেপ্তাৰৰ প্ৰতিবাদত জীৱন পণ কৰি হ'লেও স্বাধীনতা অৰ্জনৰ দুৰ্বাৰ স্পৃহাত অসমৰ চহৰে-নগৰে, গাঁৱে-ভূঞে হেজাৰ হেজাৰ জনতাই অহিংস বিক্ষোভ প্ৰদৰ্শন কৰি আন্দোলনক এক নতুন গতি প্ৰদান কৰে। সমগ্ৰ ভাৰতজুৰি স্বাধীনতা সংগ্ৰামে গণ বিপ্লৱৰ ৰূপ ধাৰণ কৰিলে। নেতাহীন বিপ্লৱী জনতা দেশমাতৃৰ মুক্তিৰ যুঁজত জঁপিয়াই পৰিল। সাম্ৰাজ্যবাদী ইংৰাজ চৰকাৰে অহিংস আন্দোলনক কলিতে বিনাশ কৰিবলৈ চলালে অমানুষিক অত্যাচাৰ, নিৰ্মম অভিযান। স্বাধীনচিতীয়া অসমীয়া জাতিৰ তেজত মুক্তিৰ ক্ষুধাই দামামা বজাবলৈ আৰম্ভ কৰিলে। ইংৰাজ শাসকে চৰম নিৰ্যাতন, হত্যা, গ্ৰেপ্তাৰ আদিৰে জনজাগৰণক নিঃশেষ কৰিবলৈ লাগি পৰিল। কিন্তু মুক্তিকামী জনগণ থমকি নৰ'ল। গান্ধীজীয়ে সকলো কংগ্ৰেছ কৰ্মী আৰু ভাৰতবাসীক পূৰ্ণ স্বাধীনতাৰ দাবীত অহিংস পন্থা অৱলম্বন কৰি 'কৰিম কিম্বা মৰিম' নীতিৰে আগবাঢ়িবলৈ আহ্বান জনায়। গান্ধীজীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই দেশত জনতাই বন্দে মাতৰম, মহাত্মা গান্ধীকী জয়, ব্ৰিটিছ ভাৰত ত্যাগ কৰা আদি ধ্বনিৰে আকাশ-বতাহ কঁপাই তোলে। বহু নেতাই আত্মগোপন কৰিবলগীয়া হয়। জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে মুক্তিকামী সকলো জনতাই এই আন্দোলনত জঁপিয়াই পৰিছিল। ভাৰত ত্যাগ আন্দোলনে অসমত ব্যাপক প্ৰসাৰ লাভ কৰে। গোপীনাথ বৰদলৈ, ফখৰুদ্দিন আলী আহমেদ, বিমলাপ্ৰসাদ চলিহা, গড়মূৰীয়া ডেকা অধিকাৰ, মৌলানা তৈয়বুল্লা, অমিয় কুমাৰ দাস, পুষ্পলতা দাস, সিদ্ধিনাথ শৰ্মা, মহেন্দ্ৰ হাজৰিকা, লক্ষ্মী গোস্বামী, জ্যোতিপ্ৰসাদ আগৰৱালা, হলধৰ ভূঞা, ৰবীন নবীশ, ব্ৰজ শৰ্মা, লক্ষ্যধৰ চৌধুৰী, প্ৰভাত শৰ্মা আদি নেতা-নেত্ৰীৰ নেতৃত্বত অসমৰ সহস্ৰজনৰ ত্যাগ, বীৰত্ব আৰু আত্মবলিদানে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত অসমক এক সুকীয়া গৌৰৱপূৰ্ণ স্থান প্ৰদান কৰে। এওঁলোকৰ দৰেই আন বহুতো অসমীয়া ডেকা-গাভৰু, ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা-জীৱিকা ত্যাগ কৰি দেশৰ এই চৰম মুক্তি আন্দোলনৰ অংশীদাৰ হয়। এই আন্দোলনত অসমৰ ছাত্ৰ আৰু যুৱ সমাজৰ অৰিহণা আছিল অতিশয় প্ৰশংসনীয়। ব্ৰিটিছৰ বিৰুদ্ধে অসমৰ জনসাধাৰণৰ স্তূপীকৃত ক্ষোভ আৰু প্ৰতিবাদে বিস্ফোৰক ৰূপ ধাৰণ কৰে। ব্যক্তিগত হাবিয়াস পৰিহাৰ কৰি বিপ্লৱী জনগণে ভৱিষ্যৎ প্ৰজন্মৰ কল্যাণৰ বেদীত সৰ্বস্ব উছৰ্গা কৰিছিল। অসমত



ছাত্ৰ সমাজক সংগঠিত কৰাত নেতৃত্ব দিছিল চন্দ্ৰনাথ শৰ্মাই। ভাৰতৰ স্বাধীনতা যুঁজখন বহু বছৰ আগৰ পৰাই চলি থাকিলেও গান্ধীজীৰ আহ্বানত ভাৰত ত্যাগ আন্দোলনে দেশখনক জোকাৰি যায়। ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলনে অসমতো ব্যাপক খলকনি তুলিছিল। মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা ভাৰত ত্যাগ আন্দোলনত সৰ্বভাৰতীয় মূলসুঁতিৰ লগত অসমৰ একাত্মবোধ আছিল অসমৰ ইতিহাসৰ সৰ্বকালৰ এক স্মৰণীয় ঘটনা। আত্মবলিদান আৰু ত্যাগৰ সেই অগ্নিগৰ্ভ কাহিনীত অসমৰ আবাল-বৃদ্ধ-বনিতাই উৎসাহ আৰু উদ্দীপনাৰে অংশগ্ৰহণ কৰিছিল। স্বাধীনতা যুঁজৰ আগৰ পৰ্যায়বোৰৰ দৰে ভাৰত ত্যাগ আন্দোলনতো কটন কলেজ হৈ উঠিছিল আন্দোলনৰ এক অন্যতম স্নায়ুকেন্দ্ৰ, ৰাইজৰ বাবে প্ৰেৰণাৰ উৎস। ফাঁচীশাল, পাশৱিক অত্যাচাৰ, অকথ্য নিৰ্যাতনে মুক্তি প্ৰয়াসী জনতাক লক্ষ্য প্ৰাপ্তিৰ পৰা অকণো বিচলিত কৰিব নোৱাৰিলে। স্বদেশৰ স্বাধীনতা, স্বাধীন ভাৰতৰ স্বপ্নই প্ৰতিগৰাকী স্বাধীনতা সেনানীক কৰি তুলিছিল দৃঢ়মনা। ১৯৪২ চনৰ ২০ ছেপ্তেম্বৰত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অসম শাখাই প্ৰত্যেক থানাত ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰাৰ আঁচনি গ্ৰহণ কৰিছিল। তাৰ বাবে সাজু কৰিছিল মৃত্যু বাহিনী। এই আঁচনিৰ অংশস্বৰূপে তেতিয়াৰ দৰং জিলাৰ গহপুৰ থানাত ত্ৰিৰংগা পতাকা তুলিবলৈ যাওঁতে সমদলৰ নেতৃত্বত থকা পাটগাভৰু কনকলতা আৰু তেওঁৰ এগৰাকী যুৱ সতীৰ্থ মুকুন্দ কাকতিয়ে পুলিচৰ গুলীত প্ৰাণ আহুতি দিয়ে। এইদৰে কনকলতা, মুকুন্দ কাকতি, ভোগেশ্বৰী ফুকননী, ঠগীৰাম সুত, নিধানু ৰাজবংশী, ৰতন কছাৰী, মনবৰ নাথ, হেমোৰাম পাতৰ, বলোৰাম সুত, লক্ষ্মী হাজৰিকা, মদন ৰাউতা আদিকে ধৰি স্বাধীনতাপ্ৰেমী বহু বীৰ-বীৰাংগনা ছহিদ হয়। সৰুপথাৰৰ ৰে'ল দুৰ্ঘটনাৰ বাবে দোষী সাব্যস্ত কৰি কুশল কোঁৱৰক ইংৰাজে ফাঁচী দিয়ে। কাৰাগাৰৰ ভিতৰতে দেহ ত্যাগ কৰে মহান দেশপ্ৰেমিক কমলা মিৰিয়ে। পুলিচৰ গুলী আৰু লাঠীচালনাত আহত হয় অসংখ্য লোক। আন বহুতে কাৰাবাস খাটি দুৰ্বিসহ জীৱন কটাবলগীয়া হয়। ভাৰতৰ এখন অন্যতম ৰাজ্য হিচাপে অসমে স্বাধীনতা সংগ্ৰামৰ প্ৰত্যেকটো কাৰ্যসূচীতে যোগ দি ভাৰতক স্বাধীনতা আনি দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ভাৰতৰ মুক্তি সংগ্ৰামত অসমৰ জনসাধাৰণে কলিজাৰ কেঁচা তেজ দান কৰি হাঁহিমুখে অকথ্য নিৰ্যাতনৰ বলি হৈ ফাঁচীকাঠত ওলমিবলৈও

কুণ্ঠাবোধ কৰা নাছিল। স্বাধীনতাৰ দুৰ্বাৰ আকাংক্ষাত দেশৰ আন প্ৰান্তৰ লগতে অসমৰ ৰাইজো আকুল হৈ উঠিছিল। দেশৰ হাজাৰ হাজাৰ বীৰ ছহিদে হাঁহিমুখে আত্মহুতি দি বিশ্বৰ আগত যি চৰম ত্যাগৰ দৃষ্টান্ত দাঙি ধৰিলে তাৰ তুলনা নাই। বিয়াল্লিছৰ গণ বিপ্লৱে ভাৰতৰ মুক্তি পথৰ দুৱাৰ মুকলি কৰি দিয়ে। ১৯৪২ চনৰ ঐতিহাসিক আগষ্ট গণ বিপ্লৱত ভাৰতীয় জনসাধাৰণৰ স্বতঃস্ফূৰ্ত সঁহাৰিত ব্ৰিটিছৰ মেৰুদণ্ড কঁপি উঠিল। লোকমান্য তিলকৰ ‘স্বৰাজ আমাৰ জন্মগত স্বত্ব’ কথাষাৰে প্ৰতিজন মুক্তিকামী ভাৰতীয়ৰ অন্তৰত স্বাধীনতাৰ স্পৃহাক তীব্ৰতৰ কৰি তুলিছিল। ১৯৪২ চনৰ ‘ভাৰত ত্যাগ’ আন্দোলনৰ আৱেগিক গভীৰতা আৰু অভূতপূৰ্ব জনজাগৰণত স্বতঃস্ফূৰ্ত প্ৰকাশৰ গতি-বিধি লক্ষ্য কৰি ব্ৰিটিছ সিংহৰ মুঠি ঢিলা হৈ পৰিল। ব্ৰিটিছ চৰকাৰে ভাৰত এৰি যাবলৈ সিদ্ধান্ত ল’লে। অৱশেষত ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতে বহু আকাংক্ষিত স্বৰাজ লাভ কৰে। মহাত্মা গান্ধীৰ নেতৃত্বত দীৰ্ঘ কালজুৰি চলা দেশৰ স্বাধীনতা সংগ্ৰামৰ কোলাত এটা জাতি হিচাপে আমাৰ নতুন জন্ম হ’ল। ভাৰতবাসীৰ দেশপ্ৰেম, আত্মাৰ শক্তি আৰু নৈতিক সাহসৰ আগত নতি স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল বিদেশী শাসক। এখন সমৃদ্ধিশালী নতুন ভাৰত গঢ়াৰ ক্ষেত্ৰত আমাৰ দেশৰ মুক্তি যুঁজাৰুসকলৰ অকুণ্ঠ আত্মবলিদান তথা সহিষ্ণুতা নতুন প্ৰজন্মৰ বাবে অফুৰন্ত প্ৰেৰণাৰ উৎস হৈ ৰ’ব। ১৯৪৭ চনৰ ১৫ আগষ্টৰ চিৰস্মৰণীয় দিনৰ পৰাই স্বাধীন ভাৰতৰ ইতিহাস ৰচনাৰে ভাৰত এখন সাৰ্বভৌম, সমাজবাদী, গণতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰূপে পৃথিৱীত পৰিগণিত হ’ল। এইদৰে ভাৰতৰ স্বাধীনতা আন্দোলনে অহিংসা আৰু জাতীয় ঐক্যৰ আদৰ্শ প্ৰতিষ্ঠাৰ দিশতো ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছিল। এনে পৰিপ্ৰেক্ষিতত জাতীয় জীৱনৰ মহান সাংস্কৃতিক ঐক্যৰ সন্ধান দিবলৈ গ’লেই আমি আমাৰ দেশৰ স্বাধীনতা সংগ্ৰামৰ সুদীৰ্ঘ কালছোৱাৰ ইতিহাসৰ কথাকেই স্মৰণ কৰিব লাগিব। আমাৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস কেৱল ভাৰতীয় জাতিৰেই নহয়, বিশ্বৰ মানৱ সমাজৰ ইতিহাসতো এক গৌৰৱোজ্জ্বল অধ্যায়। ভাৰতৰ ক্ৰান্তিকালৰ ইতিহাস বিভিন্ন সংঘাত, বিভিন্ন আদৰ্শ, নানা দৰ্শন, নানা ৰাজনৈতিক আদৰ্শ আদিৰ একক সংমিশ্ৰণ। দেশৰ স্বাধীনতা দেশখনৰ বাবে কিমান দুৰ্লভ আৰু পবিত্ৰ সেয়া আমাৰ দেশৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসে সোঁৱৰাই দিয়ে। আজি আমি ভাৰতৰ দৰে এখন বিশাল গণতন্ত্ৰ স্বাধীন দেশৰ নাগৰিক হিচাপে প্ৰতিজন ভাৰতবাসীয়েই গভীৰ গৰ্ব অনুভৱ কৰো। শত-সহস্ৰ ছহিদৰ তেজ আৰু ত্যাগৰ বিনিময়ত আৰ্জিত এই স্বাধীনতাৰ তাৎপৰ্য অসীম। দুশ বছৰীয়া বিদেশী শাসনে থান-বান কৰি পেলোৱা আমাৰ ভাৰতীয় সমাজখনক একত্ৰিত কৰাৰ আৰু ইয়াৰ আদৰ্শ, প্ৰমূল্যসমূহ সমাজত পুনৰ প্ৰোথিত কৰাত স্বাধীনতা সংগ্ৰামে সহায় কৰিছিল। জ্ঞাত-অজ্ঞাত মুক্তি যোদ্ধাসকলৰ কাৰণেই আমি স্বাধীনতাৰ সোৱাদ লৈ মুক্ত আকাশৰ তলত মুকলি বতাহ সেৱন কৰিবলৈ সক্ষম হৈছো। মহান ভাৰতীয় জাতিৰ অবিচ্ছেদ্য অংগ হিচাপে অসমবাসী ৰাইজে স্বাধীনতাৰ ৰণত অৱতীৰ্ণ হৈ দেশপ্ৰেম আৰু ঐক্য সংহতিৰ



যাউতিযুগীয়া নিদৰ্শন দেখুৱাই গৈছে। বিদেশী শাসনৰ পৰা ভাৰতক মুক্ত কৰাৰ ক্ষেত্ৰত ‘ভাৰত ত্যাগ’ আন্দোলনে নিৰ্ণায়ক ভূমিকা লৈছিল। ভাৰতবৰ্ষই সদায়েই নৈতিক আৰু অহিংস শক্তিক প্ৰাধান্য দি আহিছে। যি সুমহান পৰম্পৰা আৰু ঐতিহ্যৰে আমাৰ দেশৰ স্বাধীনতা সমৃদ্ধ হৈছে সেই ঐতিহ্য আৰু পৰম্পৰাক অধিক মহীয়ান কৰিবলৈ আমি স্বাধীনতা দিৱসৰ পবিত্ৰ তিথিত ত্ৰিৰংগা পতাকাৰ তলত সংকল্পবদ্ধ হোৱাৰ সময়। স্বাধীনতা দিৱস প্ৰত্যেক স্বাধীন জাতিৰ গৌৰৱৰ দিন, বিপুল আনন্দ উৎসৱৰ দিন। এই পবিত্ৰ দিনটোত দেশবাসীয়ে নতশিৰে ৰাষ্ট্ৰীয় ত্ৰিৰংগাৰ প্ৰতি সন্মান যাঁচি শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে স্বাধীনতা লাভৰ ঐতিহাসিক দিনটোক সুঁৱৰি অন্তৰত লাভ কৰে গভীৰ প্ৰত্যয় আৰু প্ৰেৰণা। মুক্তি যুঁজৰ মহান ভাৰতীয় ঐতিহ্যৰ আদৰ্শৰাজিৰে পুনৰুজ্জীৱিত হৈ হিংসা, বিচ্ছিন্নতাবাদ আৰু সাম্প্ৰদায়িক শক্তিবোৰক এঘৰীয়া কৰি একৈশ শতিকাৰ এখন নতুন ভাৰতবৰ্ষ গঢ়াৰ সংকল্প লোৱাৰ এয়াই উপযুক্ত সময়। ভাৰতৰ স্বাধীনতা যুঁজত যিসকলে হাঁহিমুখে মৃত্যুবৰণ কৰি অমৰ হ’ল, যিসকল চিৰদিনৰ বাবে ঘুণীয়া হ’ল, যিসকল মুক্তি সংগ্ৰামীয়ে কাৰাগাৰৰ চাৰি বেৰৰ মাজত দুখ-কষ্টৰ মাজেৰে দিন অতিবাহিত কৰিলে, দেশৰ যিসকল বৰেণ্য সন্তান, অমৰ ছহিদে পৰাধীনতাৰ শিকলি ছিঙি স্বাধীন ভাৰতৰ স্বপ্ন বাস্তৱায়িত কৰিলে সেইসকল মহান মুক্তিকামী স্বাধীনতা সেনানীক স্বাধীনতা দিৱসৰ পুণ্য তিথিত সহৃদয়তাৰে স্মৰণ কৰিছো। ❑❑

# নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰয়োজনীয়তা



ড° দয়ানন্দ পাঠক

এটা জাতিৰ জাতীয় চৰিত্ৰ আৰু কৰ্মদক্ষতা সেই জাতিৰ শিক্ষানীতি আৰু ব্যৱস্থাপনাৰ ওপৰত নিৰ্ভৰ কৰে। এগৰাকী ব্যক্তিৰ যেনেকৈ এটি লক্ষ্য থাকে, এটা জাতিৰো এক লক্ষ্য থাকে। সেই লক্ষ্যত উপনীত হ'বলৈ সেই জাতিৰ এক জাতীয় শিক্ষানীতি লাগিব। তেনে শিক্ষানীতিত জাতিটোৰ জাতীয় আদৰ্শ, ঐতিহ্যপ্ৰীতি, ইতিহাস চেতনা, বিজ্ঞানমনস্কতা, সাংস্কৃতিক মানসিকতা, আত্মৰক্ষাৰ ভাৱনা, সামাজিক চেতনা, আত্মনিৰ্ভৰশীল হোৱাৰ দুৰ্বাৰ বাসনা নিহিত থাকিব লাগিব। এনেবোৰ গুণ-গৰিমা সদায় ডিগ্ৰীকেন্দ্ৰিক হ'ব নোৱাৰে। শিক্ষা ব্যৱস্থাই এগৰাকী নাগৰিকৰ জীৱনৰ প্ৰতিটো কথা-কামকেই প্ৰভাৱিত কৰিব পাৰিব লাগিব। কেৱল জীৱিকাই শিক্ষাৰ একমাত্ৰ কথা হ'ব নোৱাৰে। শিক্ষা অবিহনেও জীৱিকা হ'ব পাৰে, হৈছেও। কিন্তু এগৰাকী আদৰ্শ নাগৰিক হ'বলৈ এক বলিষ্ঠ শিক্ষানীতি লাগিবই। কিন্তু এই কথাও সমানেই সঁচা যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে শিক্ষানীতিৰো সমান্তৰাল পৰিৱৰ্তন লাগিব। ব্ৰিটিছ ঔপনিৱেশিক শাসন কালত ভাৰতবৰ্ষত যিটো শিক্ষা ব্যৱস্থা বা শিক্ষানীতি আছিল সেই নীতি আৰু ব্যৱস্থাপনা আজি অপ্ৰাসংগিক হৈ পৰা নাই জানো? ঠিক একেদৰে স্বাধীন ভাৰতবৰ্ষত প্ৰৱৰ্তিত শিক্ষা ব্যৱস্থা তদানীন্তন কালত প্ৰাসংগিক বুলি বিবেচিত হ'লেও আজি তেনে শিক্ষা ব্যৱস্থা অপ্ৰাসংগিক হৈ পৰা নাইনে?

এনে পটভূমিতেই ১৯৮৬ চনত এক নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি প্ৰৱৰ্তিত হৈছিল। ১৯৯২ বৰ্ষত সেই শিক্ষানীতিৰেই আংশিক সংশোধন ঘটিছিল। যি নহওক আমি ৩৪ টা বৰ্ষ অতিক্ৰম কৰিলো। ১৯৮৬ চনৰ নতুন শিক্ষানীতি এতিয়া আৰু নতুন হৈ থকা নাই। ৰাষ্ট্ৰীয় শিক্ষানীতি যুগসাপেক্ষ হ'বই লাগিব। এনে পৰিপ্ৰেক্ষিতত নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ (২০২০) প্ৰয়োজনীয়তা আৰু প্ৰাসংগিকতা কিমান তাক বহলাই কোৱাৰ প্ৰয়োজন নাই। ২০২০ বৰ্ষৰ এই নতুন শিক্ষানীতিত প্ৰথমে এইদৰে কোৱা হৈছে— Education is Fundamental for achieving full human potential, developing on equitable and just society and promoting national development. Providing universal access to quality education is the key to India's continued ascent, and leadership on the global stage in terms of economic growth, social justice and equality, scientific advancement, national integration and cultural preservation.

*এক নতুন শিক্ষানীতিক নতুনকৈ প্ৰণয়ন আৰু প্ৰৱৰ্তন কৰিবলৈ যথেষ্ট প্ৰাৰম্ভিক প্ৰস্তুতিৰ প্ৰয়োজন। নৰেন্দ্ৰ মোদী চৰকাৰৰ সেই সময়ৰ শিক্ষামন্ত্ৰী প্ৰকাশ জাভৰেকাৰে ISROৰ প্ৰাক্তন সভাপতি আৰু প্ৰাক্তন সাংসদ (ৰাজ্যসভা) কে কস্তুৰীৰংগনৰ নেতৃত্বত ২০১৭ চনত নতুন শিক্ষানীতিৰ এক খচৰা প্ৰস্তুত কৰিবলৈ এখন ১২ জনীয়া কমিটী গঠন কৰি দিয়ে। এই কমিটীয়ে ৪৮৪ পৃষ্ঠাৰ এক দীঘলীয়া নতুন শিক্ষানীতিৰ খচৰা প্ৰস্তুত কৰি চৰকাৰৰ হাতত ২০১৮ চনৰ ১৫ ডিচেম্বৰ তাৰিখে জমা দিয়ে। এই খচৰাৰ আধাৰতেই ২০২০ বৰ্ষৰ নতুন শিক্ষানীতিৰ প্ৰৱৰ্তন কৰা হয়।*

ওপৰত কোৱা কথাখিনিয়ে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ ৰ উদ্দেশ্য আৰু লক্ষ্যৰ এক ইংগিত দাঙি ধৰিছে। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ ৰ প্ৰস্তাৱনাত আৰু কোৱা হৈছে যে এই নতুন শিক্ষানীতি ২১ শতিকাৰ প্ৰথম ৰাষ্ট্ৰীয় শিক্ষানীতি। This National Education Policy 2020 is the first education policy of the 21st century and aims to address the many growing developmental imperatives of our country. যিয়েই নহওক এই শিক্ষানীতিৰ দ্বাৰা ভাৰতবৰ্ষক প্ৰতিটো দিশৰ পৰাই সমৃদ্ধ কৰাৰ পৰিকল্পনা কৰা হৈছে।

এক নতুন শিক্ষানীতিক নতুনকৈ প্ৰণয়ন আৰু প্ৰৱৰ্তন কৰিবলৈ যথেষ্ট প্ৰাৰম্ভিক প্ৰস্তুতিৰ প্ৰয়োজন। নৰেন্দ্ৰ মোদী চৰকাৰৰ সেই সময়ৰ শিক্ষামন্ত্ৰী প্ৰকাশ জাভৰেকাৰে ISROৰ প্ৰাক্তন সভাপতি আৰু প্ৰাক্তন সাংসদ (ৰাজ্যসভা) কে কস্তুৰীৰংগনৰ নেতৃত্বত ২০১৭ চনত নতুন শিক্ষানীতিৰ এক খচৰা প্ৰস্তুত কৰিবলৈ এখন ১২ জনীয়া কমিটী গঠন কৰি দিয়ে। এই কমিটীয়ে ৪৮৪ পৃষ্ঠাৰ এক দীঘলীয়া নতুন শিক্ষানীতিৰ খচৰা প্ৰস্তুত কৰি চৰকাৰৰ হাতত জমা দিয়ে ২০১৮ চনৰ ১৫ ডিচেম্বৰ তাৰিখে। এই খচৰাৰ আধাৰতেই ২০২০ বৰ্ষৰ নতুন শিক্ষানীতি। খচৰাৰ বিভিন্ন কথা নতুন শিক্ষানীতিত গ্ৰহণ কৰিলেও কিছু কথা সংশোধিত হৈছে বিভিন্ন আলোচনা, পৰ্যালোচনা আৰু বিতৰ্কৰ আধাৰত।

২০২০ বৰ্ষৰ নতুন শিক্ষানীতি ক'বলৈ গ'লে অতি সহজ আৰু সৰলভাৱেই প্ৰস্তুত কৰা হৈছে। নতুন শিক্ষানীতিৰ সামগ্ৰিকতাক মাত্ৰ চাৰিটা ভাগত প্ৰণয়ন কৰা হৈছে। প্ৰথম ভাগত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা, দ্বিতীয় ভাগত উচ্চ শিক্ষা, তৃতীয় ভাগত বৃত্তিমুখী শিক্ষা, প্ৰাপ্তবয়স্কৰ শিক্ষা, ভাৰতীয় ভাষা, কলা আৰু সংস্কৃতিৰ বিকাশ, কাৰিকৰী শিক্ষাৰ বাস্তৱায়ন আৰু অনলাইন তথা ডিজিটেল শিক্ষাৰ কথাবোৰ তন্ন তন্নকৈ আলোচনা কৰা হৈছে। চতুৰ্থ ভাগত বিত্তীয় কথাবোৰৰ লগতে চেণ্ট্ৰেল এডভাইছাৰী ব'ৰ্ড অব এডুকেশ্বন নামৰ প্ৰতিষ্ঠানটোক অধিক সক্ৰিয় কৰাৰ লগতে নতুন শিক্ষানীতিত প্ৰকৃত বাস্তৱায়নৰ কথাবোৰ সুন্দৰকৈ বিশ্লেষণ কৰা হৈছে।

প্ৰাথমিক শিক্ষাই হওক বা মাধ্যমিক শিক্ষাই হওক নাইবা উচ্চ শিক্ষাই হওক বা শিক্ষক প্ৰশিক্ষণেই হওক, নতুন শিক্ষানীতিয়ে কোনকেইটা কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে? প্ৰথম কথা আমাৰ শিক্ষা ব্যৱস্থাৰ লগত ভাৰতীয় ঐতিহ্য আৰু সংস্কৃতিৰ এক যোগাত্মক সম্পৰ্ক থাকিব লাগিব। সেইবুলি আমি অতীত ঐতিহ্যত পিঞ্জৰাবদ্ধ হৈ থাকিলেই নহ'ব। কাৰণ বিশ্ব সভ্যতা-সংস্কৃতিৰ সামগ্ৰিকতাৰ প্ৰতিও আমি সচেতন হ'ব লাগিব। সমগ্ৰ বিশ্বত গা কৰি উঠা শিক্ষানীতিৰ সৈতে আমাৰ দেশীয় শিক্ষা ব্যৱস্থাৰ এক সম্পৰ্ক থাকিব লাগিব। নতুন শিক্ষানীতিয়ে গ্ল'বেল ইক' ছিষ্টেমৰ কথা কৈছে। ইতিমধ্যে বিশ্ববেংক আৰু ইউনেস্ক'ৰ দৰে বিশ্ব প্ৰতিষ্ঠানসমূহে আগবঢ়োৱা পৰামৰ্শসমূহো আমাৰ শিক্ষানীতিত অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা হৈছে।

নতুন শিক্ষানীতিয়ে An integrated yet flexible approach to education নীতি গ্ৰহণ কৰিছে। শিক্ষা ব্যৱস্থাৰ শিথিলতাৰ যে প্ৰয়োজন আছে সেই কথা নতুন শিক্ষানীতিত স্বীকাৰ কৰা হৈছে। সেইবাবেই নতুন ব্যৱস্থাত ১০+২ নীতিৰ ঠাইত ৫ + ৩ + ৩ + ৪ নীতি প্ৰৱৰ্তন কৰা হৈছে। এই ব্যৱস্থা প্ৰাথমিক আৰু মাধ্যমিক স্তৰৰ শিক্ষাদানৰ ক্ষেত্ৰতহে। কলেজীয়া বা বিশ্ববিদ্যালয় মহলাৰ শিক্ষাৰ ক্ষেত্ৰতো বিস্তৰ পৰিৱৰ্তন। প্ৰাথমিক আৰু মাধ্যমিক স্তৰৰ শিক্ষাক এনেদৰে পুনৰ্গঠিত কৰা হৈছে। প্ৰথম পাঁচটা বৰ্ষক ফাউণ্ডেচন ষ্টেজ বোলা হৈছে। এই পাঁচটা বৰ্ষকো ৩ + ২ ভাগত ভগাই গ্ৰেড ১ আৰু গ্ৰেড ২ হিচাপে পুনৰ গঠিত কৰা হৈছে। দ্বিতীয় তিনিটা বছৰক প্ৰাক বিদ্যালয় পৰ্যায়ৰ ৰূপত তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীকেইটাক সামৰা হৈছে। পৰৱৰ্তী তিনিটা বছৰক (Class VI, Class VII আৰু Class VIII) মাধ্যমিক স্তৰৰ প্ৰথম ভাগৰ শিক্ষা বুলি কোৱা হৈছে। শেষৰ চাৰিটা বছৰৰ (Class IX, Class X, Class XI আৰু Class XII) চাৰিটা শ্ৰেণীক মাধ্যমিক শিক্ষা বুলি পুনৰ্গঠিত কৰা হৈছে।

শিথিলতা স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়তো অনা হৈছে। যেনে স্নাতক মহলাৰ বাবে চাৰিটা বৰ্ষ থাকিব। চাৰিটা বৰ্ষতেই প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থাও থাকিব। যেনে, প্ৰথম বছৰৰ পিছত ছাত্ৰজন গুচি আহিলে তেওঁ স্নাতক চাৰ্টিফিকেটখন পাব, পিছৰ বছৰত ডিপ্ল'মা, তৃতীয় বৰ্ষত ডিগ্ৰী আৰু চতুৰ্থ বছৰটো সম্পূৰ্ণ কৰিলে ডিগ্ৰীৰ লগতে ৰিছাৰ্চ বা গৱেষণা কৰাৰ সুবিধা লাভ কৰিব। স্নাতকোত্তৰ পৰ্যায়তো তদ্ৰূপ শিথিল প্ৰৱেশ আৰু প্ৰস্থানৰ সুবিধা

থাকিব। যিসকল ছাত্ৰই চাৰি বছৰীয়া স্নাতক ডিগ্ৰীৰ পাঠ্যক্ৰম গ্ৰহণ কৰিছে, তেওঁলোকৰ বাবে স্নাতকোত্তৰ ডিগ্ৰী এবছৰীয়াও হ'ব পাৰে নাইবা দুবছৰীয়াও হ'ব পাৰে। সেয়া ছাত্ৰজনৰ নিজৰ ইচ্ছাৰ আধাৰত।

এতিয়া পূৰ্বৰ বি এ, বি কম,বি এছ চি আদি ডিগ্ৰীবোৰৰ সুকীয়া সুকীয়া অৱস্থিতি নাথাকিব। কাৰণ, পদাৰ্থ বিজ্ঞানৰ ছাত্ৰজনে কলা শাখাৰো বিষয়বোৰ ল'ব পাৰিব। পদাৰ্থ বিজ্ঞানৰ ছাত্ৰজনে মেজৰ বিষয় হিচাপে পদাৰ্থ বিজ্ঞান লৈ সংগীত বা ইতিহাসক মাইনৰ বিষয় হিচাপে ল'ব পৰা হ'ল। মূল কথা হ'ল বিজ্ঞানেই হওক, কলাই হওক বা বাণিজ্যই হওক ছাত্ৰসকলে ভাৰতীয় ঐতিহ্য আৰু বিশ্বৰ পৰিৱৰ্তনশীল জ্ঞান-বিজ্ঞানৰ সৈতে এক যোগাত্মক সম্পৰ্ক স্থাপন কৰিবই লাগিব। নতুন শিক্ষানীতিৰ প্ৰাথমিক আৰু মূল উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰীসকলক Holistic আৰু Multi Disciplinary Education ৰ ফালে ধাৱমান কৰাবই লাগিব। অৰ্থৰ অভাৱত কোনোবাই শিক্ষাগ্ৰহণ কৰিব নোৱাৰিব, তেনে কথাও হ'ব নোৱাৰে বুলি নতুন শিক্ষানীতিত স্পষ্ট কৰি দিয়া হৈছে। 'সকলোৰে বাবে শিক্ষা' এই আদৰ্শহে নতুন শিক্ষানীতিৰ কথা। সেইবাবেই নতুন শিক্ষানীতিক Equity আৰু Inclusionৰ বাৰ্তা বিলোৱা হৈছে।

শিক্ষকৰ প্ৰশিক্ষণৰ কথাটো নতুনকৈ ভবা হৈছে। শিক্ষকসকলক যিহেতু সমাজৰ ৰাজহাড় বুলি আখ্যা দিয়া হয় সেইবাবে শিক্ষকক শিক্ষক হিচাপে সঠিক শিক্ষা দিয়াৰ প্ৰয়োজনবোধ কৰা হৈছে। আমাৰ বৰ্তমানৰ বি এড ডিগ্ৰীবোৰৰ পৱিত্ৰতাৰ ওপৰতো প্ৰশ্ন অৱতাৰণা কৰা হৈছে। প্ৰথমতে কোৱা হৈছে যে "Teacher Education is vital in creating a pool of school teachers that will save the next generation..." তাৰ পিছত কোৱা হৈছে যে এগৰাকী স্কুল শিক্ষক ভাৰতীয় আদৰ্শ, ভাষা, সংস্কৃতি, ঐতিহ্য, প্ৰমূল্যৰ লগতে জনজাতীয় ঐতিহ্যৰ সৈতেও নিবিড়ভাৱে পৰিচিত হ'ব লাগিব। লগতে এগৰাকী শিক্ষক শিক্ষাদানৰ ন ন কথাবোৰৰ সতেও পৰিচিত হ'ব লাগিব। আধুনিক বিশ্বৰ আধুনিকতাৰ সতেও পৰিচিত হ'ব লাগিব। কিন্তু পূৰ্বতে বি এড ডিগ্ৰীটোৰ সৈতে অনেক দুৰ্নীতিৰ কথা ক'বলৈ গৈ জে এছ ভাৰ্মা আয়োগে ২০১২ চনত বি এড কলেজবোৰৰ বিষয়ে এক বিৰূপ মন্তব্য কৰাৰ কথাও এই শিক্ষানীতিত কোৱা হৈছে। সেইমতে, বি এড পাঠ্যক্ৰমক কলেজবোৰতো আৰম্ভ কৰাৰ প্ৰস্তাৱ অনা হৈছে। এই পাঠ্যক্ৰম চাৰি বছৰীয়া কৰাৰ কথাও কোৱা হৈছে।

বৃত্তিমুখী শিক্ষাৰ কথাটোকো বিশেষ গুৰুত্ব দিয়া হৈছে। ভাৰতবৰ্ষত বৃত্তিমুখী শিক্ষা ৫ শতাংশ ছাত্ৰ-ছাত্ৰীয়েহে লাভ কৰা বুলি কোৱা হৈছে। অথচ, যুক্তৰাষ্ট্ৰত ৫২ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে বৃত্তিমুখী শিক্ষা গ্ৰহণ কৰে। জাৰ্মানীত ৭৫ শতাংশ আৰু দক্ষিণ কোৰিয়াত ৯৬ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে বৃত্তিমুখী শিক্ষাৰ সুবিধা লাভ কৰে। এতেকে, নতুন শিক্ষা নীতিত বৃত্তিমুখী শিক্ষাক আমাৰ সাধাৰণ কলেজ-বিশ্ববিদ্যালয়ৰ শিক্ষাৰ লগত সংযোজিত কৰাৰ প্ৰস্তাৱ অনা হৈছে। এনে ব্যৱস্থাৰ মাজেৰে কাৰিকৰী শিক্ষাৰ প্ৰাথমিক, মাধ্যমিক আৰু কলেজীয়া শিক্ষাৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰাৰো ব্যৱস্থা কৰা হৈছে। এতিয়া সাধাৰণ শিক্ষা আৰু বৃত্তিমুখী শিক্ষা একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি বুলি বিবেচিত হ'ব।

গৱেষণাৰ গুৰুত্বও নতুন শিক্ষা নীতিত দিয়া হৈছে। ভাৰতবৰ্ষৰ দৰে দেশ এখনে গৱেষণাৰ ক্ষেত্ৰত অতি কম টকা ব্যয় কৰে সেই কথাটোও স্বীকাৰ কৰা হৈছে। ভাৰতবৰ্ষৰ দৰে বৃহৎ দেশখনে গৱেষণাৰ ক্ষেত্ৰত মাত্ৰ ০.৬৯ শতাংশ জি ডি পি ব্যয় কৰে। অথচ আমেৰিকাই কৰে ২.৪ শতাংশ, ইজৰাইলে ৪.২ শতাংশ আৰু দক্ষিণ কোৰিয়াই কৰে ৪.২ শতাংশ। এনে স্থিতি ক'বলৈ গ'লে



বৰ পুতৌলগা। কিন্তু গৱেষণা অবিহনে নতুন জ্ঞানৰ সৃষ্টি নহয়। পৰিৱেশ পৰিৱৰ্তন, জনসংখ্যা, ডিজিটেল মাৰ্কেটিং, মেনেজমেণ্ট, বায়'টেকনলজী, আৰ্টিফিচিয়েল ইণ্টেলিজেন্স আদি বিষয়সমূহৰ ওপৰত আমাৰ অনেক কৰিবলগীয়া আছে। আজিৰ পৰিৱেশতো ভাৰতবৰ্ষই বিশুদ্ধ খোৱাপানী, চেনিটেচন, স্বাস্থ্য, পৰিবহণ, বিশুদ্ধ বায়ু, শক্তি, আন্তঃগাঁথনি আদি ক্ষেত্ৰতো অনেক গৱেষণা কৰিবলগীয়া আছে। এনেবোৰ ক্ষেত্ৰৰ গৱেষণাতো আমাক Multi Disciplinary আৰু Inter Disciplinary কাৰ্যক্ৰম লাগিব। গৱেষণা কৰ্মক চোৱা-চিতা কৰিবলৈ National Research Foundation (NRF) নামৰ এটি স্বতন্ত্ৰ প্ৰতিষ্ঠানৰ কথাও ভবা হৈছে। গৱেষণাৰ নামত এম ফিল ডিগ্ৰীকেন্দ্ৰিক গৱেষণাক স্বীকৃতি প্ৰদান কৰা নহ'ব বুলি কোৱা হৈছে। ভৱিষ্যতলৈ এম ফিল পৰ্যায়ৰ গৱেষণা নাথাকিব। ইণ্টাৰনেট আৰু অনলাইন পৰ্যায়ৰ শিক্ষাদানো নতুন শিক্ষানীতিৰ অন্তৰ্গত হ'ব বুলি কোৱা হৈছে।

কলেজসমূহ কেনেকে চলিব? এই নতুন নীতিত স্বায়ত্ত শাসনৰ কথাও কোৱা হৈছে। অহা ১০ টা বছৰৰ ভিতৰত প্ৰতিখন কলেজ স্বায়ত্তশাসিত হ'ব আৰু বিশ্ববিদ্যালয়ৰ কৰ্তৃত্বৰ ভিতৰত নাথাকিব বুলিও কোৱা হৈছে। স্বায়ত্তশাসিত হ'লে প্ৰতিখন কলেজে নিজাববীয়াকৈ পাঠ্যক্ৰম প্ৰস্তুত কৰিব লাগিব। পৰীক্ষা আদিও চলাব লাগিব। কিন্তু নামভৰ্তিৰ ক্ষেত্ৰত National Testing Agency নামৰ প্ৰতিষ্ঠান এটাই মূল কথাবোৰ নিয়ন্ত্ৰণ কৰিব। সেয়েহে এয়া কেনেধৰণৰ কথা হ'ব পিছতহে জানিব পৰা যাব।

সকলো পৰ্যায়তে ছাত্ৰ-ছাত্ৰীসকলৰ মন-মগজুত এক স্বনিৰ্ভৰশীল তথা বৃত্তিমুখী ভাৱনাৰ সৃষ্টি কৰা হ'ব বুলিও কোৱা হৈছে। এনে কৰিবলৈ যাওঁতে পাঠ্যক্ৰম আৰু পাঠ্যপুথি প্ৰস্তুত কৰাৰ এক মহৎ দায়িত্বও কলেজসমূহে ল'বলগীয়া হ'ব।

আমাৰ ৰাজ্যখনৰ ফালে চালেই বহুত কথা ক'ব পাৰি। আমাৰ ৰাজ্যখন বহুভাষিক ৰাজ্য। নতুন শিক্ষানীতিত পঞ্চম শ্ৰেণীলৈ মাতৃভাষাৰে শিক্ষা দিয়া হ'ব। পাছলৈ ভাষাৰ ক্ষেত্ৰত কি হ'ব সেয়া বৰ স্পষ্টভাৱে ক'ব পৰা হোৱা নাই। তথাপি এটা কথা ক'ব পাৰি যে ভাৰতবৰ্ষৰ প্ৰতিটো ৰাজ্যভাষাই গুৰুত্বপূৰ্ণ স্থান লাভ কৰিব। পিছে, সংস্কৃত ভাষাই যে এক বিশেষ মৰ্যাদা পাব সেয়া নিশ্চিত।

যদিও আমাৰ কলেজ আৰু বিশ্ববিদ্যালয়ৰ সংখ্যা বাঢ়িছে, তথাপি উচ্চ শিক্ষা আমাৰ ৬ ৰ পৰা ১০ শতাংশ ছাত্ৰইহে গ্ৰহণ কৰিব পাৰিছে। নতুন শিক্ষা নীতিত এই কথাটোও আলোচিত হৈছে। নতুন শিক্ষা নীতিত প্ৰতিটো পৰ্যায়তে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি কৰা হ'ব বুলি কোৱা হৈছে।

বিদেশী ১০০খন মানবিশিষ্ট বিশ্ববিদ্যালয়ৰ চৌহদ ভাৰতবৰ্ষত খোলাৰ প্ৰস্তাৱো লোৱা হৈছে। আমাৰ কলেজ-বিশ্ববিদ্যালয়বোৰে এই বিদেশী বিশ্ববিদ্যালয়বোৰৰ স'তে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব লাগিব।

আমাৰ শিক্ষাখণ্ডৰ এক বৃহৎ অংশ ব্যক্তিগত খণ্ডৰ হাতত। নতুন শিক্ষানীতি অনুসৰি তেনেবোৰ শিক্ষা প্ৰতিষ্ঠানো ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দ্বাৰা পৰিচালিত হ'ব। ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠানসমূহ ব্যক্তিগত পৰ্যায়ত থাকিলেও ব্যৱসায়িক প্ৰতিষ্ঠান হিচাপে বৰ্তিব নোৱাৰিব। তেনে শিক্ষা প্ৰতিষ্ঠানবোৰৰ বিত্তীয় বিষয়বোৰ ৰাইজৰ দৃষ্টিগোচৰ হ'ব লাগিব। যধে-মধে মাচুল বৃদ্ধিৰ কথাবোৰ সম্পূৰ্ণৰূপে বন্ধ হ'ব লাগিব। অৰ্থাৎ শিক্ষাৰ ব্যৱসায়ীকৰণক কোনো কাৰণতেই গ্ৰহণ কৰা নহ'ব বুলি শিক্ষানীতিত স্পষ্ট কৰি দিয়া হৈছে। অনুবাদ কৰ্ম আৰু ব্যাখ্যা কৰ্মৰ ওপৰত গুৰুত্ব দিয়াৰ কথাও কোৱা হৈছে। এয়া এক উৎসাহজনক কথা বুলি বিবেচনা কৰা হৈছে। ৰাষ্ট্ৰীয় চেতনাৰ সামগ্ৰিকতাৰ বাবে এনে পদক্ষেপৰ প্ৰয়োজন নুই কৰিব নোৱাৰি।

পাঠ্যক্ৰমৰ বৰ্ণাঢ্যতা গৃহীত হ'লেও পাঠ্যপুথিৰ সংকোচনৰ কথাও ভবা হৈছে। শিক্ষাৰ নামত কুমলীয়া ছাত্ৰ-ছাত্ৰীসকলে পিঠিত কিতাপৰ বোজা লৈ ফুৰাটো গ্ৰহণযোগ্য নহয় বুলিও ভবা হৈছে।

আৰু এটা কথা। পূৰ্বতে শিক্ষা বিভাগটো শিক্ষা বিভাগ বুলিয়ে পৰিচিত হৈছিল। পাছলৈ ইয়াক মানৱ সম্পদ উন্নয়ন বিভাগ বুলি কোৱা হ'ল। এই নীতিত পুনৰ বিভাগটোক শিক্ষা বিভাগ বুলিয়েই কোৱাৰ সিদ্ধান্ত লোৱা হ'ল।

১৯৬৪ চনত কোঠাৰী শিক্ষা আয়োগে শিক্ষাৰ ক্ষেত্ৰত ৬ শতাংশ জি ডি পি ব্যয় কৰাৰ পৰামৰ্শ দিছিল। কিন্তু এই ব্যয় ১.৭ শতাংশৰ পৰা অলপহে ওপৰলৈ উঠিল। এই নীতিত চৰকাৰে শিক্ষাৰ খণ্ডত ব্যয় বৃদ্ধি কৰিব বুলিও সিদ্ধান্ত লৈছে।

সকলো নিৰ্ভৰ কৰিব ৰাইজৰ গ্ৰহণশীলতাৰ ওপৰত। লগতে নিৰ্ভৰ কৰিব নীতিৰ ৰূপায়ণৰ বেলিকাও। পৰিৱৰ্তনবিমুখ শিক্ষা ব্যৱস্থা এটাৰ মাজেৰে যে বৈপ্লৱিক কোনো পৰিৱৰ্তন নাহে সেই কথাটো আমিও অনুভৱ কৰিব লাগিব। পৰিৱৰ্তন আমাক লাগিবই। কিন্তু পৰিৱৰ্তন একেটা দিনতে প্ৰতিটো স্তৰৰ শিক্ষাৰ ক্ষেত্ৰত বাস্তৱায়িত কৰিবলৈ গ'লে তাৰ ফল কেনে হ'ব পাৰে সময়েহে ক'ব পাৰিব। কিন্তু অনিশ্চয়তাৰ আশংকাত আমি পৰিৱৰ্তন প্ৰক্ৰিয়াক উপেক্ষা কৰিব নোৱাৰো। সম্ভাব্য অনিশ্চয়তাক চম্ভালিবলৈ আমি যৌথভাৱে অগ্ৰসৰ হ'ব লাগিব। মুঠৰ ওপৰত ৰাইজৰ সহযোগিতা লাগিবই। পৰিৱৰ্তনৰ পথত অনেক বাধা আহিব। এনে বাধাবোৰ আমি সুবিধালৈ ৰূপান্তৰিত কৰিব লাগিব। চৰকাৰ আৰু ৰাইজৰ পৰস্পৰৰ মাজতো বুজা-পৰাৰ ভাব এটাৰ প্ৰয়োজন হ'ব।

পৰীক্ষাৰ বিষয়টোও আলোচিত। প্ৰাথমিক স্তৰত পৰীক্ষাক গুৰুত্ব নিদিয়াৰেই প্ৰস্তাৱ ৰখা হৈছে। ছাত্ৰ-ছাত্ৰীৰ মাজত থকা আন আন গুণ-গৰিমাবোৰৰ ওপৰতহে গুৰুত্ব দিয়াৰ কথা কোৱা হৈছে। প্ৰতিখন বিদ্যালয়তে পুথিভঁৰাল স্থাপনৰ লগতে ডিজিটেল লাইব্ৰেৰীৰ কথাও কোৱা হৈছে। যিবোৰ বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ ব্যৱস্থা আছে তাত পুৱাৰ আহাৰ দিয়াৰ কথাও কোৱা হৈছে। এনেবোৰ কথাই নতুন শিক্ষা নীতিত নতুনত্ব আনিছে। এতিয়া নতুন নীতিৰ বাস্তৱায়নৰ কথাটোহে গুৰুত্বপূৰ্ণ হ'ব। ❑❑

*লেখকৰ ফোন নং ঃ ৯৮৫৪০-৫০৯৪৭*

e-mail : dayanandapathak123@gmail.com

# প্ৰতিৰক্ষা ব্যৱস্থাত বিশ্বাসৰ নতুন ভেটি

## ভাৰতীয় বায়ুসেনা বাহিনীত 'ৰাফেল'ৰ অন্তৰ্ভুক্তি





ড° জয়কান্ত শৰ্মা


যোৱা অক্টোবৰ মাহত (২০১৯) প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ফ্ৰান্সলৈ গৈ ভাৰতৰ বাবে নিৰ্মিত ৰাফেল যুঁজাৰু বিমান এখন চমজি লৈছিল। আকাশ মাৰ্গত ৰাফেলৰ উৰণ ক্ষমতাৰ বৈশিষ্ট্য উপভোগ কৰাৰ পূৰ্বে তেওঁ ভাৰতীয় পৰম্পৰা অনুসৰি শুভকৰ ক্ৰিয়াবিধিও পালন কৰিছিল। বিমানখন পাইলটসকলৰ প্ৰশিক্ষণৰ বাবে তাতে এৰি থৈ দেশলৈ উভতি আহি তেওঁ ঘোষণা কৰিছিল, নিৰ্ধাৰিত সূচী অনুসৰিয়েই ভাৰতে ৰাফেল বিমানৰ যোগান লাভ কৰিব। তেতিয়াৰে পৰা সচেতন ভাৰতীয় জনসাধাৰণৰ মনত আৰম্ভ হৈছিল ৰাফেলৰ বাবে অপেক্ষা।

ইয়াৰ মাজত কিছু উদ্বিগ্নতাও নথকা নহয়। পাকিস্তানৰ ফালৰ পৰা অহৰহ সন্ত্ৰাসবাদীৰ আক্ৰমণ। আনহাতে, সীমান্তত চীনৰ ৰণচালি, ইয়াৰ সন্মুখীন হ'বলৈ ভাৰতক এটা শক্তিশালী বিমান বাহিনী লাগে। শেহতীয়াভাৱে লাডাখত চীনৰ আগ্ৰাসন আৰু দক্ষিণ চীন সাগৰত তৃতীয় বিশ্বযুদ্ধৰ ডংকা, এই দুটা পৰিঘটনাই সুৰক্ষিত ভাৰতবৰ্ষৰ বিষয়ে চিন্তা-ভাৱনা কৰিবলৈ জনগণক বাধ্য কৰি তোলে। এনে প্ৰেক্ষাপটত ফ্ৰান্সৰ বৰডিক্স বন্দৰৰ পৰা ৭৩০০ কিঃমিঃ অতিক্ৰম কৰি আম্বালা বিমানকোঠত ৰাফেল অৱতৰণ কৰাৰ মুহূৰ্তলৈ অধীৰ উৎকণ্ঠাৰে বাট চাই আছিল ভাৰতবাসী।

মুৰকত দুখন ছুখই ৩০ এম কে আই যুঁজাৰু বিমানে আদৰি অনা পাঁচখন ৰাফেলে ২৯ জুলাইৰ আবেলি ৩.১০ বজাত অৱতৰণ কৰিলে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ ভাষাত, আমাৰ পক্ষীকেইটি নিৰাপদে আহি পালে। তেওঁ কৈছে, ভাৰতীয় বিমান বাহিনীৰ বৰ্ধিত শক্তিয়ে আমাৰ ভৌগোলিক অখণ্ডতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা শত্ৰুসকলক বাৰুকৈয়ে চিন্তিত কৰি তুলিব।

ইতিমধ্যে পাকিস্তানে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছেই। দেশখনৰ বিদেশ মন্ত্ৰালয়ে আন্তঃৰাষ্ট্ৰীয় শক্তিসমূহলৈ এইবুলি আহ্বান জনাইছে যে ভাৰতক অধিক পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আহৰণ কৰিবলৈ এৰি দিলে দক্ষিণ এছিয়াত শক্তিৰ ভাৰসাম্য বিনষ্ট হ'ব। পিছে পাকিস্তানৰ দুশ্চিন্তা হ'ল, সন্ত্ৰাসবাদীৰ ঘাটিবোৰ সুৰক্ষিত ৰাখিব পৰা যাবনে! ইয়াৰ পূৰ্বে ভাৰতে ছাৰ্জিকেল ষ্ট্ৰাইকত ছুখই বিমানৰ সমৰ্থনত মিগ বিমান ব্যৱহাৰ কৰিছিল, কিন্তু এতিয়া ভাৰতে ইচ্ছা কৰিলেই ৰাফেল বিমানেৰে মাথোন সীমান্তৰ ঘাটিবোৰতেই নহয়, পাকিস্তানৰ অভ্যন্তৰত থকা সন্ত্ৰাসবাদীৰ ঘাটিও ধ্বংস কৰিব পাৰিব। তাতে আম্বালা বিমানকোঠ হ'ল পাকিস্তান সীমান্তৰ পৰা মুঠেই দুশ কিলোমিটাৰ দূৰত।

চীনে দাবী কৰিছে, তেওঁলোকৰ হাতত পঞ্চম প্ৰজন্মৰ জে-২০ যুঁজাৰু বিমান আছে, কিন্তু এই দাবীৰ সাৰ্থকতা এতিয়াও প্ৰমাণিত হোৱা নাই। তাৰ বিপৰীতে ৰাফেলৰ কাৰ্যদক্ষতা ইতিমধ্যেই ছিৰিয়া, ইৰাক আৰু আফগানিস্তানৰ ৰণভূমিত সাব্যস্ত হৈছে। শেহতীয়া সমৰ প্ৰযুক্তিৰে সমৃদ্ধ যুঁজাৰু বিমানবোৰৰ ভিতৰত ৰাফেলৰ স্থান ওপৰত, তাতে আকৌ ভাৰতৰ বাবে তাত সংযোজিত হৈছে কেতবোৰ অতিৰিক্ত সংহাৰক অস্ত্ৰ। এনে কাৰণতে ভাৰতীয় বিমান বাহিনীত ৰাফেলৰ সংযোজনে কমিউনিষ্ট চীনক চিন্তিত কৰি তুলিছে। তেওঁলোক অস্ত্ৰযোগান বিচাৰি ওচৰ চাপিছে ৰাছিয়াৰ। ভূ ভাগৰ পৰা আকাশলৈ নিক্ষেপ কৰিব পৰা এছ-৪০০ ডিফেন্স ছিষ্টেম ক্ৰয় কৰিবলৈ চীন উঠিপৰি লাগিছে। কিন্তু ৰাছিয়াৰ ওচৰতো চীনৰ বিশ্বাসযোগ্যতা হ্ৰাস পাইছে, সেইবাবে চীনক আধুনিক অস্ত্ৰ-শস্ত্ৰ বেচিবলৈ দেশখন প্ৰস্তুত হোৱা নাই।

এনে পৰিস্থিতিত ভাৰতীয় বায়ুসেনা বাহিনীত ৰাফেল



আৱেদন জনাইছিল। পিছে মাননীয় ন্যায়ালয়ে ৰায় দিছিল দুখন সাৰ্বভৌম ৰাষ্ট্ৰৰ মাজত স্বাক্ষৰিত প্ৰতিৰক্ষামূলক চুক্তি সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিব পৰা নাযায়। সাংবিধানিক সংস্থা চি এ জিয়েও মন্তব্য দিছিল, ৰাফেল যুঁজাৰু বিমানত সংযুক্ত অস্ত্ৰ-শস্ত্ৰবোৰৰ মূল্য সদৰী কৰিব নোৱাৰি।

পিছে ৰাফেল আহি পোৱাৰ পাছতো ৰাহুল গান্ধীকে ধৰি কংগ্ৰেছৰ একাংশ হাতাশাগ্ৰস্ত নেতাই নানান প্ৰশ্নৰ অৱতাৰণা কৰাটো দুৰ্ভাগ্যজনক। পূৰ্বৰ নিৰ্ধাৰিত মূল্য ৫২৬ কোটিৰ সলনি এতিয়া ৰাফেলৰ মূল্য ১৬৭০ কোটি হ'ল কিয়? ১২৬ খন বিমান ক্ৰয় নকৰি ৩৬ খন ক্ৰয় কৰা হ'ল কিয়? পিছে এই ফোঁপযহী নেতাসকলে বুজিব নোৱাৰে, সাধাৰণ উকা বিমান এখন আৰু অস্ত্ৰসজ্জিত যুঁজাৰু বিমানৰ মাজৰ পাৰ্থক্য। অৰ্ডাৰ দিলেই মটৰ গাড়ী যোগান ধৰাৰ দৰে কোনো কোম্পানীয়ে অস্ত্ৰসজ্জিত যুঁজাৰু বিমান যোগান ধৰিব নোৱাৰে, সেইটো তেওঁলোকে বুজিও নুবুজাৰ ভাও জোৰে।

এইটো স্পষ্ট হৈ পৰিছে যে ভাজপা নেতৃত্বাধীন এন ডি এ চৰকাৰে ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰশ্নত কোনো ধৰণৰ বুজাপৰা কৰিবলৈ

যুঁজাৰু বিমানৰ অন্তৰ্ভুক্তিয়ে প্ৰতিৰক্ষা ব্যৱস্থাত বিশ্বাসৰ নতুন ভেটি গঢ়ি তুলিলে বুলি ক'ব লাগিব, তাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নীতি প্ৰশংসাৰ যোগ্য। উল্লেখ্য যে ৰাছিয়াৰ ছুখই-৩০ বিমান ক্ৰয় কৰাৰ পাছত বিগত ২৩ বছৰ ধৰি ভাৰতে কোনো যুদ্ধ বিমান ক্ৰয় কৰা নাছিল। ফলত প্ৰয়োজনীয় ৪২ টা স্কোৱাড্ৰনৰ সলনি ৩১টা স্কোৱাড্ৰনে পৰিস্থিতি চম্ভালিবলগীয়া হৈছিল। এইটো সঁচা যে এই ঘাটি পূৰণ কৰিবলৈ ২০০৭ চনতে পূৰ্বৰ ইউ পি এ চৰকাৰে (২০০৪-১৪) নীতিগত সিদ্ধান্ত গ্ৰহণ কৰিছিল, কিন্তু তদানীন্তন ড° মনমোহন সিঙৰ চৰকাৰৰ আভ্যন্তৰীণ দুৰ্বলতাৰ বাবে উক্ত সিদ্ধান্তৰ কাৰ্যকৰীকৰণ নহ'ল, এতেকে কোনো চুক্তি সম্পাদন কৰিবলৈ সক্ষম নোহোৱাত সিদ্ধান্তটো কাগজৰ পাততে থাকিল।

সি যিয়েই নহওক, ২০১৪ত ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন এন ডি এ চৰকাৰে শাসনভাৰ লোৱাৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তৎপৰতাত প্ৰতিৰক্ষা বিভাগৰ আন্তঃগাঁথনি নিৰ্মাণৰ বিষয়টোৱে অগ্ৰাধিকাৰ পায়, তাৰেই অংশবিশেষ আছিল ২০১৬ৰ ২৩ ছেপ্টেম্বৰত স্বাক্ষৰিত ভাৰত চৰকাৰ আৰু ফ্ৰান্স চৰকাৰৰ মাজৰ ঐতিহাসিক চুক্তিখন। এই চুক্তি অনুসৰি ২০২৩ ৰ ভিতৰত ফ্ৰান্স চৰকাৰে ডাছল্ট এভিয়েচনৰ দ্বাৰা নিৰ্মিত আধুনিক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত ৩৬ খন ৰাফেল যুঁজাৰু বিমানৰ যোগান ধৰিব, সামগ্ৰিক মূল্য ৫৯,০০০ কোটি টকা। অৱশ্যে এই ধনৰ ৬০ শতাংশ কোম্পানীটোৱে ভাৰতত অস্ত্ৰ-শস্ত্ৰৰ উদ্যোগ গঢ়ি তুলিবলৈ বিনিয়োগ কৰাৰ কথা। সেই চুক্তিৰ আধাৰতে ভাৰতে সদ্যহতে ১০ খন বিমান লাভ কৰিছে, তাৰে পাঁচখন আহি পালে, পাঁচখন ফ্ৰান্সতে আছে পৰীক্ষামূলক অনুশীলনৰ বাবে। কোৱা হৈছে যে পৰৱৰ্তী পৰ্যায়ত বিমান পাঁচখন পূবৰ হাছিমাৰা বিমানকোঠত ৰখা হ'ব।

দুৰ্ভাগ্যৰ কথা এইটোৱেই যে ৰাফেল বিমান ক্ৰয় চুক্তিখনৰ বিৰুদ্ধে কংগ্ৰেছে একপ্ৰকাৰৰ 'যুদ্ধং দেহি' কৌশলেৰে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিবলৈ বিচাৰিছিল। প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে ৰাহুল গান্ধীয়ে 'চৌকিদাৰ চোৰ হ্যায়' বুলি জঘন্য অপপ্ৰচাৰ চলোৱাই নহয়, সৰ্বোচ্চ ন্যায়ালয়তো চুক্তিখন স্থগিত ৰাখিবলৈ বিভিন্ন অজুহাত উলিয়াই



প্ৰস্তুত নহয়। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে প্ৰকাৰন্তৰে চীনৰ সবলীকৰণৰ স্বাৰ্থত ভাৰতৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ দুৰ্বলীকৰণ নীতিহে গ্ৰহণ কৰিছিল। তাৰ অজস্ৰ উদাহৰণ আছে। কিন্তু প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদাত্ত কণ্ঠেৰে ঘোষণা কৰিছে দুৰ্বলীয়ে শান্তি স্থাপন কৰিব নোৱাৰে, অঞ্চলটোত শান্তি স্থাপনৰ বাবে ভাৰত আৰ্থিকভাৱেই নহয়, সামৰিকভাৱেও শক্তিশালী হোৱাটো আৱশ্যকীয়। নিঃসন্দেহে সেইনীতিৰে অংশবিশেষ হ'ল ভাৰতীয় বায়ুসেনা বাহিনীত ৰাফেলৰ সংযোজন। এই সংযোজনে মাথোন ভাৰতীয় সেনাৰ মনোবলেই বৃদ্ধি কৰা নাই, প্ৰতিজন সাধাৰণ ভাৰতীয়ৰ মনতো বিশ্বাসৰ ভেটি সুদৃঢ় কৰিলে। □□

*লেখকৰ ফোন নং ঃ ৯৪৩৫৫-৫৪২০৫*



# কৰ’না ভাইৰাছ (ক’ভিড-১৯) আৰু বিধ্বস্ত শিক্ষাবৰ্ষ

ড° জগদীন্দ্ৰ ৰায়চৌধুৰী

এক গতিময় পৰিৱেশত বিশ্ব পৰিচালিত হৈ আছিল, কিন্তু হঠাৎ এটি ভাইৰাছৰ আক্ৰমণত গোটেই বিশ্ব বৰ্তমানে কম্পমান। কৰ’না ভাইৰাছ (কোভিড ১৯) গোটেই পৃথিৱীজুৰি ইমানেই সংক্ৰমিত হৈ পৰিল যে কে’বা লাখো মানুহক মৃত্যুৰ মুখলৈ ঠেলি দিলে। বিশ্বৰ সকলো দেশেই ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ একমাত্ৰ উপায় বাছি লৈছে ‘লক ডাউন’।

এই লক ডাউনৰ বাবে জনজীৱন স্তব্ধ হৈ পৰিল। ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীয়ে যোৱা মাৰ্চ মাহৰ ২৩তাৰিখে সমগ্ৰ ভাৰতবৰ্ষজুৰি লক ডাউন ঘোষণা কৰাৰ অৰ্থ এই যে যাতে এই ৰোগ সহজতে সংক্ৰমিত হ’ব নোৱাৰে। ইয়াৰ লগে লগে অৰ্থনীতি আৰু শিক্ষাৰ ক্ষেত্ৰত বাৰুকৈয়ে প্ৰভাৱ পেলোৱাটো স্বাভাৱিক। অৱশ্যে পৰৱৰ্তী সময়ত ৰাজ্যসমূহক এই লক ডাউন বাতিল কৰা বা প্ৰৱৰ্তন কৰাৰ কৰ্তৃত্ব প্ৰদান কৰা হয়।

এই মাৰাত্মক ৰোগটোৰ বাবে এক দীঘলীয়া প্ৰক্ৰিয়াত স্কুল, কলেজসমূহ বন্ধ ঘোষণা কৰিবলৈ বাধ্য হোৱাটো পৰিলক্ষিত হৈছে। যিহেতু কৰ’না ভাইৰাছ এজনৰ পৰা আনজনলৈ ক’ব নোৱৰাকৈ সংক্ৰমিত হয় সেয়েহে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষানুষ্ঠানলৈ যোৱাত বাধা দিয়াৰ বাহিৰে আন উপায় নাথাকিল। চি বি এছ ইৰ দ্বাৰা পৰিচালিত দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা দিবলৈ কিছু বাকী থাকিল। কলেজ আৰু বিশ্ববিদ্যালয়ৰ ছেমিষ্টাৰৰ পৰীক্ষাসমূহ অনুষ্ঠিত কৰিব পৰা নগ’ল লগতে শ্ৰেণীসমূহৰ যথেষ্ট ক্ষতি সাধন হ’ল। যেতিয়া এই বেমাৰৰ প্ৰক্ৰিয়া কিছু দীঘলীয়া হ’বলৈ ধৰিলে কিছু সংখ্যক শিক্ষানুষ্ঠানে ‘অনলাইন’ ক্লাছ আৰম্ভ কৰি দিলে। এটা কথা ঠিক যে এই পদ্ধতি সম্পূৰ্ণ নতুন আৰু এই পদ্ধতি সুচাৰুৰূপে চলাবলৈ যথেষ্ট অসুবিধাৰ মাজেৰে পাৰ কৰিব লগা হৈছে। তদুপৰি এই পদ্ধতিৰ দ্বাৰা সকলো ছাত্ৰ-ছাত্ৰী উপকৃত হ’ব পৰা নাই। কাৰণ কাৰিকৰী দিশত সকলোৱে সমানে আগবঢ়া নহয়। কিছুসংখ্যকৰ দক্ষতা আৰু কিছু সংখ্যকৰ দীনতাৰ বাবে সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ অপাৰগ হোৱাটো স্বাভাৱিক। এনেক্ষেত্ৰত বহু ব্যক্তিয়ে তথা অনুষ্ঠানে আপত্তি দৰ্শাইছে, কিন্তু তেওঁলোকে

সমাধানৰ বাট দেখুৱাবলৈ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। তেনে ব্যক্তি বা অনুষ্ঠানে এটা কথা ভালদৰে বুজা উচিত যে এয়া অকল অসমৰ সমস্যা নহয়। যিহেতু শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক বিকাশৰ এটি ধাৰা প্ৰবাহিত হৈ থাকে তেনেক্ষেত্ৰত বাধাপ্ৰাপ্ত হোৱাটো অকল ক্ষতিকাৰকেই নহয় বৰঞ্চ কুমলীয়া বয়সত এটি বৃহৎ চাপ পৰা স্বাভাৱিক। সেয়েহে যিমানখিনি পৰা যায় চৰকাৰী বা বেচৰকাৰী স্কুল-কলেজসমূহত অনলাইনযোগে শ্ৰেণী অনুষ্ঠিত কৰা কাৰ্য প্ৰচলিত কৰিবলৈ চেষ্টা চলাই থকা হৈছে। শ্ৰেণীকোঠাত শিক্ষক আৰু শিক্ষাৰ্থীৰ যিমান প্ৰত্যক্ষভাৱে ভাবৰ আদান-প্ৰদান হয় তাৰ তুলনাত বহুখিনি হ্ৰাস হোৱাটো স্বাভাৱিক, কিন্তু পৰিস্থিতি সাপেক্ষে অনলাইনৰ দ্বাৰা হ'লেও কিঞ্চিত পৰিমাণে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত পাঠসমূহৰ সম্যক ধাৰণা গঢ়ি উঠিছে। এটা কথা আগতেও উল্লেখ কৰিছো যে এই অনলাইন ক্লাছৰ সুবিধা কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ল'ব পৰা নাই। আনহাতে, এক ব্যক্তিগত সমীক্ষাৰ পৰা আমি জানিবলৈ পাওঁ যে চহৰ অঞ্চলতকৈ গ্ৰাম্য অঞ্চলতহে অনলাইন শ্ৰেণীৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে কিয়নো গ্ৰাম্য অঞ্চলত ইয়াৰ প্ৰভাৱ যথেষ্ট সক্ৰিয়। যিহেতু কেতিয়াও কল্পনা নকৰা এটা বেমাৰে ছানি ধৰিলে সেয়েহে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ এনে ব্যৱস্থা। ক্ষতি সকলোৰে হৈছে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে জে ই ই বা নীট পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাইছে তেওঁলোকেও মানসিকভাৱে কিছু পৰিমাণে ভাগি পৰিছে। বৰ্তমান সময়লৈ দুবাৰো পৰীক্ষা পিছুৱাই পুনৰ নতুন তাৰিখ নিৰ্ধাৰণ কৰিছে।

শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ক্ষতিসাধন হোৱাটো কোনেও নুই কৰিব নোৱাৰে। ভাৰতবৰ্ষত ১.৪ নিযুত স্কুল আছে, ইয়াৰে ২.০১ নিযুত ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী স্কুলত নামভৰ্তি কৰে অৱশ্যে প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ। আনহাতে, ৩.৮ নিযুত ছাত্ৰ-ছাত্ৰীয়ে নৱম-দশম শ্ৰেণীত পাঠ্যৰত হৈ আছিল ২০১৬-২০১৭ বৰ্ষৰ সমীক্ষা অনুসৰি। ভাৰতবৰ্ষত যি জনসংখ্যা আছে ইয়াৰ ভিতৰত ২৯ শতাংশ ছাত্ৰ-ছাত্ৰী।

যিহেতু শিক্ষাবৰ্ষৰ যথেষ্ট ক্ষতিসাধন হৈছে আৰু ইয়াক কিছু পৰিমাণে হ'লেও সকাহ দিয়াৰ বাবে স্কুলসমূহৰ শিক্ষাবৰ্ষ জানুৱাৰী মাহত আৰম্ভ হোৱাৰ সলনি এপ্ৰিল মাহত আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। অসমৰ শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দশম আৰু দ্বাদশ শ্ৰেণীৰ মাৰ্কছিটসমূহ অনলাইনযোগে সংগ্ৰহ কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে কলেজসমূহত নামভৰ্তি কৰাৰ বাবে একে ব্যৱস্থা কৰিবলৈ নিৰ্দেশনা জাৰি কৰে। অৱশ্যে কলেজ কৰ্তৃপক্ষক পৰীক্ষা নিয়ন্ত্ৰণ বোৰ্ডৰ অধীনৰ ৱেবছাইটত হৈ মাৰ্কছিটসমূহৰ সত্যতা পৰীক্ষা কৰিবলৈ আহ্বান জনায়। যিসকল ছাত্ৰ-ছাত্ৰী ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত অধ্যয়নৰত আছিল তেওঁলোকক যথাক্ৰমে ৫০০০ টকা দক্ষিণ ভাৰতৰ




পৰা অহা, ৩০০০ টকা উত্তৰ ভাৰত আৰু ২০০০ টকা পূৰ্ব ভাৰতৰ পৰা অহা ছাত্ৰ-ছাত্ৰীক এককালীন সাহায্য প্ৰদান কৰাৰ কথাও ঘোষণা কৰে। ভাৰতবৰ্ষত চি বি এছ ই, এন চি ই আৰ টি আৰু ইউ জি চিয়ে শিক্ষাবৰ্ষৰ নিৰ্ধাৰিত সময়ৰ কিছু সাল-সলনি কৰিব বিচাৰিছে।

শেহতীয়াকৈ পোৱা বাতৰি অনুসৰি চেণ্ট্ৰেল বোৰ্ড ছেকেণ্ডাৰী এডুকেচন (চি বি এছ ই)য়ে ঘোষণা কৰিছে যে ২০২০-২১ বৰ্ষৰ পাঠ্যক্ৰমৰ নৱম শ্ৰেণীৰ দ্বাৰা দ্বাদশ শ্ৰেণীলৈ ৩০ শতাংশ পাঠ হ্ৰাস কৰিব। যিহেতু কৰ'না মহামাৰীৰ বাবে সময়মতে শ্ৰেণীসমূহ অনুষ্ঠিত কৰিব পৰা নাই, সেয়েহে এনে ব্যৱস্থাৰ দ্বাৰা শিক্ষাবৰ্ষ ক্ষতি নকৰাৰহে পৰিকল্পনা। এইক্ষেত্ৰত কেইবাখনো বিশ্ববিদ্যালয়ৰ অধ্যাপকে আপত্তি দৰ্শাইছে ৩০ শতাংশ পাঠ পাঠদান নকৰাৰ বাবে, কিন্তু তেওঁলোকে কিদৰে এই বিপদৰ সময়ত জোৰা মাৰি শিক্ষাবৰ্ষ আগুৱাই নিব তাৰ কোনো পৰামৰ্শ আগবঢ়োৱা নাই। কটন বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই দ্বিতীয় আৰু চতুৰ্থ ছেমিষ্টাৰৰ পৰীক্ষাসমূহ অনুষ্ঠিত নকৰাকৈ পূৰ্বৰ পৰীক্ষাৰ নম্বৰ চাই উত্তীৰ্ণ কৰাৰ কথা সদৰী কৰিছে।

অসমৰ স্কুলৰ শিক্ষাবৰ্ষ জানুৱাৰীৰ সলনি এপ্ৰিলত আৰম্ভ কৰাৰ কথা অসম চৰকাৰে সদৰী কৰিছে। অকল অসমৰ শিক্ষাবৰ্ষ আৰু অৰ্থনৈতিক দিশ বিনষ্ট হোৱা নাই বৰঞ্চ গোটেই বিশ্ব কৰ'না ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হৈছে। এনেক্ষেত্ৰত যি ক্ষতি হৈছে সেয়া অপ্ৰতিৰোধ্য। এয়া আমি সকলোৰে মানি ল'বই লাগিব। এনে এটি বিপদৰ সময়ত চৰকাৰে (ৰাজ্য তথা কেন্দ্ৰীয়) এই মহামাৰীৰ বিপক্ষে যি যুঁজ দিছে তাত সহযোগিতা কৰাৰ লগতে বিভিন্ন দিশ সামৰি ইতিবাচক পৰামৰ্শ আগবঢ়ালেহে ৰাজ্য তথা দেশৰ জনগণৰ মংগল হ'ব। এনেয়ো জনবিস্ফোৰণে লগতে প্ৰকৃতিৰ ওপৰত বিভিন্ন দিশেৰে যি হেঁচা প্ৰয়োগ কৰিছে ইয়াৰ ফলত প্ৰকৃতিয়ে ভাৰসাম্য হেৰুৱাইছে আৰু ভূতৰ ওপৰত দানহ পৰাদি ভাইৰাছে সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰিছে। সেয়েহে শিক্ষাৰ ক্ষেত্ৰতে হওক বা অন্য ক্ষেত্ৰত ইতিবাচক পৰামৰ্শহে সকলোকে উপকৃত কৰিব। ❑❑

# ত্ৰিৰংগা নিচান

ৰবীন ডেকা

ভাৰতবৰ্ষও এই বিশ্বব্ৰহ্মাণ্ডৰ মাজত
ব্ৰিটিছৰ কৰাল গ্ৰাসৰ পৰা মুক্ত হ'ল,
মহাত্মা গান্ধীয়ে গঢ়িলে ইতিহাস
খাদী সূতাৰে যতৰত বৈছিল এক বস্ত্ৰ
যি বস্ত্ৰৰ তিনিটা ৰং, গেৰুৱা, বগা আৰু সেউজীয়া
মাজত চক্ৰ
আমি সকলোৱে দেখা পাইছো ত্ৰিৰংগা পতাকা
আমাৰ প্ৰাণৰ জাতীয় পতাকা
এই জাতীয় পতাকাৰ তাৎপৰ্যই বা কি?
আমি কেতিয়াবা ভাবি চাইছোনে?
এই বস্ত্ৰখনত আছেই বাৰু কি?
দেখাত সূতাৰে বনোৱা এখন বস্ত্ৰ
এই পতাকাত কি কি আছে বাৰু?
ইয়াত আছে ধৈৰ্য, শৌৰ্য, সাহস, জ্ঞান, বিদ্যা, শক্তি, মুক্ত বায়ু
আৰু যে কিমান কি আছে
পতাকাখন বতাহত উৰিলে আমি কি কি পাওঁ বাৰু?
আমি ভাৰতবৰ্ষৰ শুদ্ধ বতাহ পাওঁ, পাওঁ বিভিন্ন জাতিৰ ঐক্য
পিতা-মাতাৰ আশীৰ্বাদ, পূৰ্বপুৰুষসকলৰ গৌৰৱময় বুৰঞ্জী
যি শুদ্ধ বতাহৰে পাওঁ ধৰ্ম, শিক্ষা, দীক্ষা, বিদ্যা-বুদ্ধি,
জ্ঞান, মান-মৰ্যাদা, সাহিত্য, ভাষা, সংস্কৃতি, বুৰঞ্জী,
ভূগোল আৰু পাওঁ বিভিন্ন বিদ্যা।
প্ৰত্যেক বছৰে পালন কৰিছো
গণৰাজ্য দিৱস আৰু স্বাধীনতা দিৱস
এই দুটা দিন ভাৰতৰ বাবে বৰ পৱিত্ৰ দিন
যি পৱিত্ৰ দিনত আমাৰ সকলোৰে মনত পৰে
দেশৰ বাবে প্ৰাণ আহুতি দিয়াসকললৈ।
এই পতাকা আকাশত উৰুৱাই আমি জীয়াই থাকো মাটিত
আমাৰ বিশ্বাস আৰু আশ্ৰয়ক খামুচি ধৰি বিশ্ব ব্ৰহ্মাণ্ডৰ
শিৰ উচ্চ কৰি পতাকাৰ লগত উৰে আমাৰ জাতীয় পতাকাও
গৌৰৱেৰে
দেখিলেই আমাৰ মন-প্ৰাণ, আমাৰ আত্মা উচ্চ হৈ পৰে
গৌৰৱেৰে ভৰি পৰে মন
আৰু পৰ্বতে-পাহাৰে থিয় হয়, ভাৰতবৰ্ষৰ গৌৰৱ,
দেশৰ সন্মানাৰ্থে, দেশৰ ৰক্ষাৰ্থে
আৰু ব্যৱহাৰ সকলোৰে ঘৰে ঘৰে, বিদ্যালয়ত, দোকান-পোহাৰে,
আৰু সকলো চৰকাৰী-বেচৰকাৰী অনুষ্ঠানত
সেইদিনা গোটেই দেশখন তিনিটা ৰঙৰ বস্ত্ৰৰে
সুশোভিত হয়, মন-প্ৰাণ উৎফুল্লিত হয়,
আৰু ভাৰতবৰ্ষৰ ধৰিত্ৰীও পৱিত্ৰ হয়।
সেইদিনা সকলোৰে ক'বৰ মন যায়
উৰি থাক, উৰি থাক, উৰিয়েই থাক
মুক্ত আকাশত উৰি থাক
মোৰ শ্ৰদ্ধাৰ, মোৰ ভক্তিৰ, মোৰ মৰমৰ বিজয়ী নিচান
এই পতাকাখন বিভিন্ন জাতিয়ে অন্তৰত
সকলোৱে পতাকাখন বুকুত লৈ জন্ম লৈছো
এক ভাৰতীয়ৰূপে
বিদ্যা-শিক্ষা পাইছো, বিদেশলৈ আগবাঢ়িছো, অগ্ৰিম বিজ্ঞানলৈ
আগবাঢ়িছো।
দুখ লাগে সীমান্তত থকা এই শীতত কঁপোৱা ৰাতি
আমাৰ বাবে পহৰা দিয়া ভাৰতীয় জোৱানসকললৈ
দুখ লাগে যিসকল ছহিদে বলিদান আৰু ত্যাগেৰে
হ'ল ছহিদ, সিহঁতো তেজ-মঙহৰে মানুহ,
আমাৰ জাতি ভাই-ককাই, ৰাতি যেতিয়া শুবলৈ যাওঁ,
তেতিয়া তেওঁলোকলৈ এবাৰ আমি ভাবোনে?
গতিকে আমি স্মৰণ কৰিব লাগিব
পিয়লি ফুকন, গোমধৰ কোঁৱৰ, মণিৰাম দেৱান,
কুশল কোঁৱৰ, কনকলতা, ভোগেশ্বৰী ফুকননী, মুকুন্দ কাকতি
আৰু অনেক বীৰ-বীৰাংগনালৈ
তেওঁলোকক স্মৰণ কৰিলেহে সততাৰে আমি পৃথিৱীত আগবাঢ়িব
পাৰিম
এই পতাকাই সৃষ্টি কৰিছে সত্যৰ যুদ্ধ/ বিশ্বত কৰিছে পোহৰ
আৰু সৃষ্টি কৰিছে এক পৱিত্ৰ তীৰ্থভূমি
হিন্দুস্থান, হিন্দুস্থান আমাৰ।। ❑❑

# স্বাধীনতা

**পুলিন ডেকা**

মাটিৰ উম লৈয়ে এদিন নামি আহিছিল স্বাধীনতা
জানানে ?
ত্যাগ আৰু সাহসৰ মূৰ্ত সোঁতত এতিয়াও জীপাল
তোমাৰ দেশৰ ভূমি, হৃদয়ৰ সেউজ পথাৰ
তেজ লৈ সেনানীসকলে খেলা নাছিল
উকা হাতবোৰত নাছিল অস্ত্ৰৰ মহাসমৰৰ ঢৌ
ৰঙা ৰং সিঁচি লুইত,গংগা,কাবেৰীৰ গুলীবিদ্ধ সময়ত
এৰি দিয়া নাছিল পালতৰা নাও
স্বাধীনতা
মনত পৰেনে তোমাৰ
জালিয়ানৱালাবাগ, গহপুৰৰ সেই আৰ্তনাদৰ সময়
যাৰ বুকুৰ জুয়ে দিছিল হাতত হাত মিলাই যোৱাৰ
অদম্য প্ৰেৰণাৰ এখন পৃথিৱী
মোৰ দেশৰ পাহাৰৰ শিখৰ কঁপাই নামি আহিছিল স্বাধীনতা
জানানে ?
এতিয়াও সেই ত্যাগৰ মূল্য দিয়েই সাজিছে আশাৰ বৰপিৰা
একবিংশ শতিকাৰ দুৱাৰ মেলি পোহৰ বিচাৰি যোৱা সকলোৱে
প্ৰযুক্তিৰ সমাহাৰৰ মাজত বিচাৰি ফুৰে তোমাৰ
চেতনাৰ গতিশীল যাত্ৰা
স্বাধীনতা
মনত পৰেনে তোমাৰ
শান্তিৰ মন্ত্ৰৰে বিবেকক জোকাৰি অগ্নিময় কৰি তোলা নৈৰ ঢৌ
আৰু মহাসমৰৰ কল্লোলিত সুৱাসৰ সেই বজ্ৰনিনাদ
দেশৰ স্বাভিমানে এতিয়া দেশান্তৰৰ আকাশত হিল্লোল তোলে
জানানে ?
তোমাক খবৰ দিম বুলিয়ে বৰফৰ চিঠি লিখিছো
শীতল অনুভৱবোৰ লুকুৱাই ৰাখি হিমালয়ৰ সুউচ্চ শীৰ্ষত
সগৰ্বে উৰুৱাই ৰাখিছো তোমাৰ ত্ৰিৰংগ পোহৰ
স্বাধীনতা
লাডাখ,কাশ্মীৰ আৰু অৰুণাচলত আজিও বাজি উঠে
ৰণশিঙা, তোমাৰ অনুজৰ কলিজা সেই একেই তেজেৰে সিক্ত
অতন্দ্ৰ প্ৰহৰীৰ নীলাভ চকুৰে সীমান্তত মেলি দিছে
তোমাৰ বৰ্ণৰ সেউজ হাত
কিছুমান কথা ক'বলৈ ভয় লাগে তোমাক
জানানে ?
কেতিয়াবা দেশৰ মাটিত জুই জ্বলে
সপোন ভাঙি ৰঙচুৱা কৰিব বিচাৰে এজাক শগুনে
সিহঁতক মোৰ আপোন মানুহৰ তেজ লাগে
লাগে নতুন স্বাধীনতাৰ সংজ্ঞা
স্বাধীনতা
অৰুণাচলৰ পৰা কন্যাকুমাৰীলৈ
কাশ্মীৰৰ পৰা গুজৰাটলৈ সকলোৱে এতিয়াও সাৰে আছে
সাৰে আছে হেঁপাহ,আশাৰ সকলো শাখা-প্ৰশাখা আৰু তেনেদৰে
একবিংশ শতিকাত বিয়পি পৰিছে প্ৰাতঃকালৰ ধ্যানমগ্ন চকুহাল
তোমাৰ উত্তৰ-পূবৰ কথাবোৰ শুনিবলৈ' মন যায়নে কেতিয়াবা
জানানে ?
ইয়াৰ মানুহবোৰে বৰণ সলাইছে সেউজ পোছাক লৈ
শান্তিৰ বিশাল বটবৃক্ষৰ তলত শব্দহীন হৈ পৰিছে অস্ত্ৰৰ জনজননি
পাহাৰ-ভৈয়ামত সকলোৱে থুপিয়াই লৈছে উত্তৰণৰ মহামন্ত্ৰ
কাৰণ কনকলতা,কুশল কোঁৱৰ, মুকুন্দ কাকতিৰ আধৰুৱা
আশাবোৰ লৈ সকলোৱে খোজ দিছে এখন নতুন পৃথিৱীলৈ'
স্বাধীনতা
আমি জীয়াই আছো তোমাৰ বাবে
আমি সাৰে আছো প্ৰতিটো সীমান্তৰ হাড় কঁপোৱা ছাঁত
যুদ্ধ আমি বিচৰা নাই, বিচৰা নাই তেজলগা এখন উপত্যকা
একেই শান্তিৰ প্ৰতিবাদী কণ্ঠ এতিয়াও আমাৰ মহামন্ত্ৰ
কোনোৱাই জুই লগালে কি কৰিম স্বাধীনতা
আমিও জ্বলাই লওঁ অগ্নিময় অঙঠা
শান্তিৰ পৰাণ ভৰাই আঁকি যাওঁ মানৱতাৰ জয়গান
এই দেশৰ মাটি এতিয়াও সুকোমল
পাহাৰ,মহাসাগৰৰ বৰ্ণিলতাত আছে বাপুজীৰ স্বপ্নৰ অলেখ গাথা
জানানে ?
দেশ বুলিলে গণতন্ত্ৰ লাগে, লাগে হাতত হাত মিলাই যোৱা
এটি পথ। তুমি আহিবাচোন -- তোমাক সেই পথেৰে লৈ যাম
য'ত এমুখ হাঁহিৰে মানুহবোৰে খোজ দিছে গতিময় স্পন্দনৰ
দিগন্তত
স্বাধীনতা
তোমাক এটা দুখৰ খবৰ দিওঁ, বেয়া নাপাবা
ক'ব বিচৰা নাই তেনে খবৰ যি বাৰ্তাই দিব পাৰে কলিজা ভঙাৰ
শব্দ
বৰ ভূঁইকঁপৰ হেন্দোলনিত লুইতৰ গাত ব্যথা লাগিছিল
নৰীয়া শৰীৰেৰে বুকুখন উজাই লোৱা দিনৰে পৰা
কিনো জানো হ'ল,বাৰিষা ক্ৰোধান্বিত হ'লে
বুৰাই পেলায় এমুঠি আশা, মুঠি মুঠি বাঢ়ি অহা সেউজ সপোন
আৰু তেনেদৰে নিজৰ বুকুত জিৰাবলৈ দিয়ে খহনীয়াৰ সংশব্দ
নীৰৱতা। ❑❑

# অসম সচিবালয়ত কনিষ্ঠ প্ৰশাসনিক সহায়কৰ ১৭০টা পদ




অসম চৰকাৰৰ অসম সচিবালয়ত খালী হোৱা কনিষ্ঠ সহায়কৰ ১৭০ টা পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন বিচৰা হৈছে। এই পদসমূহৰ ভিতৰত অসংৰক্ষিত ৫৭টা, এছ টি (পি) ১৪ টা, এছ টি (এইচ) ১২ টা, এছ চি ১৪ টা আৰু অ' বি চি/এম অ' বি চিৰ শিতানত ৪০ টা পদ আছে। লগতে আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে ১৯ টা আৰু দিব্যাংগ প্ৰাৰ্থীৰ বাবে ১৪ টা পদ সংৰক্ষিত আছে। প্ৰাৰ্থী যিকোনো চৰকাৰী স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা ৪৫ শতাংশ নম্বৰসহ স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। এছ চি/ এছ টি প্ৰাৰ্থীৰ বাবে ৪০ শতাংশ হ'লেও হ'ব। তদুপৰি প্ৰাৰ্থীয়ে কম্পিউটাৰৰ ছমহীয়া পাঠ্যক্ৰম সমাপ্ত কৰা হ'ব লাগিব। প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১ জানুৱাৰী ২০২০ ত ১৮-৩৮ বছৰৰ ভিতৰত। আগ্ৰহী প্ৰাৰ্থীয়ে সবিশেষ জানিবলৈ www.assam.gov.in বা www. recruitmentsad.in বা www. sad.assam.gov.in চাব পাৰে। ❑❑

# ভাৰতীয় সেনাত মহিলাৰ বাবে ৯৯টা পদ

ভাৰতীয় সেনাত খালী হোৱা ৯৯টা ছোলজাৰ জেনেৰেল ডিউটী পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন বিচৰা হৈছে। এই পদকেইটা মহিলা প্ৰাৰ্থীৰ বাবে সংৰক্ষিত। পদসমূহৰ বাবে আৱেদনকাৰী প্ৰাৰ্থী দশম শ্ৰেণী উত্তীৰ্ণ হোৱা বা ইয়াৰ সমপৰ্যায়ৰ পৰীক্ষা উত্তীৰ্ণ হোৱা হ'ব লাগিব। প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৭ বছৰ ৬ মাহৰ পৰা ২১ বছৰৰ ভিতৰত। অৰ্থাৎ প্ৰাৰ্থীৰ জন্ম হ'ব লাগিব ১ অক্টোবৰ ১৯৯৯ ৰ পৰা ১ এপ্ৰিল ২০০৩ ৰ ভিতৰত। এই পদসমূহ পূৰণ কৰাৰ বাবে আম্বালা,লক্ষ্ণৌ, জব্বলপুৰ, বাংগালুৰু, পুনে আৰু শিলঙত নিযুক্তি সমাৰেশ অনুষ্ঠিত হ'ব। এই পদসমূহত আৱেদন কৰিবলৈ প্ৰয়োজনীয় শৈক্ষিক অৰ্হতা, অভিজ্ঞতা, বয়স, শ্ৰেণী, নিযুক্তি প্ৰক্ৰিয়াকে ধৰি অনলাইন আৱেদন প্ৰক্ৰিয়াৰ বিষয়ে জানিবলৈ আগ্ৰহী প্ৰাৰ্থীসকলে বিভাগীয় ৱেবছাইট www. joinindianarmy.nic.in চাব পাৰে। আৱেদন দাখিলৰ অন্তিম দিন ৩১ আগষ্ট, ২০২০। ❑❑



# আই টি বি পিত কনিষ্টবলৰ ৫১টা পদ




ইন্দো তিব্বেতান ব'ৰ্ডাৰ পুলিচ ফ'ৰ্চ চমুকৈ আই টি বি পিত খালী হোৱা ৫১টা গ্ৰুপ চি পৰ্যায়ৰ জেনেৰেল ডিউটীৰ নন গেজেটেড আৰু নন মিনিষ্ট্ৰিয়েল পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন বিচৰা হৈছে। এই পদসমূহ পূৰণ হ'বলগীয়া শিতানবোৰ হ'ল বক্সিং (পুৰুষ/মহিলা), ৰেষ্টলিং (মহিলা), কাবাদী (পুৰুষ), আৰ্চাৰী (পুৰুষ/মহিলা), ভলীবল (পুৰুষ), স্প'ৰ্টছ শ্যুটিং (পুৰুষ/মহিলা) আৰু আইচ হকী (পুৰুষ)। ২৬ আগষ্ট ২০২০ত প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৮-২৩ বছৰৰ ভিতৰত। সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে বয়সৰ ঊৰ্ধ্বসীমাত ৰেহাই লাভ কৰিব। প্ৰাৰ্থী মেট্ৰিক উত্তীৰ্ণ হোৱাৰ লগতে ক্ৰীড়াত পাৰদৰ্শিতা থকা হ'ব লাগিব। ইয়াৰ উপৰি ৰাষ্ট্ৰীয়/আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া প্ৰতিযোগিতাত দেশ/ৰাজ্যক প্ৰতিনিধিত্ব কৰা হ'ব লাগিব। সবিশেষ জানিবলৈ আৰু অনলাইনযোগে আৱেদন দাখিল কৰিবলৈ আগ্ৰহী প্ৰাৰ্থীয়ে বিভাগীয় ৱেবছাইট www.recruitment.itbpolice.nic.in চাব পাৰে। আৱেদন দাখিলৰ অন্তিম দিন ২৬ আগষ্ট ২০২০। ❑❑

# অ' এন জি চিত বিভিন্ন বৰ্গৰ ৪১৮২টা পদ




তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেড চমুকৈ অ' এন জি চিত খালী হোৱা বিভিন্ন বৰ্গৰ ৪১৮২ টা পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন বিচৰা হৈছে। মুঠ খালী পদসমূহৰ ভিতৰত নৰ্থ ছেক্টৰত ২২৮ টা, মুম্বাই ছেক্টৰত ৭৬৪টা, ইষ্টাৰ্ণ ছেক্টৰত ৭১৬ টা, ছাউডাৰ্ন ছেক্টৰত ৬৭৪ টা, ৱেষ্টাৰ্ন ছেক্টৰত ১৫৭৯ টা আৰু চেণ্ট্ৰেল ছেক্টৰত ২২১টা পদ আছে। ইষ্টাৰ্ন ছেক্টৰত পূৰণ হ'বলগীয়া পদসমূহৰ ভিতৰত যোৰহাটতত ১৫৬ টা, শিলচৰত ৪৯ টা আৰু নাজিৰা-শিৱসাগৰত ৫১১ টা পদ আছে। এই পদসমূহৰ বাবে প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৭ আগষ্ট ২০২০ ত ১৮ বছৰৰ পৰা ২৪ বছৰৰ ভিতৰত। সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে বয়সৰ ঊৰ্ধ্বসীমাত ৰেহাই লাভ কৰিব। পদসমূহৰ লগতে প্ৰাৰ্থীৰ শৈক্ষিক অৰ্হতা আদিকে ধৰি বিভিন্ন বিষয়ে জানিবলৈ আৰু অনলাইনযোগে আৱেদন দাখিল কৰিবলৈ আগ্ৰহী প্ৰাৰ্থীয়ে ৱেবছাইট www.ongcapprentices.ongc.co.in চাব পাৰে। আৱেদন দাখিল অন্তিম দিন ১৭ আগষ্ট ২০২০। ❑❑


Government of Assam
আহক, আমি  সকলোৱে একেলগে
এখন সমৃদ্ধিশালী অসম গঢ়োঁ
কঠোৰ পৰিশ্ৰমৰ জৰিয়তে
আমাৰ সপোন সাৰ্থক কৰোঁ
সৰ্বানন্দ সোণোৱাল
মুখ্যমন্ত্ৰী, অসম
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

অসম চৰকাৰ

GOVERNMENT OF ASSAM

# কৰ'না ভাইৰাছ

National Health Mission, Assam

কৰ'ণা ভাইৰাছ, বা (2019-Cov) এক নতুন ভাইৰাছ (বীজাণু) যাক চীনৰ হুবেই প্ৰান্তৰ য়ুহান চহৰত প্ৰথমে চিনাক্ত কৰা হৈছিল। কৰ'ণা হৈছে বৃহৎ গোষ্ঠীৰ ভাইৰাছ, যিয়ে জ্বৰ আৰু ছৰ্দি সম্বন্ধীয় ৰোগসহ মানুহ আৰু জীৱ-জন্তু উভয়কে সংক্ৰমিত কৰিব পাৰে। এই ভাইৰাছ আগতে কোনোদিন চিনাক্ত কৰা হোৱা নাছিল বাবে ইয়াক নভেল বা নতুন বুলি কোৱা হৈছে। এই ভাইৰাছবিধ অতি সোনকালে এজন ব্যক্তিৰ পৰা আনজন ব্যক্তিলৈ সংক্ৰমিত হয়।

## কৰ'না ভাইৰাছৰ লক্ষণ সমূহ কি ?

কাহ | জ্বৰ | উশাহ লোৱাত কষ্ট | নিউমোনিয়া | বমি | ডায়েৰিয়া

## কৰ'না ভাইৰাছ কিদৰে বিয়পে ?

এই ৰোগত আক্ৰান্ত হোৱা কোনো ব্যক্তিৰ সংস্পৰ্শলৈ আহিলে এই ভাইৰাছ বিয়পিব পাৰে। আক্ৰান্ত ব্যক্তিজনৰ কাঁহ আৰু হাচ্ছি মাৰোতে ওলোৱা ড্ৰপলেটৰমাধ্যমেৰে আৰু আক্ৰান্ত ব্যক্তিজনৰ ব্যৱহৃত সামগ্ৰী স্পৰ্শ কৰাৰ ফলতো এই ভাইৰাছ বিয়পিব পাৰে।

### উল্লেখিত কৰিবলগীয়া আৰু নকৰিবলগীয়া নিয়মসমূহ পালন কৰক

## কৰিবলগীয়া ✓

- পাৰ্যমানে লোকসমাবেশ বৰ্জন কৰক
- ব্যৱহৃত টিচ্যু তৎক্ষণাৎ ঢাক্কনিযুক্ত পেলাব
- যদি কোনো লোকে কৰণা ভাইৰাছ আক্ৰান্ত দেশ ভ্ৰমণ কৰি আহিছে ১৪ দিনৰ বাবে নিজকে ঘৰত আবদ্ধ কৰি ৰাখক লগতে পৰিয়ালৰ সদস্য তথা ওচৰচুবুৰীয়াৰ পৰা দূৰত্ব বজাই ৰাখিবলৈ অনুৰোধ জনোৱা হ'ল।
- পানী লগা, কাঁহ বা জ্বৰ হৈ থকা ব্যক্তিৰ পৰা অতি কমেও ১ মিটাৰ দূৰত্ব বজাই ৰাখক
- সদায়েই হাত ধোৱাৰ অভ্যাস কৰক। হাত ধুবৰ চাবোন আৰু পানীৰে পৰিষ্কাৰকৈ ধোৱাৰ লগতে এলক'হলযুক্ত চেনিটাইজাৰ ব্যৱহাৰ কৰক
- যদি আপুনি অসুস্থ যেন অনুভৱ কৰিছে (জ্বৰ, উশাহ লোৱাত কষ্ট আৰু কফ) তেন্তে চিকিৎসকৰ পৰামৰ্শ লওক।
- কাঁহ মাৰোতে আৰু হাচি মাৰোতে ৰুমাল/টিচ্যু ব্যৱহাৰ কৰি আপোনাৰ নাক আৰু মুখৰ ভালকৈ ঢাকি ল'ব
- যদি কোনো লোকে কৰণা ভাইৰাছ আক্ৰান্ত দেশ ভ্ৰমণ কৰি আহিছে তেওঁ নিজেই ওচৰৰ স্বাস্থ্য কেন্দ্ৰলৈ গৈ বা IDSP কোষৰ অথবা সহায়ক নম্বৰৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।
- চিকিৎসালয়লৈ যোৱাৰ সময়ত ১০৮ এম্বুলেন্স ব্যৱহাৰ কৰক আৰু আগতীয়াকৈ চিকিৎসালয়ত খবৰ দিয়ক।

আপোনাৰ পৰিয়ালৰ বা ওচৰচুবুৰীয়াৰ কোনো লোকৰ এই ৰোগৰ লক্ষণসমূহ দেখা দিলে স্বাস্থ্য বিভাগৰ কৰ্তৃপক্ষক অৱগত কৰাওক আৰু ১০৪ ডায়েল কৰক

## নকৰিবলগীয়া ⊗

- যদি আপুনি জ্বৰ আৰু কফ ৰোগত ভুগি আছে, অন্য লোকৰ সৈতে ঘনিষ্ঠ সংস্পৰ্শ
- অপৰিষ্কাৰ হাতেৰে চকু, নাক আৰু মুখত স্পৰ্শ
- ৰাজহুৱা স্থানত থু-খেকাৰ পেলোৱা
- যিকোনো ঠাইলৈ অপ্ৰয়োজনীয় যাত্ৰা পৰিহাৰ কৰক
- কৰমৰ্দন নকৰিব
- কাকো সাৱটি নধৰিব

**একত্ৰিত হৈ আমি কৰ'না ভাইৰাছৰ সৈতে যুঁজ দিও আহক**

সবিশেষ জানিবৰ বাবে **6913347770/1/2/3** আৰু **104** নম্বৰত যোগাযোগ কৰক

অসম চৰকাৰৰ দ্বাৰা ৰাইজৰ স্বাৰ্থাৰ্থে প্ৰচাৰিত